১৯৮৭-৮৮

# নরজ্যোতি মহাবিদ্যালয় আলোচনী

৮ম সংখ্যা



সম্পাদক—
আব্দুছ ছামাদ

Narajyoti College, Kalgachia
Estd. 1971
(Assam)

# নৰজ্যোতি মহাবিদ্যালয় আলোচনী

নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ

## ঃঃ উৎসৰ্গ ঃঃ

সেইসকল মহান ব্যক্তিলৈ, যিসকলে বিজ্ঞান আৰু সাহিত্য চৰ্চাৰ মহান অনুষ্ঠান 'নৰজ্যোতি মহাবিদ্যালয়ৰ' ভেটি নিৰ্ম্মাণ কৰোতে মাটি, অৰ্থ আৰু ঐক্যান্তিক প্ৰচেষ্টাৰে এই বিশাল অনগ্ৰসৰ অঞ্চলক নৰজ্যোতিৰ জ্যোতিৰে জ্যোতিষ্মান কৰিবলৈ চিৰ চেনেহী ভাষাজননী আৰু বিজ্ঞান চৰ্চাৰ বেদীত এগছি শলিতা জ্বলালে, তেখেতসকললৈ এই সংখ্যা শ্ৰদ্ধাৰে উচৰ্গা কৰিলোঁ।

– সম্পাদক –

শ্ৰদ্ধা/প্ৰীতি আৰু শুভেচ্ছাৰে—

..............................................................................................

..............................................................................................

ধন্যবাদেৰে—

আব্দুছ ছামাদ

সম্পাদক, আলোচনী।

Narajyoti College, Kalgachia
Estd. 1971
(Assam)

**তত্বাৱধায়ক—**

অধ্যাপক মিৰ্জা আব্দুল হামিদ

**সম্পাদক-**

আব্দুছ ছামাদ

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ

★ চন— ১৯৮৭-৮৮ ইং ★

---

★সম্পাদনা সমিতি—

অধ্যক্ষ— আব্দুছ ছাত্তাৰ আহমেদ
(সভাপতি)

উপাধ্যক্ষ— মোজাম্মেল হুছেইন
(উপ-সভাপতি)

অধ্যাপক— মীৰ্জা আব্দুল হামিদ
(তত্বাৱধায়ক, আলোচনী বিভাগ)

সম্পাদক— আব্দুছ ছামাদ

তাজউদ্দিন আহমেদ (সদস্য)

---

দুছ ছামাদ

ক্ষ )

অংগসজ্জা পৰিকল্পনা— আব্দুছ ছামাদ
(সঃ আঃ বিঃ)

‡‡ মুদ্ৰা লিখক— দেৱান প্ৰেছ,
কলগাছিয়া ‡‡

কৃতজ্ঞতা স্বীকাৰ—

* অধ্যক্ষ, উপাধ্যক্ষ প্ৰমুখ্যে সমূহ অধ্যাপক, অধ্যাপিকা।
* সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ নৱজ্যোতি মহাবিদ্যালয় শাখা নিৰ্বাচনী আয়োগৰ সমূহ সদস্য, সদস্যা।
* সমূহ লেখক-লেখিকা।
* নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰাবাসৰ সমূহ সদস্য।
* কলেজ মেচৰ সমূহ সদস্য।
* কাৰ্য্যকালত সহায় সহযোগীতা কৰা ছাত্ৰ-ছাত্ৰী সকল।

ঃঃ দেৱান প্ৰেছৰ মালিক তাজুদ্দিন আহমেদ প্ৰমুখ্যে সমূহ কৰ্ম্মীবৃন্দ ঃঃ

সম্পাদক, আলোচনী বিভাগ।

## ।। হে শ্বহীদ প্ৰণামো তোমাক ।।




হে সংখ্যালঘু বীৰ শ্বহীদ !
যুগে যুগে তুমি
বগা সাজেৰে—
আমাৰ
সূৰ্য্যমুখী পথত
আলোক বিকিৰণ কৰা !!

—সম্পাদক।

# শুভেচ্ছা বাণী

১৪ অক্টোবৰ, ১৯৮৯

**ড০ মহম্মদ তাহেৰ,**
অধ্যাপক, ভূগোল-বিজ্ঞান বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

এখন মহাবিদ্যালয় একোটা অঞ্চলৰ, এখন সমাজৰ বন্তি স্বৰূপ। ই অঞ্চলটোত জ্যোতি বিলায়, সমাজখনক পথ দেখুৱাই প্ৰগতিৰ সোপানত আগবঢ়াই লৈ যায়। এই বিশ্বাস মনত লৈ আলোক-পিপাসী এছাম আগৰণুৱা ডেকাই নৰজ্যোতি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল কলগাছিয়া সমন্বিতে শিক্ষাত অনগ্ৰসৰ এই অৱহেলিত অঞ্চলটোত। এহাতে মানস-বেঁকীৰ উত্তাল বন্যাৰ লগত অহৰহ যুঁজি থাকিব লগা হৈয়ো, তেওঁলোকে বন্তিগছিক সবলৰপৰা সবলতৰ কৰি তোলাটো, অক্লান্ত আলোকসন্ধানী দলটোৰ অদমনীয় জ্ঞান-পিপাসাৰ ফলশ্ৰুতি। এই কম সময়ৰ ভিতৰতে অসমৰ শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰলৈ মহাবিদ্যালয়টোৱে অশেষ অৱদান আগবঢ়াইছে।

এই মহাবিদ্যালয়ৰ প্ৰগতিৰ দ্ৰুত পদক্ষেপত প্ৰস্ফুটিত হৈছে নৰজ্যোতি মহাবিদ্যালয় আলোচনী। আমাৰ বিশ্বাস, ই এখন পৰম্পৰাগত ছাত্ৰালোচনীয়েই নহব, ইয়াৰ মাজেদি প্ৰকাশিত হব কলগাছিয়াৰ তৰুণ-তৰুণী ছাত্ৰ-ছাত্ৰীৰ আশা আকাঙ্খা আৰু সৃজনীশক্তিৰ অন্তঃসলিলা। আমি নৰজ্যোতি মহাবিদ্যালয়ৰ তথা নৰজ্যোতি মহাবিদ্যালয় আলোচনীৰ উত্তৰোত্তৰ মংগল কামনা কৰিছোঁ। নৰজ্যোতি মহাবিদ্যালয় আলোচনী অসমৰ সমাজ সমন্বয়ৰ ধ্বজ্জাধাৰী হওঁক।

আমাৰ জীৱন ঘেৰি তমসাৰ ঘনঘটা
কোনে আহি কৰি দিব সূৰুজ উদয়,
আকাশলৈ চাই দেখোঁ আমাৰ বুকুতে শুপ্ত
যুগজয়ী প্ৰতীক্ষামান সেই জ্যোতিৰ্ময়।

মহঃ তাহেৰ
১৪/১০/৮৯

# শুভেচ্ছা বাণী

তাং— ১২/১০/৮৯

কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ এই বছৰৰ আলোচনী প্ৰকাশিত হব বুলি জানি বৰ আনন্দিত হৈছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চা তথা আত্মপ্ৰকাশৰ প্ৰাথমিক বাহন হিচাবে স্কুল কলেজৰ আলোচনী-বোৰৰ গুৰুত্ব অপৰিসীম। তাতে অনগ্ৰসৰ অঞ্চলবোৰত এনে আলোচনীৰ সাংস্কৃতিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

আজি দেশৰ নেতাসকলৰ ভ্ৰষ্ট ৰাজনীতি আৰু দুৰ্নীতিয়ে সংস্কৃতিও কলুষিত কৰিছে। লেখক বুদ্ধিজীৱী কিছুমান সুবিধাবাদী দালালত পৰিণত হৈছে। কোনো নহয় কোনো শিবিৰৰ অনুচৰ হিচাবে ধন-মান অৰ্জন কৰাই এওঁলোকৰ প্ৰধান লক্ষ্য।

জনসাধাৰণৰ লক্ষ্য তাৰ লগত একে হব নোৱাৰে। তেওঁলোকে শোষণ, দাৰিদ্ৰ্যৰ পৰা মুক্তি বিচাৰে, সমাজৰ উন্নতি বিচাৰে। নৱজ্যোতি কলেজৰ আলোচনীত সাহিত্যৰ এই লক্ষ্যহে ফুটি উঠা উচিত। তাৰ বাবে লেখকসকল সচেতন আৰু উৎসৰ্গীকৃত প্ৰাণ হব লাগিব।

লেখক-লেখিকা সকলোলৈকে মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

হীৰেন গোহাঁই
গুৱাহাটী বিশ্ববিদ্যালয়।

# সূচীপত্ৰ

Nabajyoti College, Kalgachia
Estd. 1974
(Assam)
PO Kalgachia, Dist. Barpeta

আলোচনী সম্পাদকৰ প্ৰতিবেদন—

* প্ৰবন্ধ পুঞ্জ *

১- অসমীয়া সংস্কৃতিলৈ ৰূপকোঁৱৰ আগৰৱালাৰ অৱদান // আমিৰ উদ্দিন আহমেদ। ৫- বৰ্ত্তমান সমাজত নাৰী শিক্ষা আৰু নাৰী সমস্যা // মিচ্ আমেলা খাতুন। ১১- আৰবী ভাষাৰ উৎপত্তি আৰু বিকাশ // মোঃ ছোলেমান খান এম, এ। ১৫- অন্য পৃথিৱীৰ মানুহ // মিচ্ ৰাহিলা আহমেদ।

* গল্প গুচ্ছ *

১- কৰ্ত্তব্য // এম, মকবুল হুছেইন। ৭- গল্প লিখা নহল // গিয়াসুদ্দিন আহমেদ। ১১- দুখৰ নিশা // নুৰুল ইচলাম আহমেদ। ১৪- পৰিণতি // লাল মামুদ। ১৮- ৰাসক্ষী বেকী // আব্দুছ ছামাদ। ২৩- অট' ৰিক্চা // আৰশ্বাদ আহমেদ। ২৭- সেই নিশাটো // এম, এ, খালেক চৌধুৰী। ২৯- বেগিং (ৰস ৰচনা) ময়নুল হক। ৩১- সকলো ভাষাই সকলোৰে উপযোগী হোৱা উচিৎ // অধ্যাপক, খন্দঃ আব্দুল গফুৰ।

* কবিতাৰ পথাৰ *

১- সুলভ মূল্যৰ দোকান // মোঃ সাহজাহান আলী। সময় // মিচ্ নুৰন নেহাৰ। প্ৰেম // মিচ্ কহিনুৰ বেগম। ২- ৰক্তাক্ত বিপ্লৱীহঁত // মোঃ লালমামুদ। কত দিন আৰু কত দিন // মোঃ সাহজাহান আলী। সুখ বিৰত // মিচ্ হামিদা ইয়াছমিন। ৩- এইখন বজাৰতে // আব্দুছ ছামাদ। অব্যাহতি // ছোলাইমান হুছেন। ৪- অপেক্ষা // জেহিৰুল ইছলাম। বিকৃতি প্ৰতিচ্ছবি // আব্দুল মতলেব। ৫- কুলি আৰু কবিতা // ছৈয়দ ছাহজাহান আহমেদ। ৬- কুৰি শতিকাৰ বজাৰ // আঃ মান্নান আহমেদ। স্বাগতম বন্ধু // জাকিৰ হুছেইন।

*— English Section —*

1- Mustard flower // Miss Firoza Begum. 2- Dimasa // Porf. Bhupesh Sarma. 6- Glimpses Of Indian Economy // Md. Aynal Hoque 13- College Magazine / A. Halim Ahmed. 14- Revival Of Panchayat Paj Institutions / Mozammel Hussain 17- Statement of an Eavesdropper / Principal A. S. Ahmed.

সম্পাদকীয় প্ৰতিবেদন —

অ- ছাত্ৰ একতা সভাৰ সাঃ সম্পাদকৰ প্ৰতিবেদন। ক- ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন। খ- লবুখেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন। গ- শৰীৰ চৰ্চা বিভাগৰ প্ৰতিবেদন। ঘ- সমাজ সেৱা বিভাগৰ প্ৰতিবেদন। ঙ- সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন। ক- নৱজ্যোতি মহাবিদ্যালয়ৰ ১৯৮৭-৮৮ ইং চনৰ বছৰেকীয়া খেল ধেমালিৰ ফলাফল।

# সম্পাদকীয়

প্ৰতিবেদনৰ পাতনিতেই ১৯৮০ চনৰ পৰা অসমত আৰম্ভ হোৱা তথাকথিত বিদেশী খেদা আন্দোলনত ভাৰতীয় সংবিধানৰ প্ৰতি গভীৰ ভক্তি ৰাখি গণতান্ত্ৰিক আৰু নাগৰিকৰ মৌলিক অধিকাৰ সাৱস্ত কৰিবলৈ গৈ নেলী, গহপুৰ, মোকালমুৱা আৰু অসমৰ চুকে কোণে তেজৰ ঢল বোৱাই ভাৰতীয় সংবিধানৰ পৱিত্ৰ বেদীত প্ৰাণ বিসৰ্জন দিয়া সংখ্যালঘু বীৰ শ্বহীদসকললৈ মোৰ অশ্ৰু বিগলিত হৃদয় খুলি শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে যিসকল মাতৃয়ে নিজৰ বুকুৰ সন্তান, যিসকলে ভাই ককাইক হেৰুৱালে, যিসকল বাই-ভনীয়ে নিজৰ সতীত্ব হেৰুৱালে সেইসকললৈ মই সমবেদনাৰ অৰ্ঘ যাচিছোঁ।

এয়া কুৰিশতিকা। বিজ্ঞানৰ মহান অৱদানে পৃথিৱীখনক নতুন কৰি তুলিছে। পুৰণি আদৰ্শবাদক ঠেলি বাস্তৱবাদে সাহিত্য মানৱীয় মূল্যবোধ, চিন্তা আদিত আধুনিকতাৰ আলোক বিকিৰণ কৰিবলৈ ধৰিছে। বিজ্ঞানৰ জখলা ৰগাই পৃথিৱীৰ প্ৰতিখন দেশে বাণিজ্য, কলা, সংস্কৃতি আদিৰ আদান-প্ৰদান কৰি বিশ্ব সংস্কৃতি আৰু মানৱ সভ্যতাৰ ৰবভেটি শকত কৰা যেন লাগ, কিন্তু কিমান দূৰ সম্প্ৰতি মানৱ সভ্যতা আগবাঢ়িছে সেয়া সুক্ষ্ম পৰ্য্যবেক্ষণ কৰিলে ধৰা পৰিব।

'মানুহ'— নামৰ জীৱটো বিজ্ঞানৰ অৱদান জটিল যন্ত্ৰপাতিতকৈ বেছি যান্ত্ৰিক — জটিলতৰ। বিজ্ঞানে যিমানে জটিল যন্ত্ৰপাতি আৱিস্কাৰ কৰিছে মানুহ নামৰ যন্ত্ৰটো তাতকৈ দুগুন জটিলতৰ হব ধৰিছে। আজি বিশ্বৰ দেশবিলাকৰ মাজত মিছাইল গোলাবাৰুদ জাতীয় মাৰাত্মক অস্ত্ৰৰ তুমুল প্ৰতিযোগিতা পুঁজিবাদ আৰু সমাজবাদৰ নিৰ্মম শোষণ আৰু যুদ্ধ। ৰাজনীতি, সমাজনীতি আৰু অৰ্থনীতিৰ এক বিভীষিকাময় অৱস্থা। মানৱ সংস্কৃতিত জান্তব্য সংস্কৃতিৰ পয়োভৰ- নিজস্ব সংস্কৃতিক পৰিহাৰ কৰি অন্য সংস্কৃতি লবলৈ গৈ বলীয়াৰ দৰে অৱস্থা। দুৰ্নীতিৰ ৰুদ্ধধাৰ মুকলি। ৰাজপথৰ গলিত মাতৃমূৰ্তীক দিনে ৰাতিয়ে ধৰ্ষণ, বেশ্যাসকলৰ দলদোপ হেন্দোল দোপ। দেশৰ শান্তি বাহিনী দুৰ্নীতি, অত্যাচাৰ আৰু নীচ যৌন-ক্ষুধা চৰিতাৰ্থৰ বাবে বলীয়া। যুৱসমাজ উশৃংখল— নৈতিক অৱনতি। ছাত্ৰ সমাজ অন্ধভাৱে ৰাজনীতিৰ পথাৰত যিকোনো নেতাৰ পিছে পিছে দৌৰিছে— নিজস্ব সত্বা হেৰুৱাই পেলোৱাৰ উপক্ৰম। দেশৰ কৰ্ণধাৰ মূৰ্খ আৰু অজলা শান্তিৰ কপোজাকৰ ওপৰত চলিছে গুলিবৰ্ষন। দাৰিদ্ৰৰ ৰুদ্ধ কণ্ঠৰ ভয়ংকৰ চিৎকাৰ — মহাপ্ৰতিবাদ। মুহুৰ্ত্তৰ ভিতৰত পৃথিৱীখন ধ্বংস কৰিব পৰা বোমাৰ অট্টহাস। সম্ৰাজ্যবাদ আৰু পুঁজিবাদ বিস্তাৰৰ বাবে ধৰ্মযুদ্ধৰ আয়োজন— সাম্প্ৰদায়িক সংঘৰ্ষ— বিভিন্ন ৰাষ্ট্ৰৰ মাজত বিনা কাৰণত যুদ্ধ সংগঠন। দাসত্ব প্ৰথা চিৰযুগমীয়াকৈ ৰাখিবলৈ চৰকাৰৰ বিভিন্ন লজ্জাজনক নীতি নিৰ্দ্ধাৰণ।

ভাৰতবৰ্ষ! ধৰ্ম্ম, সম্প্ৰদায়, বৰ্ণ, জাতিৰ নামত ভয়ংকৰ সংঘৰ্ষ। সংবিধানৰ পাতৰ ভিতৰতে ধৰ্ম নিৰপেক্ষ মৌলিক অধিকাৰ আবদ্ধ। মুৰ্চিদাবাদৰ কাটাৰা মছজিদত অগনন মুছলিম হত্যা চৰকাৰৰ এক ঘৃণনীয় ষড়যন্ত্ৰ। ঐতিহাসিক 'বাৱৰী মছজিদ' লৈ সাম্প্ৰদায়িক সংঘৰ্ষ— ৰাজনৈতিক মুনাফাৰ বাবে চৰকাৰ নিৰৱ।

অসমৰ খ্যাতনামা শিল্পী ড০ ভূপেন হাজৰিকাৰ গীত "— ভাৰতৰে পুৰ্ব দেশত সূৰ্য্য উঠাৰ দেশ"। — বাস্তৱ দৃষ্টিত আমি তেখেতৰ গীতৰ মুল্য কিমান দিব পাৰিছো? সোণৰ অসম গঢ়োতা

সকলৰ পাশবিক অত্যাচাৰ আৰু হত্যাকাণ্ডইনেলী গহপুৰ মোকালমুৰা, বিজনী আদি ঠাই শ্মশানত পৰিণত হৈ অসমী আইৰ বহুৰঙী মেখেলাত তেজৰ তুমুবলি। উন্নত আৰু শক্তিশালী জনগোষ্ঠীৰ হেচাত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ জাতি সত্তা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। দেশৰ জাতীয় সংহতি বিনষ্ট হোৱাৰ মূল কাৰণ এইটোৱে আৰু সেয়েহে স্ব নিয়ন্ত্ৰণৰ নিচিনা এটা জীৱন্ত প্ৰশ্নৰ উত্থাপন হব ধৰিছে। বড়োসকলৰ স্বনিয়ন্ত্ৰণৰ আন্দোলনত অসম আন এখন পঞ্জাৱত ৰূপান্তৰিত হ'ল। ছ-বছৰীয় অসম আন্দোলন পৰিসমাপ্তিৰ পিছত অসমৰ ৰাইজে শান্তি, সম্প্ৰীতি, ঐক্য আৰু প্ৰগতিৰ বাবে অসম গনপৰিষদ চৰকাৰ গঠন কৰিলে। ৰাইজৰ আশা — এখন গনতান্ত্ৰিক চৰকাৰ আৰু শান্তিৰে বসবাস কৰাৰ বাবে সুস্থিৰ পৰিবেশ পাব। কিন্তু জনসাধাৰণে কিমানখিনি পালে সময়ে দৃঢ় কণ্ঠে কব একো পোৱা নাই।

কুৰিশতিকায় একবিংশ শতিকাক আদৰণি জনাবলৈ মাত্ৰ এটা দশক বাকী। সমগ্ৰ বিশ্বজুৰি উপৰোল্লেখিত এনে সংস্কৃতিৰ নামত অপসংস্কৃতি হিংসা বিদ্বেষ, উৎপীড়ন, সাম্প্ৰদায়িক সংঘৰ্ষ হীনমন্যতাই আমাক মানৱ সভ্যতা বিকাশৰ আগৰ যুগলৈ পঠোৱা নাই নে?

মানৱ সভ্যতাৰ এনে অস্থিৰ অৱস্থাৰ প্ৰতিকাৰ কৰিবলৈ হ'লে লাগিব নবীন পুৰুষৰ কঠোৰ পৰিশ্ৰম, কঠোৰব্ৰত, সৎসাহস, সুস্থিৰ চিন্তা, একাগ্ৰতা আৰু দৃঢ় মনোবল। ধৰ্ম্ম, বৰ্ণ, ভাষাৰ শিকলী ছিঙি আমি গাবই লাগিব শান্তি, সম্প্ৰীতি, প্ৰগতিৰ জয়গান। বিজ্ঞানৰ মহান অবদানক আমি সৎকাৰ্য্যত নিয়োজিত কৰিব লাগিব। ব্যক্তিগত স্বাৰ্থ, হিংসা বিদ্বেষ পৰিহাৰ কৰি মানৱতাবাদৰ মহান আদৰ্শেৰে, বিপুল হৰ্ষধ্বনিৰে আদৰিব লাগিব এক বিংশ শতিকাৰ নতুন প্ৰভাত। দেশৰ একেবাৰে তলখাপৰ চৰকাৰী বিষয়াৰ পৰা আগশাৰীৰ বিষয়ালৈ প্ৰত্যেকেই ব্যক্তিগত স্বাৰ্থ আৰু দুৰ্নীতি ত্যাগ কৰি দেশ সেৱাৰ কামত ব্ৰতী হব লাগিব। দেশৰ শিক্ষাব্যৱস্থাই শিক্ষাৰ শেষ উদ্দেশ্যক সফল কৰি তুলিবলৈ নীতি নিৰ্দ্ধাৰণ কৰিব লাগিব। বিশ্বৰ যুব সমাজ সভ্যতাৰ এনে উশৃংখল আৰু অধঃপতনৰ সময়ত হাতে হাত মিলাই, শপথ লব লাগিব — "আমি গামেই একতাৰ গান, আমি ভাঙিমেই ভণ্ডামীৰ প্ৰাচীৰ।" তেতিয়াহে প্ৰতিফলিত হব মানুহৰ প্ৰকৃত ধৰ্ম্ম— মানৱ সংস্কৃতিৰ প্ৰকৃত স্বৰূপ।

## সংস্কৃতি সম্পৰ্কে—

একোটা জাতিৰ সংস্কৃতি সেই জাতিটোৰ মানুহৰ তেজ মঙহৰ লগত সম্বন্ধ সুস্পষ্ট, অৰ্থাৎ মানুহৰ সৌন্দৰ্য্যবোধ, ৰীতি, নীতি ধ্যান ধাৰণা ৰুচিবোধ আদি কোনো এটা জাতিৰ মাজেৰে স্বাভাৱিক ভাৱে প্ৰকাশ পালে তাৰেই সেই জাতিটোৰ সংস্কৃতি বুলিব পাৰি। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদে সংস্কৃতিৰ সূত্ৰ দিওতে কৈছিল, "পশুৰ পৰা মানুহ বেলেগ তাৰ কৃত্তিৰ বাবে, আদিম বৰ্বৰতাতকৈ আজিৰ মানুহ বেলেগ তাৰ সংস্কৃতিৰ বাবে এই কৃত্তিকেই যেতিয়া মানুহে সৌন্দৰ্য্য সৃষ্টিৰ দৃষ্টিৰে চাই তাত কলা প্ৰয়োগ কৰে তেতিয়াৰ পৰা এই কৃত্তি সংস্কৃতিৰ অন্তৰ্ভুক্ত হয়। আমি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য্য আৰু মনত উৎকৰ্ষণ প্ৰয়োগ হ'লেই সংস্কৃতিৰ পূৰ্ণ প্ৰকাশ পায়।" গতিকে ইয়াৰ পৰা স্পষ্ট যে একোটা জাতিৰ নৈতিক, অধ্যাত্মিক আদিৰ স্বৰূপ সংস্কৃতিয়ে বহন কৰে।

ভাৰতবৰ্ষলৈ বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ মানুহে আহি ভাৰতীয় ভুখণ্ডত লীন হৈ গৈছে। বিভিন্ন জনগোষ্ঠীৰ ভিন ভিন ৰীতি নীতি, পৰম্পৰা, ধৰ্ম আদিৰ সংমিশ্ৰনত গঢ়ি উঠিল বিশাল ভাৰতীয় সংস্কৃতি।



অসমতো বিভিন্ন জনগোষ্ঠীৰ মানুহে বাস কৰে। বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক কাৰ্য্যকলাপ বিভিন্ন। উদাহৰণ স্বৰূপ পূৰ্ববংগৰ পৰা অহা মুছলমান (মিঞা) সকলৰ সাংস্কৃতিক কাৰ্য্যকলাপ অসমৰ আন জনগোষ্ঠীৰ লগত নিমিলে। কাৰণ মিঞাসকলৰ ৰীতি নীতি, পৰম্পৰা, চিন্তাধাৰা, সৌন্দৰ্য্যবোধ আদি ইছলামধৰ্মৰ ভেটিত গঢ়ি উঠা। একোখন দেশৰ সংহতি সুদৃঢ় হয় তেতিয়া — যেতিয়া সেইখন দেশৰ বিভিন্ন জাতি উপজাতিৰ সাংস্কৃতিক, ধৰ্মীয় আদি কাৰ্য্যকলাপৰ সমবিকাশৰ সুবিধা দিয়া হয়। কিন্তু অতি পৰিতাপৰ কথা যে আজিলৈ মিঞাসকলৰ সাংস্কৃতিক কলাপ শক্তিশালী জনগোষ্ঠীৰ হেচাত অবৰুদ্ধ হৈ আছে। এইখিনিতে উল্লেখ কৰা ভাল যে মিঞাসকলৰ নিজস্ব বিয়াগীত, গজল, দেহতত্ব বিচাৰ, নাৱত গোৱাগীত, গৰখীয়া গীত, লোক বিশ্বাস আদি সাংস্কৃতিক কাৰ্য্যকলাপ স্কুল, কলেজ, অঁনাতাৰ আদিৰ জৰিয়তে বিকাশৰ ব্যৱস্থা, অসমীয়া সংস্কৃতিৰ বৰভেটিখন বহুৰঙী হৈ সকলো জনগোষ্ঠীকেই আলোকিত কৰিব। গতিকে এখন দেশৰ জাতীয় সংহতি ৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক কাৰ্য্যকলাপৰো সমবিকাশ অপৰিহাৰ্য্য।

## আলোচনী সম্পৰ্কে দু-এষাৰ—

সাহিত্যই সমাজক প্ৰতিনিধিত্ব কৰে। অৰ্থাৎ সাহিত্যত এখন সমাজৰ মানুহৰ সুখ-দুখ আশা আকাংক্ষা প্ৰকাশ পায়। সাহিত্য পৰিবৰ্তনশীল। সমাজ এখন যিমান সুস্থ সবল তাৰ সাহিত্যও তিমান সুস্থ সবল।

অসমৰ বৰপেটা জিলাৰ পশ্চিমাঞ্চলত অৱস্থিত নৰজ্যোতি মহাবিদ্যালয়খন এই অঞ্চলৰ একমাত্ৰ বিজ্ঞান আৰু সাহিত্য চৰ্চাৰ প্ৰাণকেন্দ্ৰ। ইয়াৰ মানুহখিনিৰো আৰ্থিক অৱস্থা দুৰ্বল হোৱা বাবে কলেজখনৰ এতিয়ালৈকে বহুকেইটা সমস্যাই ছাত্ৰ-ছাত্ৰীক প্ৰভাৱিত কৰে। চৰকাৰে মহাবিদ্যালখনৰ প্ৰতি কিঞ্চিত সাহায্য আগবঢ়ালে এই অঞ্চলৰ ৰাইজে কিছু সকাহ পাব।

আলোচনী এখন সৰ্বাংগ সুন্দৰ হবলৈ হলে মৌলিকতাপুৰ্ণ সাহিত্য সম্ভাৰৰ (Article) প্ৰয়োজন। কিন্তু এইখিনিতে লাজৰ উৰণি গুচাই প্ৰকাশ নকৰি নোৱাৰিলো যে জাননী ফলিত কেবাবাৰো জাননী দিয়া সত্বেও আমাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আশানুৰূপ সাহিত্য সম্ভাৰ পোৱা নগল। তদুপৰি কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আন লিখকৰ প্ৰকাশিত সাহিত্য সম্ভাৰ হুবহু লিখি মোৰ হাতত জমা দিয়া উদাহৰণ বিৰল নহয়। সেইবুলি সাহিত্য চৰ্চাত ৰাপ থকা মেধাবী ছাত্ৰ-ছাত্ৰীও আমাৰ মহাবিদ্যালয়ত নথকা নহয়। আলোচনীত যাতে নকল সাহিত্য সম্ভাৰ প্ৰকাশ পাব নোৱাৰে তাৰ বাবে আমি যথেষ্ঠ সতৰ্কতা অৱলম্বন কৰা সত্বেও যদি তেনেধৰণৰ Article প্ৰকাশ পাইছে তাৰ বাবে সম্পাদক দায়ী নহয়। মোৰ কাৰ্য্যকালত পোন প্ৰথমবাৰৰ বাবে প্ৰাচীৰ পত্ৰিকাখন ছমহীয়াকৈ প্ৰকাশৰ ব্যৱস্থা কৰো। কলেজ সপ্তাহত প্ৰথম প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ মহোদয়ে।

অসমৰ আন আন মহাবিদ্যালয়ৰ দৰে আমাৰ মহাবিদ্যালয়ত এতিয়ালৈকে চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত নোহোৱাটো বৰ দুখৰ কথা। এই বিষয়ত যদিও প্ৰচেষ্টা চলাইছিলো আৰ্থিক কাৰণবশতঃ সফল হব নোৱাৰিলো। ভাবী সম্পাদকে এই অভাৱ পূৰণ কৰে তাৰ বাবে আশা ৰাখিলো। আন বছৰৰ দৰে মোৰ কাৰ্য্যকালতো সাহিত্যৰ কেইবাটাও দিশত প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগীও হৈছিল যথেষ্ঠ। আগলৈ যথেষ্ঠ প্ৰতিযোগী আৰু সাহিত্যৰ প্ৰত্যেকটো বিভাগৰ যাতে প্ৰতিযোগিতা অনুষ্ঠিত হয় তাৰ বাবে ভাবী সম্পাদকৰ ওচৰত মোৰ গোহাৰী।

খেলা ধুলা, শৰীৰ চৰ্চা আৰু সংস্কৃতিক বিভাগৰ অৱিহণা আমি অৱহেলা কৰিব নোৱাৰো। আমাৰ

মহাবিদ্যালয়ত সংগীত, খেলা-ধুলা আদি বিভাগত কৃতি ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও যথেষ্ট আছে। এই প্ৰসংগতে মিঃ নৰজ্যোতি মোঃ মাহমুদুৰ ৰহমান খান, শ্ৰেষ্ঠা গায়িকা মিচ্ ছালেহা আৰু শ্ৰেষ্ঠ খেলুৱৈ মোঃ তাইজুদ্দিন আহমেদলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

উচ্চমানদণ্ড আৰু সুন্দৰ আলোচনী প্ৰকাশৰ বাবে বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন। আমাৰ মহাবিদ্যালয় এই ক্ষেত্ৰত অসমৰ আন আন মহাবিদ্যালয়তকৈ পিছ পৰা। আমি ছাত্ৰ-ছাত্ৰীৰ পৰা বহুতো সাহিত্য সম্ভাৰ পাইছিলো যদিও কিছুমান প্ৰকাশৰ যোগ্য নহয় আকৌ কিছুমান প্ৰকাশ কৰাৰ যোগ্য হ'লেও ধনৰ অভাৱত আলোচনীখনৰ কলেবৰ বৃদ্ধি কৰিব পৰা নগল। তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে আগলৈ নিৰাশ নহৈ যাতে সাহিত্য চৰ্চাত সুস্থ পদক্ষেপ দিয়ে তাৰ বাবে অনুৰোধ জনালো।

সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ নৰজ্যোতি মহাবিদ্যালয় শাখাৰ পৰা মনোনীত হৈ যিসকল বন্ধু-বান্ধৱীৰ দৈহিক আৰু মানসিক পৰিশ্ৰমৰ ফলত মই নৰজ্যোতি মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত আলোচনী সম্পাদক বিভাগত বিজয়ী হৈ সাহিত্য সেৱাৰ সামান্য সুযোগ পালো সেই বন্ধু-বান্ধৱীসকললৈ মোৰ কৃতজ্ঞতা জন লো।

কলেজ সপ্তাহৰ সাহিত্য প্ৰতিযোগিতা আৰু প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ বাবে বিভিন্ন ধৰণে সহায় সহযোগিতা কৰা বন্ধুসকল গিয়াছ, নুৰুল, এছ, বি, আহমেদ, লালমামুদ, সাহজাহান, আতাউৰ (মামা) হজৰত, কালাম, ৰবিউল (ভাগীন), ৰেজ্জাক, আনোৱাৰ, ছায়েদুৰ, ইন্তাজুল, আৰু বান্ধৱী মালেকা (সতীৰ্থ), ফিৰোজা (সতীৰ্থ), স্বাহিদা, জবিনা, আলেকজান — এইসকললৈ মই কৃতজ্ঞতা জনাইছোঁ।

ছাত্ৰী জিবণি কোঠাৰ পৰা বিভিন্ন ধৰণৰ সাহিত্য সম্ভাৰ (Article) সংগ্ৰহ কৰাত আৰু পাণ্ডুলিপিৰ কামত সহায় কৰা বান্ধৱী মিচ্ ৰাহিলা আহমেদ আৰু মিচ্ ৰাবিয়া খাতুনৰ নাম নললে ডাঙৰ পাপ হোৱাৰ ভয়তে এখেতসকলৰ নাম সুকীয়াকৈ লৈ আন্তৰিক কৃতজ্ঞতা আৰু মৰম যাচিছোঁ।

আলোচনী প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ উপাধ্যক্ষ, মোজাম্মেল হুচেইন, প্ৰৱক্তা লম্বিত কোৱৰ, আলোচনীৰ তত্বাবধায়ক প্ৰৱক্তা মীৰ্জা আব্দুল হামিদ, প্ৰৱক্তা ভূপেশ শৰ্ম্মা, প্ৰৱক্তা আয়নাল হক প্ৰমূক্ষে সমূহ অধ্যাপক, অধ্যাপিকাসকললৈ মই ব্যক্তিগত ভাৱে চিৰকৃতজ্ঞ।

শেষত 'দেৱান প্ৰেছ'ৰ মালিক জনাব তাজুদ্দিন আহমেদ আৰু সমূহ কৰ্মীবৃন্দলৈ মোৰ কৃতজ্ঞতা জনালো।

সদৌ শেষত আলোচনীৰ জ্ঞাত অজ্ঞাত ভুল ক্ৰুটিৰ ক্ষমা খুজিছো। আলোচনী এখন প্ৰকাশৰ বাবে যিখিনি গুণৰ প্ৰয়োজন সেইখিনি মোৰ নাই বুলি মই ভাৱো। এই আটাইবোৰ ভুলৰ ক্ষমা বিচাৰি নৰজ্যোতি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উজ্জল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো।

ধন্যবাদেৰে—

আব্দুছ ছামাদ

সম্পাদক, আলোচনী বিভাগ।

নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

১ আগষ্ট, ১৯৮৯ ইং



# কলেজ সপ্তাহ



**আব্দুছ ছামাদ**
সম্পাদক, আলোচনী বিভাগ আৰু
বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক ও তৰ্ক প্ৰতিযোগী



শক্তিশালী মানৱ
***"মিঃ নৰজ্যোতি"***
মোঃ মাহমুদুৰ ৰহমান খান
(একেৰাহে চাৰি বছৰ ধৰি)

## —প্ৰতিভা পৰিচয়—

## কলেজ সপ্তাহ

**বছৰৰ শ্ৰেষ্ঠা গায়িকা**



মিচ্ ছালেহা খাতুন
( টি, ডি, চি, চূড়ান্ত বৰ্ষ )

**বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক**



আবুবক্কাৰ ছিদ্দিক
( টি, ডি, চি চূড়ান্ত বৰ্ষ )

## কলেজ সপ্তাহ



**আব্দুছ ছামাদ**
সম্পাদক, আলোচনী বিভাগ আৰু
বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক ও তৰ্ক প্ৰতিযোগী



শক্তিশালী মানৱ
*“মিঃ নৰজ্যোতি”*
মোঃ মাহমুদুৰ ৰহমান খান
( একেৰাহে চাৰি বছৰ ধৰি )

—প্ৰতিভা পৰিচয়—

## কলেজ সপ্তাহ

**বছৰৰ শ্ৰেষ্ঠা গায়িকা**



মিচ্ ছালেহা খাতুন
( টি, ডি, চি, চূড়ান্ত বৰ্ষ )

**বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক**



আবুবক্কাৰ ছিদ্দিক
( টি, ডি, চি চূড়ান্ত বৰ্ষ )

প্ৰবন্ধ

# ॥ অসমীয়া সংস্কৃতিলৈ ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ অৱদান ॥

আমিৰ উদ্দিন আহমেদ্
টি, ডি, ছি, ৩য় বাৰ্ষিক ( কলা )

একে ধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, সমাজ সংস্কাৰক আৰু সংস্কৃতিৰ পুজাৰী স্বৰ্গীয় ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্ম হয় ১৯০৩ চনৰ ১৭ জুনত তেজপুৰৰ তামোলবাৰী চাহ বাগিছাত দেউতাক পৰমানন্দ আগৰৱালাৰ ঔৰসত আৰু মাতৃ কিৰণময়ীৰ গৰ্ভত। ১৯৫১ চনৰ ১৭ জানুৱাৰীত এইজন মহান শিল্পী গৰাকীয়ে স্বৰ্গধামলৈ যাত্ৰা কৰে।

সংস্কৃতিৰ স্বৰূপঃ—

" আজি জনতাৰ আলোক বিজয়ী
অপূৰ্ব অভিমান,
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহবান।
নৱ-জীৱনৰ মহা সংঘাতে কপায় বৰ্ত্তমান। "
(জনতাৰ আহবান)

পূৰ্ব সংস্কৃতিৰ প্ৰতীক জ্যোতি প্ৰসাদ আগৰৱালাৰ বিচিত্ৰ চিন্তাধাৰা আৰু অপূৰ্ব জ্ঞানবিজ্ঞৰ আলোকপাত এটা নিৱন্ধতে সীমাবদ্ধ কৰা সম্ভৱ নহয়। জ্যোতি প্ৰসাদেই বোধকৰো একমাত্ৰ সাধক যিজনে অসমীয়া সংস্কৃতি আৰু সৌন্দৰ্য্যবোধক অৰ্থপূৰ্ণ ভাৱে বুজি পাইছে আৰু আনকো বুজাব পাৰিছে। নিজৰ দেশ আৰু জাতিৰ জাতীয় ঐতিহ্য, কৃষ্টি, সংস্কৃতি, মানবীয় প্ৰমূখ্য আৰু সুকুমাৰ কলা অনুভূতিৰ নিভেজাল ভাৱে ভাল পাব পৰা কাৰণেই জ্যোতি প্ৰসাদে অসমৰ এক কাল জয়ী ব্যক্তি। জ্যোতি প্ৰসাদৰ চিন্তাধাৰাত পাৰ্থিব জগতৰ সদাসক্ৰিয় লৌকিক কুলুষ কালিমাৰ বিপৰীতে এক অপাৰ্থিব সুকুমাৰ আদৰ্শই ক্ৰিয়া কৰি আছে। মানুহৰ মানৱোচিত কাৰ্যৱলী শিলত কোমলতা কদাকাৰত শিলাবোধ অগ্নিশিখাত সৃষ্টি প্ৰয়াস ধুমুহাৰ ৰূপান্তৰ, বন্যাত উৰ্বৰতা, দুষ্কৃতিত সংস্কৃতি, শত্ৰুত মিত্ৰতাৰ প্ৰত্যাহবানেৰে জ্যোতি প্ৰসাদে এখন নিকা ধৰিত্ৰীৰ কামনা কৰে। জীৱনৰ প্ৰতিমূহূৰ্ত্ত সংঘাত আঘাত ৰাগ-দ্বেষ, চেতনা দাৰ্শনিক ভাৱাদৰ্শৰ উত্তৰণ ঘটিছে। সেয়েহে জ্যোতি প্ৰসাদৰ শিল্প কলা বা সুকুমাৰ আদৰ্শ চৰ্চাৰ বস্তু নহৈ সাধনাৰ শীৰ্ষতম স্তৰ লৈ উন্নীতহৈ পৰিছে।

'সুন্দৰ' বা 'চিৰ সুন্দৰ' জ্যোতি প্ৰসাদৰ বাবে এটা শব্দ মাত্ৰ নহয়। ই ৰূপ কোঁৱৰৰ সমগ্ৰ চিন্তা চৰ্চা ধ্যান ধাৰণা কলা চেতনা আৰু সাধনাৰ অমৃতময় তথা সৌন্দৰ্যময় উপলব্ধি। বাহ্যিক অৱয়ৰ বিপৰীতে জ্যোতিৰ 'সুন্দৰ' বা 'চিৰ সুন্দৰ' জীৱন জিজ্ঞাসাৰ অন্তৰ্লীন ব্যাপকতাৰে পূৰ্ণ সুকুমাৰ অনুভূতিৰ গভীৰতম প্ৰকাশ আৰু বিকাশ। সৃষ্টি ৰহস্যৰ সৰ্ববৃহৎ শক্তি আৰু সেই শক্তিৰ আলোকময় চৈতন্যৰ মহত্তো মহীয়ান কাৰ্যৱলীয়েই 'চিৰ সুন্দৰ'।

জ্যোতি প্ৰসাদে বিশ্ব মানৱৰ প্ৰতিখন হিয়াতে ইয়াৰ বিকাশ আৰু প্ৰকাশ বিচাৰে। সুন্দৰৰ জয়যাত্ৰাৰ পথেৰে বিখণ্ডতে অখণ্ড ৰূপৰ সন্ধান কৰি ক'ত ক'ত নৱ দেশ ভ্ৰমি আলোকৰ সিপাৰৰ দিব্যালোকত বিবিধ বেশৰ সমাবেশত চিৰ সুন্দৰৰ আৰাধনাত তেওঁ ব্ৰতী হয়।

" চিৰ সুন্দৰ কৰি চিৰ আৰাধনা,
মানুহৰ বুকুলৈ,
মানুহৰ মনলৈ।
মানুহৰ সৃষ্টিলৈ,
চিৰ সুন্দৰৰ নাও " ।

জ্যোতি প্ৰসাদৰ গীত আৰু কবিতাতো একাধিক ঠাইত সুন্দৰ শব্দ প্ৰয়োগৰ যথাৰ্থ অৰ্থ নিহিত হৈ আছে।

" সুন্দৰে যে ফুলৰ মন্ত্ৰ
আহো ৰাত্ৰি মাতে,
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।"

সৃষ্টি তথা সম্ভাৱনাৰ নৱ উন্মেষ ব'ত তাতেই সুন্দৰৰ প্ৰকাশ আৰু বিকাশ। সৃষ্টিৰ নিৰলস প্ৰবাহত ভাঙিব প্ৰতিক্ৰিয়াই চিৰ সুন্দৰৰ প্ৰকৃত সাধনাত ব্যাঘাত ঘটায়। সেয়েহে সুন্দৰৰ পুথিৰীত চিৰ সুন্দৰ নমাবলৈ কুলুষ কালিমাৰ লগছে হীনতা নীচতাও আতঁৰাব লাগিব। ভেদাভেদৰ সংকীৰ্ণ প্ৰাচীৰ ভেদ কৰি জ্যোতি প্ৰসাদে সমন্বয়ৰ এক মহাবাণী ঘোষণা কৰিছে।

" মন্নেই খাচীয়া / মন্নেই জয়ন্তীয়া
ডফলা আৰৰ অঁকা
মন্নেই চিংফৌ / ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা
বিজয়ী আহোম কছাৰী কোচৰ
মেচৰ কুমাৰ মই
ৰাজবংশী ৰাভা
কপালে জ্বলে শত গৌৰৱৰ আভা
মই লালুং চুটিয়া / লুচাই মিকিৰ গাৰো
মিছিমি খামতি / নগা আঙ্গামী বীৰ
সাম্য মন্ত্ৰীৰ মন্নেই বনুৱা / চাহ বাগিছাৰ
মন্নেই বনুৱা
ন-অসমীয়া মৈমনছিঙিয়া / থলুৱা নেপালী
নৃত্য কুশলী মণিপুৰীয়া মই।"

অসমীয়া জাতিৰ সৰ্বভাৰতীয় সমন্বয়ৰ ক্ষেত্ৰত জ্যোতি প্ৰসাদ এক ঐতিহাসিক দৃষ্টি কোণৰ কথাত কৈ গৈছে। পশুৰ পৰা মানুহ বেলেগ তাৰ কৃতিৰ বাবে। আদিম বৰ্বৰতাক আজিৰ মানুহৰ বেলেগ তাৰ সংস্কৃতিৰ বাবে। সংস্কৃতি হৈছে সুন্দৰৰ পূজা। যি সত্য, শুদ্ধ, চিৰ সুন্দৰ, চিৰ সনাতন চিৰানন্দ দীপ্তমান, নৱোন্মেৰ অৱধাৰিত ৰূপত বিৰাজ মান হৈ থাকে। তাতেই উদ্ভাৱিত হৈ উঠে সংস্কৃতিৰ পূৰ্ণ প্ৰকাশ। জীৱন ধাৰণৰ যাত্ৰা পথত কৰ্ম প্ৰেৰণাত মানুহে সংস্কৃতিৰ বিশুদ্ধ উপাদান বহন কৰি আগুৱাই যাওঁতে মানৱতাৰ মূলতত্ব আধ্যাত্মিক চিন্তা চৰ্চাৰ ৰীতিনীতিৰ পালনীয় দিশটোও সংস্কৃতিৰ উপাদান আইশ্বত্তাৰী হৈ পৰে।

জ্যোতি প্ৰসাদ আগৰৱালা আছিল অস্থি মজ্জাই শিল্পী প্ৰকৃত শিল্পী সদায়, বিপ্লৱী, কাৰণ নতুন ৰচনা কৰিবলৈ নতুন পথেদি যাবলৈ আৰু আনে ভুবৰি বন মাৰি যোৱা পথেদি নগৈ নতুন পথ লবলৈ হলে বিপ্লৱী মনোভাৱ আৰু সাহসৰ প্ৰয়োজন। এই অৰ্থতেই তেওঁ শংকৰদেৱক বিপ্লৱী বুলি ভাবে, শ্ৰীকৃষ্ণ এই কাৰণেই তেওঁৰ মনত সংস্কৃতিৰ প্ৰতীক। জ্যোতি প্ৰসাদৰ ব্যক্তিত্বও এক সামগ্ৰিক ব্যক্তিত্বৰ প্ৰতিছ্ব। সীমাৱদ্ধ সুযোগ সুবিধাৰ সদ্ব্যৱহাৰ কৰি জ্যোতি প্ৰসাদে অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ যি বৰঙণি দি গল তাৰ তুলনা নাই। তীক্ষ্ণ কল্পনা বিলাসী সাধক, জীৱন শিল্পী তথা জননায়ক জ্যোতি প্ৰসাদে অবিৰাম সুত্ৰেবে সৃষ্টি প্ৰয়াসী কোঁৱৰ স্ৰষ্টাৰ ৰূপ দি সাহিত্যৰ নৌকাত অঙ্গ বিসৰ্জন দি এৰি দিলে। ঘূৰি আছিল শিশুশিল্পীৰ দোৱাৰেদি বিশ্বশিল্পীৰ বেশেৰে। সোন, ৰূপৰ অম্লান বেহানিলৈ সৃষ্টি হল গীত, নাট, সুৰ, কথাছবি, কৃষ্টি, সংস্কৃতি আৰু আত্মজাগ্ৰতিৰ বিপ্লৱৰ ভাষা। জ্যোতি প্ৰসাদ অভিনয় জগত, ফিলম শিল্প, কবিতা, শিল্প সাহিত্য আৰু কলা বিচাৰ সাংস্কৃতিৰ বৰ পূজাৰী সেয়ে আজিও তেওঁৰ





তেওঁৰ দেশপ্ৰেমমূলক গীতবোৰ ৰিণিৰিণি হৃদয়ত বাজি উঠে—

" লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।"

তেওঁ আকৌ গাইছে—

" সাজু হ ন-জোৱান
বিশ্ব বিজয়ী ন-জোৱান · · · · · · ।"

তেওঁৰ মুক্ত কণ্ঠৰ এই গীতবোৰৰ মাজেৰে বিপ্লৱী আহ্বান থাকিলেও আচলতে দেশপ্ৰেমৰ উল্লাসিত লহৰাস হে। গীতিকাৰ হিচাবে জ্যোতি প্ৰসাদৰ বিষয়ে আলোচনা কৰিব নোখোজো। কাৰণ পখিলাক হাতেৰে চুই তাৰ সৌন্দৰ্য উপভোগ কৰিবলৈ গলেই বিপদ অনিমেষ নেত্ৰে পখিলাৰ অনিন্দ্য সুন্দৰ ৰূপ মাধুৰীমা পান কৰিহে আচল তৃপ্তি পোৱাৰ দৰে ৰূপ কোঁৱৰৰ কুঁৱলি কোমল কুহুঁকী শোভাৰে পবিত্ৰতা গীতসমূহ পঢ়ি আৰু শুনিয়েই হৃদয়ৰ মৰ্মস্থলত এটা অহেতুক অলৌকিক তৃপ্তি অনুভৱ কৰা যায়। জ্যোতি প্ৰসাদৰ কথাবিলাক যেন কথাই নহয়, সুৰ সমুদ্ৰৰ মাজেৰে বুৰ মাৰি অহা বিমোহন বংশী ধ্বনি হে।

সুন্দৰৰ পূজাৰী জ্যোতি প্ৰসাদ কথাশিল্পী হিচাবে এক বহস আসনৰ অধিকাৰী। অসমৰ নাট্য জগতত এক অভিনৱ আলোড়ন সৃষ্টি কৰা জ্যোতি প্ৰসাদৰ আসন সকলোভকৈ ওপৰত। তেওঁৰ প্ৰথম নাটক হ'ল " শোণিত কুঁৱৰী " নাট্য সমালোচক সকলে তেখেতৰ " কাৰেঙৰ লিগিৰী " নাটখনিৰ সমস্বৰে অসমৰ সৰ্বশ্ৰেষ্ঠ সমস্যামূলক নাট বুলি স্বীকাৰ কৰিছে। 'ৰূপালীম' 'লভিতা' আদিও তেখেতৰ অনুপম নাটক। 'লভিতা' নাটকখন এক অভিনৱ ভঙ্গীৰে ৰচিত। 'খনিকৰ' 'লভিতা' ৰ সমপৰ্য্যায়ৰ নাট। বিচাৰিলে দেখা যাব যে জ্যোতিয়ে বৈ অনা নাট্য ধাৰাই একমাত্ৰ গ্ৰহণযোগ্য নাট্যধাৰা। তেওঁৰ নাটতেই প্ৰথমে বহল পাৰিপাৰ্শিকতাৰ পটভূমি দেখা যায়।

জ্যোতি প্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' নাটৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটিৰ তাৎপৰ্য মন কৰিবলগীয়া। মানুহক মানুহ হিচাবে মৰ্যদা দিয়াটোৱেই আচল নীতি আৰু ই সৌন্দৰ্যানুভূতিৰ প্ৰকৃত তত্ব। 'কাৰেঙৰ লিগিৰীত শেৱালীৰ প্ৰতি সুন্দৰে দৈহিক ভাৱে আকৃষ্ট হোৱা ন ছিল, হৈছিল প্ৰচলিত কুপ্ৰথাক মানবীয় দৃষ্টি ভঙ্গীৰে ধূলিসাৎ কৰিবলৈহে।

জ্যোতি প্ৰসাদৰ শেহতীয়া দুখন শিশু নাটিকা হ'ল 'নিমাতী কইনা' আৰু 'সোণ পখিলী'। নিমাতী কইনা নামৰ গীতি নাট্যখনিত ৰূপায়ন কৰা চৰিত্ৰ বীণ বাৰাগী ওৰফে শ্ৰীৰূপ কোঁৱৰও সুন্দৰৰ প্ৰতীক শব্দ। ধনতন্ত্ৰবাদী ৰাজ পুৰুষৰ বিক্ত আবেগ আৰু স্বাৰ্থান্ধ প্ৰলোভনে 'নিমাতী কইনা' ৰ কণ্ঠ মোকলাব নোৱাৰিলে।

'খনিকৰ' তাৰ আন এখন উল্লেখযোগ্য নাট। তসমীয়া সংস্কৃতিৰ প্ৰতীক হিচাবে 'খনিকৰ' নাটকখনৰ এক প্ৰাণ উদ্দীপক আলোড়ন আছে।

স্বদেশ আৰু সাহিত্য, ৰাজনৈতিক বিপ্লৱ সমাজ ব্যৱস্থা আৰু সাহিত্য সৃষ্টিৰ মাজত তেওঁ গড় মাৰি জীৱনক খণ্ডিত কৰা নাই। যদিও তেওঁ গণ বিপ্লৱৰ গুৰি ধৰোতা আছিল। তেওঁৰ সংগ্ৰাম সত্বাৰ আৰু শিল্পীসত্বাৰ মাজত কেতিয়াও দ্বন্দ্ব হোৱা নাছিল। তেওঁ কৈছে— "শিল্পী যি কেৱল সুন্দৰ সৃষ্টিৰ সপোন দেখে তাক বাস্তৱ ৰূপ দিবলৈ প্ৰাণেৰে মনেৰে সৰ্বশক্তিৰে নিজৰ সকলো ত্যাগ কৰি চিৰ বিশ্বাসী হৈ আপোনাৰ অস্তিত্ব সমূহ লুপ্ত কৰি আশা, ভাষা, দুখ, আনন্দ, আপোনাতেই জ্বলাই তুলি যি লগে লগে গোটেই সমূহকে লৈ যায়, যি শিল্পী দুষ্কৃতিৰ চিৰশত্ৰু এই শিল্পীয়েই পৃথিৱীৰ গৰ্ভত পোহৰৰ চুমাত উপজা পৃথিৱীৰ সু-সন্তান। " জ্যোতি নাট্যৰ প্ৰতিফাঁকি কথা, প্ৰতিটো ছন্দতে যেন একশ এবুৰি সুন্দৰৰ সৰ্ফাৰে ভৰি আছে, যেন প্ৰতিটো বাক্যত একোটা বংশী-ধ্বনিহে।

এটা গীতত আছে— "বুজালি শেৱালি, মোক বুজালি বিশ্বজগতৰ সকলো তিৰোতাৰ গালত কি গৌৰৱৰ সেন্দুৰ সানি গলি ।" ( কাবেঙৰ লিগিৰী )

'ৰূপালীম' নাটতো আছে— "ৰূপালীম তুমি ৰূপসাগৰৰ জীৱন্ময়ী মণিস্বৰূপা, তোমাক উদ্দেশি, তোমাক থিয়াই মোৰ হিয়াই তোমাক বিচাৰি আহিছে ।"

জ্যোতিয়ে শিল্পীৰ স্বৰূপ বুজিবলৈ গৈ এইদৰে কৈছে— 'সেই কাৰণেই মই শিল্পী হৈ সংগ্ৰামৰ কথা কওঁ, সংগ্ৰামৰ কথা কওঁ । সপোন দেখি ছবি আঁকি থকা শিল্পীয় আজি আমাৰ নাম নহয়, অজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পী হে আমাক লাগে ।

" শিল্পী মোৰ মনৰে তই,
শিল্পী মোৰ প্ৰাণৰে তই ।
শিল্পী মোৰ গানেৰে/সুৰেৰে/ছবিৰে ········
·······

কোন জীৱনৰ মহা শিল্পী বুকুৰ তেজেৰে আঁকে ।"

জ্যোতিৰ জেউতিৰ মাজত মই বাৰে বাৰে নিমগ্ন হৈ গৈছো যে, চৰ্বিত চৰ্বন দোষত যে মই পৰা নাই এই কথা কেতিয়াও নকওঁ । অৱশ্যে জ্যোতি প্ৰসাদৰ শিল্পী সত্বাৰ শিল্পী চেতনা ইমানেই ব্যাপক শিল্পীক বাদ দি তেওঁৰ কল্পনাই উৰাকে নামাৰে । সেয়েহে এই দোষ মোৰেই যে অকল প্ৰাপ্য এইটোও নহয় ইয়াৰ বাবে শিল্পীও দায়ী ।

বহুমুখী প্ৰতিভাৰ আঁকৰ স্বৰূপ জ্যোতিদাৰ চিন্তা চৰ্চাৰ নিৰপেক্ষতাৰ পম খেদি গৈ থাকিলে আমাৰ দৃষ্টি কোণত চিত্ৰ শিল্পী ৰূপেও ধৰা দিয়ে। সুন্দৰৰ পূজাৰী জ্যোতিদাই অসমীয়া সংস্কৃতিলৈ নমাই আনে এক অভিনৱ সৃষ্টি, সেয়া হ'ল 'বোলছবি' । একেধাৰে তেখেত 'জয়মতী', 'ইন্দ্ৰমালতী' আৰু "আমাৰ গাওঁ" নামৰ তিনিখন কথাছবিৰ জন্ম দি ছবি জগতত এক আলোড়নৰ সৃষ্টি কৰে । 'আমাৰ গাওঁ' কথাছবিৰে এখেতে অসমীয়া সংস্কৃতিৰ স্বৰূপ দাঙি ধৰে । অসমীয়া বোলছবি ইতিহাসে জ্যোতিদাক কেতিয়াও নাপাহৰে তাৰ স্মৃতি আজি 'জ্যোতি চিত্ৰবন' ।

ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই দি যোৱা সুকুমাৰ কলা আলেখ্য, ভাস্কৰ্য, সংগীত স্থাপত্যৰেই স্বৰূপ চাই তাৰ বিশিষ্টতাৰ কাৰিকৰী বুজি বাজি লৈ আজি অসমীয়া শিল্পীয়ে সাধনাৰে কলা নিপুনতাৰে ৰূপদক্ষতা সুক্ষ্মাতিতম কলা কৌশলতা অৰ্জন কৰি যদি আজি নতুন যুগৰ অসমীয়া সুকুমাৰ কলা পুৰণি অসমীয়া কলা কৌশলৰ বিশিষ্টতাৰ আলমলৈ সৃষ্টি কৰি তাৰ মাজেদি অসমীয়া সংস্কৃতিৰ বিশ্বৰূপৰ বিশ্ববিমোহন প্ৰকাশ কৰিব পাৰে তেন্তে নিশ্চয়েই আমি অসমীয়া জাতিটো অকণমান হৈ এখণ্ড সৰু হীৰাৰ দৰে জ্বলি পৃথিৱী লখিমীৰ মুকুটত জ্বলি থাকি জগত পোহৰাব পাৰিম । জ্যোতিদাই দি যোৱা বিশ্ব সংস্কৃতিৰ ৰূপান্তৰ শিল্পীহৈ আজি অসমীয়া শিল্পী বিশ্বশিল্পী হৈ জ্বলি উঠক । এটা জাতিৰ জীৱনীশক্তি জাতিটোৰ সাংস্কৃতিক ঐতিহ্যৰ বিশুদ্ধ পৰাম্পৰাৰ ওপৰত নিৰ্ভৰশীল । সংস্কৃতি যিহেতু ক্ৰয় বিক্ৰয়ৰ সামগ্ৰী নহয় ই মানৱ প্ৰাণৰ অমৃত্যু সাধণাৰ সুকুমাৰ অনুভূতি প্ৰসূত বিশুদ্ধ প্ৰক্ৰিয়াহে । জ্যোতি প্ৰসাদে সংস্কৃতিক নৱ জীৱনৰ, নৱ প্ৰভাতৰ নৱ আলোকৰ নৱ সৃষ্টিৰ মহাসত্য প্ৰতিষ্ঠাৰ দিশত ৰূপান্তৰৰ বাবে কৰা বিপ্লৱ হিচাবে গ্ৰহণ কৰিছে । তেওঁ কৈছে— 'প্ৰকৃতিত বাৰিষাৰ নৱ জীৱন সঞ্চাৰিণী প্লাৱনে যেনেকৈ ধুমুহা, বিজুলী বজ্ৰপাতৰ, ভয়াৰহ মূৰ্ত্তিৰ মাজেদি ৰিম্ৰূপি পৃথিৱীৰ উদ্ভিদ জীৱনত নতুন সৃষ্টিক জগাই দিছে, সৌন্দৰ্যৰ নতুন প্ৰকাশ জীৱন ধাৰণৰ নতুন সামগ্ৰীক বিকশিত কৰি তুলিছে সেইদৰে আমাৰ জীৱনৰ ওপৰেদি বাগৰি যোৱা





নতুন ভাৱৰ নতুন সাংস্কৃতিক সৃষ্টিৰ আশাৰ বৈপ্লৱিক প্লাৱনেও তাৰ বুকুত বাহিলৈ অহা সেই নতুন প্ৰেৰণাৰ বীজবোৰ আমাৰ মনত, আমাৰ হৃদয়ত, আমাৰ মনীষাত, আমাৰ প্ৰতিভাত সুপি দি আমাৰ এক অভিনৱ সাংস্কৃতিক জীৱনৰ সৃষ্টিকাৰক ।

জ্যোতি প্ৰসাদে, চন্দ্ৰকুমাৰৰ বীণ হাতত লৈ ঝংকৃত কৰি তুলিছিল— সুন্দৰৰ আৰাধনা জীৱনৰ খেল ।" জ্যোতিদাৰ সংস্কৃতিৰ পুজাক আমি গভীৰ ভাৱে ভাবিব লাগিব । স্বাধীনতাৰ ১৭ বছৰ পিছত অসম তথা ৰাইজৰ জীৱনত এক যুগসন্ধ্যা নামি আহিছে । গণ-মনৰ কিৰিঙতিৰ জোৰ জ্বলাই আমি আজি আলোক যাত্ৰালৈ আকৌ নিৰ্ভয়ে আগবাঢ়িব লাগিব । ই হব জ্যোতি প্ৰসাদৰ শ্ৰেষ্ঠ স্মৃতি তৰ্পন । অসমীয়া সাংস্কৃতিলৈ ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদৰ সাধনালব্ধ তপস্যাই ভগীৰথৰ তপস্যাত গংগা নমাদি চিৰ সুন্দৰ পৃথিৱীৰ জীৱনলৈ নামি আহক এই কামনাৰে আজিৰ জ্যোতি প্ৰসংগ সামৰিছোঁ ।

জয়হিন্দ—

× × ×

# ঃঃ বৰ্ত্তমান সমাজত নাৰীশিক্ষা আৰু নাৰী সমস্যা ঃঃ

মিচ্ আমেলা খাতুন
৩য় বাৰ্ষিক স্নাতক মহলা
২য় বাৰ্ষিক ( কলা )

······ নাৰীৰ প্ৰতি কৰা আৰু এক ডাঙৰ আবিচাৰ হৈছে তিৰোতাক ব্যৱসায়
বিস্তাৰৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰা । কত সন্তানৰ জন্মধাত্ৰী প্ৰেম
কৰুণাময়ী মাতৃমূৰ্ত্তি বজাৰত তেল চাবোনৰ বিজ্ঞাপনৰ
বাবে ব্যৱহাৰ হোৱা বিভিন্ন লজ্জাজনক ভঙ্গিমাত
অৰ্ধনগ্ন নাৰী দেহৰ ছবি ·········।

নাৰী পুৰুষ একে ৰক্ত মাংসৰে গঠিত সৃষ্টিৰ দু-মুঠি জীৱ । এই নাৰী আৰু পুৰুষলৈয়ে মানৱ সমাজ গঠিত । কোনোৱে কাকো এৰি সুকীয়া ভাৱে সমাজ গঠণ কৰিব নোৱাৰে । সমগ্ৰ মানৱ জাতিৰ উন্নতি নিৰ্ভৰ কৰে এই দুয়োটাৰে সম উন্নতিৰ ওপৰত । চৰাইৰ ডেউকা দুখনৰ এখন ভাঙিলে বা দুৰ্ব্বল হলে যিদৰে চৰাইটো ওপৰলৈ উৰিব নোৱাৰে ঠিক সেইদৰে পৃথিৱীৰ জনসংখ্যাৰ সমানে আধাখিনি মানুহ সমাজৰ নিম্নস্তৰত পৰি থাকিলে সমাজ বা জাতি কেতিয়াও উন্নত হব নোৱাৰে । সেইবাবে এই দুটা জাতিৰ অৱনতি এই দুয়োটাৰ ওপৰত পৰস্পৰ নিৰ্ভৰশীল । কোনো জাতীয়ে নাৰী শিক্ষাক আওকাণ কৰি সভ্যতাৰ জখলাত উঠি বিশ্বৰ

দৰবাৰত সভ্য জাতি হিচাবে পৰিচয় দিব পৰা নাই। এখন সুস্থ সবল সমাজ গঠিত হব লাগিলে নাৰীশিক্ষাৰ একান্ত প্ৰয়োজন।

বৰ্ত্তমান আমাৰ সমাজখন নানা সমস্যাৰে জৰ্জ্জৰিত হৈ আছে। এই সমস্যাবোৰৰ ভিতৰত সামাজিক সমস্যা অৰ্থনৈতিক সমস্যা, ৰাজনৈতিক সমস্যা আৰু তাৰ লগতে আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা হৈ পৰিছে নাৰীশিক্ষা আৰু নাৰী সমস্যা।

আমাৰ সমাজ পুৰণিকলীয়া ৰীতি-নীতিৰে পৰিপূৰ্ণ হৈ এখন ৰক্ষণশীল সমাজত পৰিণত হৈ আছে। সেয়ে আমাৰ বেছিভাগ অভিভাৱকে ছোৱালীবিলাকক সিমান ভাল শিক্ষিতা কৰিব পৰা নাই। মাতৃ গৰ্ভৰ পৰা ছোৱালী সন্তান জন্ম হোৱাৰ লগে লগে ঘৰখনত যেন এটি আবৰ্জনা আহিল বুলি ভাবে, তেওঁলোকে ছোৱালীৰ প্ৰতি তেনে ধৰণৰ বিশেষ যত্ন নলয়। তেওঁলোকে কেচুৱা অৱস্থাৰ পৰা ছোৱালীবিলাকক মৰি যোৱাই ভাল বুলি ভাবে। "আসাম ট্ৰিবিউন" কাকতত্ যোৱা ৫ আগষ্ট তাৰিখত এটি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ হৈছিল, বাতৰিটোত কোৱা হৈছিল, নতুনকৈ আৱিস্কৃত গৰ্ভস্থ সন্তানৰ লিঙ্গ নিৰোপনৰ বৈজ্ঞানিক কৌশলৰ ফলস্বৰূপে আমাৰ দেশৰ চেক্‌-ক্লিনিকবোৰত সম্প্ৰতি হেজাৰ হেজাৰ স্ত্ৰীভ্ৰূণ নষ্ট কৰা হৈছে।" পৰীক্ষাৰ দ্বাৰা ভৱিষ্যতে সন্তানটো ছোৱালী হব বুলি গম পোৱাৰ পিছত সেই ভ্ৰূণটো নষ্ট কৰি পেলোৱা হয়। ১৯৭৮ চনৰ পৰা ১৯৮৩ চনলৈকে প্ৰায় ৭৮০০০ ছোৱালীৰ জীৱন এইদৰে অঙ্কুৰতে বিনাশ কৰা হৈছে। বিশেষ এটি সমীক্ষা মতে এইদৰে গৰ্ভপাত ঘটোৱা ৮,০০০ হেজাৰ ভ্ৰূণৰ ভিতৰত ৭৯৯৯ টা ছোৱালীৰ বাকী এটাহে মাথোন ল'ৰাৰ। এই কথাটো যদি সত্য হয়, তেন্তে সদ্য উচ্চাৰিত নাৰী জাগৰণ নাৰীৰ সম-অধিকাৰ, নাৰীৰ সম-মৰ্যদা আদি শব্দৰ স্বাৰ্থকতা ক'ত? আৰু আমাৰ দেশত নাৰীৰ স্থানেই বা ক'ত? পুৰণিকালত নাৰী সন্তান জন্ম হলেই মুখত নিমখ দি নাইবা নৈ আদিত পেলাই মৃত্যুৰ মুখলৈ ঠেলি দিয়া হৈছিল যাবকলত বছৰি হেজাৰ হেজাৰ নাৰী সন্তান বিনাশ কৰা হৈছিল। ইয়াৰ প্ৰতিবাদ স্বৰূপে ৰজাৰাম মোহন ৰায়, তাৰকানাথ ঠাকুৰ আৰু ইংৰাজ সকলৰ প্ৰবীন নেতা লৰ্ড উইলিয়াম বেংটিঙে এই প্ৰথা বেআইনী বুলি ঘোষণা কৰি বন্ধ কৰি দিছিল। আজিও যেন পুৰণি নীতি অব্যাহত আছেনে? মাত্ৰ বৈজ্ঞানিক কলা কৌশল খটুৱাই সভ্য হোৱা বুলি দেখুৱাইছে। ইয়াৰ পৰা দেখা যায় যে আমাৰ সমাজত সাধাৰণতে নাৰীৰ ওপৰত শোষণ নিষ্পেষণ চলি আছে।

অভিভাৱকসকলে ছোৱালীবিলাকক কোনো পূৰ্ণ সুযোগ সুবিধা আগনবঢ়ায়। তেওঁলোকে ছোৱালী বিলাকক সকলো সময়ত অৱহেলাৰ চকুৰে চায়। ছোৱালীবিলাকক স্কুল কলেজত পঠোৱাবলৈ টান পায়। নাৰীবিলাকক কেৱল ঘৰুৱা কাম কাজ আৰু সন্তান জন্ম দিয়াৰ যন্ত্ৰ হিচাবে ব্যৱহাৰ কৰে। ছোৱালীবিলাকক পূৰ্ণ সুযোগ সুবিধা দিলে যে ল'ৰা বিলাকৰ সমানে আগবাঢ়ি যাব পাৰিব লগতে দেশ বা জাতি সভ্য জগতৰ লগত আগশাৰীত যাব পাৰিব তাত কোনো সন্দেহ নাই। সেই কথাটো অভিভাৱকে পাহৰি যায়।

নাৰীশিক্ষা পিছপৰি থকাৰ কেইবাটাও কাৰণ আছে— প্ৰথমে অভিভাৱক সকলৰ মনোভাৱ হৈছে ছোৱালীবিলাকে কেৱল 'ক' আখৰটো মচিব পাৰিলে শিক্ষিত দৰাৰ ওচৰত বিয়া দিয়া। সেইবাবে অভিভাৱক সকলে ছোৱালীৰ লিখা পঢ়াৰ ওপৰত নজৰ নিদিয়ে। বিশেষ অসুবিধা হল গাৱলীয়া সমাজত প্ৰায় ভাগ ছোৱালীৰে লিখা পঢ়াৰ কাৰণে কোনো সুকীয়া কোঠা নাই, কিছুমানৰ চিয়াৰ টেবুল, কিতাপ, কলপ আৰু চিয়াহী পৰ্য্যন্ত নাই। কিন্তু এই অভাৱ-





বোৰ দূৰ কৰাৰ কাৰণে আমাৰ অভিভাৱক সকলে একো চেষ্টা নকৰে। এই অভাৱবোৰৰ বাবে ছোৱালীয়ে নিয়মমতে লিখা পঢ়া কৰিব নোৱাৰে। সৰুৰে পৰা বেয়া হোৱাত উচ্চ শ্ৰেণী পোৱা টান হয়। দ্বিতীয়তে কিছুমান বেয়া মনোভাৱৰ শিক্ষিত ডেকা ল'ৰাৰ অতপালিত শিক্ষাত ব্যাঘাত জন্মায়। তেওঁলোকে ছোৱালীবিলাকৰ হোৱা নোহোৱা কুৎসা ৰচনা কৰিব আৰু ছোৱালীবিলাকক নানা ৰকমে ফুচুলাই বেয়া পথলৈ নিয়াৰ চেষ্টা কৰিব। সেইবাবে ছোৱালীবিলাকৰ কুৎসা ৰচনাৰ ভয়তে বহুতো অভিভাৱকে ছোৱালীক লিখা পঢ়া বন্ধ কৰি দিয়ে। তৃতীয়তে মাজে সময়ে স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত শিক্ষিত বিলাকৰ মাজত বৈষম্যতা দেখা যায়। বিশেষকৈ বছৰেকীয়া পৰীক্ষাৰ ফলাফলৰ সময়ত ছোৱালীবিলাকৰ বাবে এটা Consider কৰা হয়। ফলাফল সমিতিত বিতৰ্ক চলে যে ছোৱালীবিলাকক বিয়া দিলেই গুচি যাব। তেওঁলোকক ফেইল কৰি ৰখাটো ভুল। ফেইল কৰি ৰাখিলে কোনোৱে বিয়াৰ প্ৰস্তাৱলৈ নাহে? ফলত তেওঁলোকক বিয়াৰ কাৰণে পাচ কৰাই দিয়া হয়। সেই কাৰণে বহুতো ছোৱালীয়ে লিখা পঢ়াত বেয়া হৈয়ো শিক্ষকৰ অনুগ্ৰহত পাচ কৰি যায়। তেওঁলোকে ফেইল কৰাৰ বেদনা নুবুজে ফলত তেওঁলোকে ভাল ফলাফল কৰিবৰ কাৰণে ছেষ্টাও নকৰে। চতুৰ্থতে নাৰীশিক্ষা পিছ পৰাৰ কাৰণ হল যৌতুক প্ৰথা। কিয়নো ছোৱালীবিলাক যিমানেই উচ্চ শিক্ষিতা হয় সিমানে আৰু বেছি যৌতুক দিব লাগে। ফলত অভিভাৱকসকলে ছোৱালীক উচ্চ শিক্ষিতা কৰিবলৈ ইচ্ছা নকৰে।

সমাজৰ মুখিয়াল আৰু শিক্ষিতলোক সকলে মেল মিটিং সভা সমিতিত লেকছাৰৰ ফুলজাৰি মাৰি কয় নাৰীশিক্ষা সমাজত অতি প্ৰয়োজন। ঘৰত শিক্ষিতা নাৰী নহলে সেই ঘৰৰ পৰিৱেশ সুন্দৰ নহয়। শিক্ষিতা নাৰীৰ ল'ৰা-ছোৱালী সুসভ্য আৰু শিক্ষিত হয়। এই হিচাবে নাৰীশিক্ষাৰ কাৰণে নানা প্ৰকাৰৰ হিতোপদেশ দি ফুৰে। কিন্তু আমাৰ এই বেছিভাগ মুখিয়াল আৰু শিক্ষিত মানুহে আকৌ বেছি শিক্ষিত ছোৱালীক ভাল নেপায়। বেছিভাগ শিক্ষিত মানুহে এজন গ্ৰেজুৱেট বা এম, এ পাচ কৰা ছোৱালীতকৈ এজনী মেট্ৰিকুলেট বা নাইন, টেন পাচ কৰা ছোৱালীক বেছি পছন্দ কৰে। উচ্চ শিক্ষিতা ছোৱালীবিলাক বয়স্কা অসতী বুলি সমালোচনা কৰি ফুৰে। উচ্চ ডিগ্ৰীধাৰী ব্যক্তিসকলে অলপীয়া শিক্ষিতা ছোৱালীক বিয়া কৰায়। উচ্চ শিক্ষিত ব্যক্তিৰ উপযুক্ত শিক্ষিতা গৃহিনী নহলে তেওঁলোকৰ পাৰিবাৰিক জীৱন কেতিয়াও সুখৰ হব নোৱাৰে, এই কথাটো সিহঁতে পাহৰি যায়। পণ্ডিতসকলে কৈছে— "একো জনী শিক্ষিত মাতৃয়ে এশজন শিক্ষকতকৈ ভাল।" কাৰণ শিক্ষকসকলে কেৱল পাঠৰ শিক্ষাহে দিব পাৰে বেলেগ শিক্ষা দিবৰ সময় নহয়। "ঘৰখনেই হৈছে ল'ৰা ছোৱালীৰ শিক্ষাৰ কঠিয়াতলী।" এই শিক্ষা পায় ল'ৰা ছোৱালীয়ে মাকৰ পৰা শিক্ষাতা মাতৃয়ে সৰুৰে পৰাই কিতাপৰ শিক্ষাৰ উপৰিও নানা ধৰণৰ চাল-চলন, আচাৰ ব্যৱহাৰ, মানুহৰ লগত কথা বতৰা আদি নানা ধৰণৰ শিক্ষা দিয়ে। যদি উপযুক্ত শিক্ষিতা মাক নহয় তেনেহলে এইবোৰ শিক্ষা ল'ৰা-ছোৱালীক দিব নোৱাৰে। যাৰ ফলত তেওঁলোকৰ সন্তান ভৱিষ্যতে উপযুক্ত শিক্ষিত হব নোৱাৰে।

দৈনন্দিন জীৱনত আমাৰ নাৰী সমাজ নাভাৱে শোষিত নিপীড়িত হোৱা দেখা যায়। বহুতো তিৰোতাই মদাপী নিৰ্দ্দয় স্বামীৰ হাতত মাৰধৰ খাই আনকি প্ৰাণকো হেৰুৱাব লগা হয় নাইবা চিৰদিনলৈ ঘৃণীয়া হবলগা হয়। স্বামী পৰিত্যক্তা হৈ ল'ৰা-ছোৱালীৰ সৈতে হাহাকাৰ কৰি ফুৰা নাইবা পৰৰ দুৱাৰত হাতপাতি লঘু-লাঞ্ছনা ভোগ কৰিবলগীয়া

হোৱা তিৰোতাৰ সংখ্যা আমাৰ সমাজত কম নহয়। কোনোৱে হয়তো অকাল বৈধব্যৰ যন্ত্ৰণা সহিবলগীয়া হোৱাৰ ফলত সমাজৰ চকুত চিৰ দিনলৈ "অমঙ্গলীয়া" ৰূপে পৰিণত হৈছে। পূৰ্ব্বৰে পৰা চলি অহা একশ এটা কুসংস্কাৰে নাৰী মনৰ সুস্থ বিকাশত বাধা প্ৰদান কৰিছে। দেহাই সহিব নোৱাৰা গৃহকৰ্মৰ বোজা শাৰীৰিক শক্তি সামৰ্থ্য থাকক বা নাথাকক সঘনাই সন্তান জন্ম দিয়া সন্তান লালন পালনৰ গুৰু দায়িত্ব লোৱা, গৰ্ভধাৰণৰ কালছোৱাত এগৰাকী আসন্ন মাতৃৰ যি যত্ন বা পৰিপুষ্টিৰ দৰকাৰ সেয়া কেইগৰাকী ভাৰতীয় মাতৃয়ে পায় ? সেয়ে আজিও গাৱেঁভূয়ে তিৰোতাৰ মৃত্যুৰ হাৰ উচ্চ। তেনেকুৱা ঠাইত তিৰোতাৰ মৃত্যু বিশেষ ডাঙৰ ঘটনা বুলি ধৰা নহয়। কিয়নো এগৰাকী মৰিলে আন এগৰাকী অনাত কোনো অসুবিধা নাই।

নাৰী নিৰ্যাতনৰ এনে অলেখ উদাহৰণ দিবপৰা যায়। ছোৱালী যিমানেই উচ্চ শিক্ষিতা বা অন্যান্য গুণেৰে বিভূষিতা নহওঁক কিয়, বিয়াৰ বজাৰত তেওঁলোকৰ দাম নিচেই কম। কন্যা প্ৰাৰ্থী লৰা, তেওঁলোকৰ পৰিয়ালবৰ্গই বজাৰৰ বস্তু পছন্দ কৰাদি ছোৱালী চাই পছন্দ কৰে। দৰ দামত নপৰিলে বা মনোপূত নহলে নিৰ্বিবাদে আন এজনী চায়গৈ। ছোৱালীৰো যে এটা স্পৰ্শকাতৰ মন আৰু আত্ম সন্মানবোধ থাকিব পাৰে সেই সময়ত মানুহে পাহৰি যায়। পেটৰদা[illegible] পৰি আনৰ ঘৰত কামবন কৰিবলৈ অহা ছোৱালীৰ ঘৰৰ মানুহ বা তেওঁৰ আত্মীয়স্বজনৰ হাতত সৰ্বনাশ হোৱাৰ ঘটনাও কেতিয়াবা দেখিবলৈ পোৱা যায়।

নাৰীৰ প্ৰতি কৰা আৰু এক ডাঙৰ অবিচাৰ হৈছে তিৰোতাক ব্যৱসায় বিস্তাৰৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰা। ক'ত সন্তানৰ জন্মদাত্ৰী, প্ৰেম করুণাময়ী মাতৃ মূৰ্ত্তি বজাৰত তেল চাবোনৰ বিজ্ঞাপনৰ বাবে ব্যৱহাৰ হোৱা বিভিন্ন লজ্জাজনক ভঙ্গিমাত অৰ্দ্ধনগ্ন নাৰী দেহৰ ছবি। এই ছবিবোৰে নাৰীৰ মৰ্যদা হানী কৰাৰ লগতে দেশৰ কণ কণ শিশু আৰু উঠি অহা ডেকা গাভৰুসকলৰ যে অধঃপতনৰ মুখে টানি নিছে সেই কথা আজিৰ বস্তুবাদী জগতত কাৰো চিন্তানীয় বিষয় নহয়।

বিভিন্ন সামাজিক আচাৰ আচৰণ নিয়ম কানুন ধৰ্মীয় বিধি নিষেধ আৰু ৰাষ্ট্ৰীয় আইনেও নাৰী জীৱনক এনে ধৰণে বান্ধি ৰাখিছে যে মানৱ সমাজখন পুৰুষৰহে, পুৰুষৰ প্ৰয়োজনৰ কাৰণেই নাৰীৰ জীৱন বিবাহেই নাৰীৰৰ জীৱনৰ একমাত্ৰ স্বাৰ্থকতা। এনে ধৰণৰ ধাৰনাৰে আজিও সমাজ পৰিচালিত হৈয়ে আছে আৰু তাৰ ফলতে বৈ গৈছে নাৰী পুৰুষৰ বিৰাট ব্যৱধান। যুগে যুগে নাৰীৰ ওপৰত জাপি দিয়া হ'ল সন্তান প্ৰতিপালন আৰু একে ধৰণৰ ঘৰুৱা কাম কাজত যত নাৰীৰ মনৰ দিগন্ত কেৱল ক্ষুদ্ৰ গৃহ জীৱন আৰু আত্মীয় স্বজনৰ বিষয়ৰ মাজতে সীমাবদ্ধ থাকি যায়। বাহিৰৰ জগতখনৰ সংস্পৰ্যলৈ যাবলৈ অসমৰ্থ তথা মানসিক উৎকৰ্ষৰ পৰা বঞ্চিতাহৈ জীৱন হিন্ন ভিন্নহৈ পৰে। নাৰীৰ জীৱনী শক্তি ঘৰুৱা কাম কাজতে ক্ষয় হয়। নাৰীৰ কাৰণে এয়া হ'ল সামাজিক বিধান।

নাৰী নিৰ্যাতনৰ কাৰণে পৰোক্ষ ভাৱে দায়ী নাৰীসকল নিজেই। আজি কালি কিছুমান নাৰীয়ে নিজৰ স্বামী দেৱতাক আঁৰ কৰি বেলেগ পুৰুষৰ লগত মিতিৰালী কৰি ঘূৰি ফুৰে। তেওঁলোকে নিজৰ সতীত্ব বেলেগ পুৰুষক দি দিয়ে। ছোৱালীবিলাকেও ঘাটে পথে ল'ৰাবিলাকৰ লগত চুপতি মাৰি ফুৰে। ছোৱালীবিলাকে অতি পাতল ব্লাউজ আৰু ব্ৰেহিয়াৰ পিন্ধি শাৰীৰ আচলখন এৰি ঘূৰি ফুৰে। তেতিয়া ল'ৰাবিলাকৰ মন চঞ্চল হৈ পৰে আৰু সেই সুযোগতে ছোৱালীবিলাকক ফুচুলাবলৈ ধৰে। তেতিয়া





দুৰ্ব্বল মনোবৃত্তিৰ ছোৱালীয়ে সেই ফুচুলনিত ভুল যায়। তেন্তে পুৰুষক নাৰী নিৰ্যাতনৰ কাৰণে আগবঢ়াই দিয় কোনে ? পুৰুষে নাৰীক কৰি আহিছে খেলৰ পুতুলাৰ দৰে ব্যৱহাৰ ই সত্য। কিন্তু যেতিয়া হাজাৰ হাজাৰ নাৰীৰ ভিতৰত মাত্ৰ কেইটামান সুন্দৰ বাক্যৰে "ধন আৰু প্ৰেজেন্টৰ" আশাত পুৰুষৰ ওচৰত আত্ম সমৰ্পণ কৰিবলৈ দ্বিধাবোধ নকৰা নাৰীৰ আভিৰ্ভাৱ হয় সি সমস্ত নাৰী জাতিটোৰ ধ্বংশৰ কাৰণ নহয় জানো ? নাৰীহৈ নাৰীয়ে যদি সতীত্বৰ মৰ্দা বজাই নাৰাখে কোনে নাৰীৰ মৰ্যদা বহন কৰিব। এগৰাকী দুগৰাকী নাৰীৰ দুৰ্ব্বলতাৰ সুযোগলৈ আজি এচাম সুবিধাবাদী পুৰুষে দিশে দিশে শ শ নাৰীৰ ওপৰত কৰি আহিছে অত্যাচাৰ নিষ্পেষন। দুই এগৰাকী মহিলাৰ বাবে ভণ্ড প্ৰেমিক সাজি নাৰীসকলক দিনে দিনে সুবিধাবাদী পুৰুষ এচামে ধ্বংশৰ পথলৈ ঠেলি দিয়া নাই জানো ? আকৌ কিছুমান নাৰীয়ে ভাৱে "প্ৰেমেই স্বৰ্গ আৰু প্ৰেমেই মৰ্ত্ত" এই কথাষিনি নাৰী শ্ৰেণীৰো ভৱা উচিত নহয়। যেনেকৈ আমাৰ মহাকবি ওমৰ খৈয়ামে কৈছে— "প্ৰিয়সী মোক আজিয়েই দিয়া কালিলৈ বাৰু কি হব"? এইটো মধিমূৰ কৰি ছোৱালীবিলাকেও চলিব লাগিব। "ধন ঐশ্বৰ্য্য" বজৰুৱা প্ৰেমৰে জানো নাৰীৰ মৰ্যদা ঘূৰাই আনিব পাৰিব ? ই যেন দিনক দিনে নিম্ন পৰা নিম্নতৰ স্তৰলৈ হ্ৰাস পাইছে। কিন্তু কাৰ দোষত ? এতিয়াও নাৰীসকলে সচেতন ভাৱে নিজক সংশোধন কৰি সংগ্ৰামৰ আন্দোলন কৰি আগুৱাই যাব লাগে।

বালজাক নামৰ এজন চিন্তাবিদৰমতে পুৰুষৰ দৰে শিক্ষা পালে নাৰীয় তেওঁলোকৰ গুণাৱলীক চমৎকাৰ ভাৱে বিকশিত কৰি স্বামী আৰু নিজৰ জীৱন সুখী কৰি তুলিব পাৰিব। বৈজ্ঞানিক যুক্তিৰে বিশ্লেষণ কৰা সকলৰমতে নাৰীয় কেতিয়াও পণ্ডিত বা দাৰ্শনিক হব নোৱাৰিব এই ধাৰণা সম্পূৰ্ণ ভুল। সুযোগ সুবিধা নেপালে পুৰুষও উন্নতি কৰিব নোৱাৰে নাৰীৰ ক্ষেত্ৰত ঠিক এইটোৱেই প্ৰযোজ্য। আজি কালি বিভিন্ন পৰীক্ষাৰ ফলাফলে নিভুৰ্ল ভাৱে প্ৰমান কৰে যে সমানে সা-সুবিধা পালে ছোৱালীয়ে প্ৰায় সকলো ক্ষেত্ৰতে পুৰুষতকৈ বেছি কৃতিত্ব দাবী কৰিব পাৰে। একোজনী ছোৱালীয়ে সাধাৰণতে বিয়াৰ পিছত চাকৰিত যোগ দি নিজৰ বিদ্যা বুদ্ধিৰ সং ব্যৱহাৰ কৰাৰ লগতে স্বামীৰ আৰ্থিক বোজাও লাঘৱ কৰে। তেতিয়া দুয়োজনৰ পাৰস্পৰিক বুজাবুজি সহায় সহযোগিতাইহে সংসাৰৰ শ্ৰী আৰু শান্তি বঢ়াব পাৰে। দৈহিক ক্ষেত্ৰত পুৰুষ নাৰীতকৈ শ্ৰেষ্ঠ হব পাৰে। কিন্তু প্ৰেম, কৰুণা, ক্ষমা, ধৈৰ্য সহিষ্ণুতা সেৱাৰ মনোভাৱ আদি ভালেমান বিশেষ গুণৰ অধিকাৰী এই নাৰী পুৰুষৰ বাবে সততে অনুপ্ৰেৰণাৰ উৎস। গুণেৰে গুণান্বিত নাৰীয়ে লক্ষভ্ৰষ্ট, বিপদগামী পুৰুষক সৎপথলৈ ঘূৰাই আনিব পাৰে। তাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে যে মানুহ তথা সমাজ গঢ়াৰ সু-মহান দায়িত্ব মাতৃ জাতিৰ ওপৰত ন্যাস্ত। নেপোলিয়নে কৈছিল— "Give me good mothers and I will give you a good nation" "মোক ভাল মাক দিয়া, মই তোমালোকৰ ভাল জাতি এটা দিম"। গতিকে দেখা যায় ভাল জাতি এটা গঢ়িবলৈ হলে ভাল মাকৰ প্ৰয়োজন। ভাল মাক হবলৈ হলে উপযুক্ত শিক্ষাৰ প্ৰয়োজন। শিক্ষাৰ পোহৰে তিৰোতাক জ্ঞান দিয়াৰ লগতে নিজৰ অধিকাৰ কৰ্ত্তব্য আৰু দায়িত্বৰ প্ৰতি সচেতন কৰি তোলে শিক্ষিতা মাতৃসকলৰ মাজত সন্তান জন্মৰ হাৰ কম। ফলত তেওঁলোকৰ জীৱনৰ মানদণ্ড উন্নত হয়। তদ্‌পৰি শিক্ষিতা মাতৃৰ সন্তানবোৰে ভৱিষ্যতে এখন মুক্ত উদাৰ সংস্কাৰমূখী সমাজ গঢ়িব পাৰে। শিক্ষা-দীক্ষাৰ অন্তত ছোৱালীয় নিজৰ ৰুচিমতে আৰ্থিক সংস্থানৰ পথলৈ স্বাৱলম্বী হব পাৰে।

শাৰীৰিক ও মানসিক শক্তি ব্যৱহাৰৰ ফলত ভালেমান নাৰীয়ে আজি পুৰুষৰ লগত পাৰদৰ্শিতা দেখুৱাই সমকক্ষতাৰ পৰিচয় দিব পাৰিছে। অনেক সময়ত ছাত্ৰীয়ে ছাত্ৰতকৈ অধিক নিষ্ঠা আৰু দক্ষতাৰ পৰিচয় দিছে। স্কুল কলেজৰ বাহিৰেও বিভিন্ন ক্ষেত্ৰত যিবিলাকত নাৰীৰ প্ৰৱেশ নিষিদ্ধ আছিল তেনেক্ষেত্ৰত নাৰীয়ে প্ৰৱেশ কৰিছে আৰু পাৰদৰ্শিতা দেখুৱাইছে। উদাহৰণ স্বৰূপে— ৰাজনীতি কূটনীতি বিষয়ত ভাৰতবৰ্ষত স্বৰ্গীয় শ্ৰীমতী ইন্দিৰা গান্ধী, পাকিস্থানত বেগম ৰুকিয়া, বেনজিৰ ভুট্টো, শ্ৰীলংকাত চিৰিমাভো বন্দৰা নায়ক আৰু বৃটেইনত মাৰ্গাৰেট থ্ৰেচাৰে সেই দেশৰ পুৰুষকো চেৰাই গৈছে। জাপানী নাৰী জুংকতাবেই গৌৰী শঙ্কৰ শৃঙ্গ আৰোহন কৰি বিজয়িনী হৈছিল। ৰাছিয়াৰ ভেলেন্তিনা, নিকোলায়েভা, তেৰেস্কাভা পুৰুষৰ সমানে খোজত খোজ মিলাই চন্দ্ৰত প্ৰথম নাৰী হিচাবে পদাৰ্পণ কৰিলে। আৰু সৌ সিদিনা নবেল বঁটাৰ অধিকাৰীনি হোৱা মাদাৰ টেৰেছা। এনেদৰে প্ৰতিটো ক্ষেত্ৰতে নাৰীয়ে পুৰুষতকৈ বেছি পাৰদৰ্শিতা দেখুৱাইছে।

ডাঃ গেভেল পোৰ্টে কৈছে, "কেইটামান বংশ পৰম্পৰা ধৰি যদি নাৰী আৰু পুৰুষক কলা আৰু বিজ্ঞানত সমানে শিক্ষাদীক্ষা দি থকা হয় তেন্তে তেওঁলোকৰ মাজত পাৰ্থক্য দেখা নাযাব"।

আগতে উল্লেখ কৰা নাৰীশিক্ষাৰ সমস্যাবোৰ সমাজৰ পৰা দূৰ কৰিব নোৱাৰিলে সমাজত নাৰী-শিক্ষাৰ উন্নতি হব নোৱাৰে। সেই হেতুকে এই অনুন্নত জাতিটোক উদ্ধাৰ কৰিবলৈ হলে নানা ধৰণৰ সৰু সৰু সমাজ উন্নয়নমূলক আঁচনি হাতত লৈ ডেকা বুঢ়া, সৰু ডাঙৰ সকলোৱে মিলি তাক বাস্তৱত ৰূপায়িত কৰিব লাগে। ইয়াৰ প্ৰথম আঁচনি থাকিব নাৰীশিক্ষা। কাৰণ আমাৰ সমাজখন নাৰীশিক্ষাত বিশেষ ভাৱে পিছপৰি আছে। বৰ্ত্তমান যুগ হল প্ৰতিযোগিতাৰ যুগ। এতিয়া দেশে দেশে জাতিয়ে জাতিয়ে উন্নতিৰ প্ৰতিযোগিতাত নামিছে সেইবাবে এই অৱহেলিত জাতিটোক উদ্ধাৰৰ কাৰণে সকলোৱে উদাৰ মনোবৃত্তিৰে নাৰীশিক্ষাৰ ৰঙীন বন্তি সকলো শ্ৰেণীৰ ধনী দুখীয়াৰ ঘৰে ঘৰে জ্বলাই দিব লাগিব। ইয়াৰ গুৰু দায়িত্ব লব লাগিব সমাজৰ শিক্ষিত যুৱক সকলে, কাৰণ সমাজৰ মূখিয়াল ব্যক্তিসকলে সমাজৰ কুসংস্কাৰৰ মেটমৰা বোজা বৈ বৈ এতিয়া বব নোৱাৰা হৈছে। মনত অলসতা আহিছে। সেই বাবে সমাজৰ সংস্কাৰৰ কাৰণে শিক্ষিত যুৱক ভাই সকলৰ চিন্তাৰ সময় আহিছে, যাতে তেওঁলোকৰ অৰ্ধাঙ্গনীক সমান উচ্চশাৰীত লব পাৰে। ××× 

বিঃ দ্ৰঃ— এই প্ৰবন্ধটি লিখোতে বিভিন্ন বাতৰি কাকত, আলোচনী আদিৰ সহায় লোৱা হৈছে।





# আৰবী ভাষাৰ উৎপত্তি আৰু বিকাশ

মোঃ ছোলেমান খান, এম, এ
বিভাগীয় প্ৰধান, আৰবী বিভাগ
নৰজ্যোতি মহাবিদ্যালয়

ঐতিহাসিক কালপঞ্জীৰ তুলনামূলক অধ্যয়নৰ পৰা এই সিদ্ধান্তত উপনীত হব পাৰি যে আৰবজাতি ছেমিটীয় গোষ্ঠিবিলাকৰ ভিতৰত আটাইতকৈ কনিষ্ঠ। কালপঞ্জীমতে আৰু ঐতিহাসিক তথ্যপাতিমতে ছেমিটীয় ভাষাগোষ্ঠিবিলাকৰ মূল উৎস হৈছে URSEM-TISCH ভাষা। যিহেতু আৰবী ভাষা ছেমিটীয় ভাষাবিলাকৰ ভিতৰত আটাইতকৈ বয়োকনিষ্ঠ আৰু ছেমিটীয় ভাষাসমূহৰ মূল আদৰ্শসমূহ এই ভাষাত আটাইতকৈ বেছি পৰিমাণে পৰিলক্ষিত হয়, সেই কাৰণে কোৱা হয় যে আৰবী ভাষাৰ মূল উৎস হৈছে URSEMITISCH ভাষা।

মূলতঃ আৰবী ভাষাৰ দুটা উপ-ভাষা ( Dialects ) আছে। প্ৰথমটো দাক্ষিণাত্যৰ বা দক্ষিণ আৰবৰ আৰবী ভাষা আৰু দ্বিতীয়টো প্ৰকৃত আৰবী ভাষা।

দাক্ষিণাত্যৰ আৰবী ভাষা মূলত ইয়ামিনত প্ৰচলিত আছিল। ছেবিয়ান, হিমিয়াৰী, সিনিয়ান, মাহৰা, আৰু খ্বিহাৰ উপভাষাবিলাকক দাক্ষিণাত্যৰ আৰবী ভাষাৰ অন্তৰ্গত ভাষা বুলি কোৱা হয়।

বিশেষকৈ প্ৰকৃত আৰবী ভাষা আৰব দেশত প্ৰচলিত আছিল। এই ভাষা ইয়ামিন দেশত প্ৰচলিত নাছিল।

দাক্ষিণাত্যৰ আৰবী আৰু প্ৰকৃত আৰবী ভাষাৰ মাজত যথেষ্ট সাদৃস্য দেখা যায়। এই সাদৃস্যবিলাক হৈছে বৈয়াকৰণিক সাদৃস্য। এই সাদৃস্যবিলাক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

১) ভঙা ভঙা বহুবচন ( Broken plural )
২) দ্বিবচনৰ চিনৰ মিল।
৩) অনিৰ্দ্দিষ্ট শব্দৰ ব্যৱহাৰ। দাক্ষিণাত্যৰ আৰবী ভাষাৰ অনিৰ্দ্দিষ্ট শব্দৰ শেষত ইংৰাজী M আখৰৰ পৰিৱৰ্ত্তে প্ৰকৃত আৰবী শব্দৰ শেষত N আখৰ ব্যৱহাৰ হয়।
৪) কথিত ভাষাতো কিছুমান সাদৃস্য আছে।
৫) দাক্ষিণাত্যৰ আৰবী ভাষাত ২৯ টা বৰ্ণমালা আছে। হিব্ৰু ভাষাত ব্যৱহাৰ হোৱাৰ দৰে এই ভাষাত "ছিন" আৰু "ছামিক" (Samech) নামৰ বৰ্ণ দুটাও দাক্ষিণাত্যৰ আৰবী ভাষাত দেখা যায়।

খৃষ্টীয় ৬ষ্ঠ শতিকাত হিমিয়াৰী সাম্ৰাজ্য আবিছিনিয়াৰ অধীনলৈ যায় আৰু সেই শতিকাৰ শেহভাগত দাক্ষিণাত্যৰ আৰবী ভাষা অপ্ৰচলিত হৈ যায় ( Became dead language )। ইয়াৰ পিছৰ পৰাই আৰব দেশৰ উত্তৰ অঞ্চলৰ প্ৰকৃত আৰবী ভাষাই ক্ৰমান্বয়ে সৰ্ব্বাঙ্গীন উন্নতি লাভ কৰি বিশ্ববিখ্যাত হৈ পৰে।

প্ৰায় আঢ়ৈ হাজাৰ বছৰ আগৰ আৰবী ভাষাৰ লিপিবিলাকৰ লগত আধুনিক যুগৰ ছেবিয়ান ভাষাৰ লিপিবিলাকৰ কিছুপৰিমাণে সাদৃস্য পৰিলক্ষিত হয়। হিজাজ প্ৰদেশৰ "হিজৰ" আৰু দামেস্কৰ প্ৰতিবেশী "ছাফা" ভাষাৰ তিমান মিল দেখা নেযায়। অতি প্ৰাচীনকালৰ আৰবী ভাষাৰ লিপিবিলাকৰ মিল দেখা যায় জাবাদ, আলেপ্পো আৰু গ্ৰীক দেশৰ ছিৰিয়-গ্ৰীক আৰু আধুনিক আৰবী ভাষাৰ লিপিবিলাকৰ লগত।

অন্যান্য ছেমিটীয় ভাষাৰ নিচিনাকৈ আৰবী ভাষাই ইয়াৰ জন্মলগ্নৰে পৰাই কি কি পৰিস্থিতি, পৰিবেশ আৰু পৰিৱৰ্ত্তনৰ মাজেৰে আগুৱাই গৈছে তাক নিৰ্ণয় কৰা বৰ জটিল; এনেকি কোনো কোনো ক্ষেত্ৰত সম্ভৱো নহয়। সি যিকিনহওঁক, যীশুখৃষ্টৰ জন্মৰ আগৰ পৰা আৰম্ভ কৰি পৰৱৰ্ত্তী যুগত আৰবী ভাষাই আৰিষ্কিনিয়া, ইৰাক আৰু আৰবৰ অন্যান্য ভাৰাবিলাকৰ ওপৰত যথেষ্ট পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিছিল। এই ভাষা নিজেও অন্যান্য ছেমিটীয় ভাষা গোঠীৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছিল। ইয়ামিন আৰু হাদ্ৰামাওতৰ হিৱিয়ান হিমিয়াৰী ভাষাৰ প্ৰভাৱ এই ভাষাত পৰিছে। বেহা-বেপাৰত সুখ্যাতি অৰ্জন কৰা উত্তৰ পশ্চিম আৰবৰ পেত্ৰাৰ (Petra) ৰাজত্ব-কালতো এনেকি দক্ষিণ আৰবৰ হিৱিয়ান সকলৰ শাসনকালতো আৰবী ভাষা কথোপকথনৰ মাধ্যম হিচাপে ব্যৱহৃত হৈছিল। উল্লেখযোগ্য যে তেতিয়াও আৰবী ভাষা লিখনৰ মাধ্যম হোৱা নাছিল। দক্ষিণ আৰবৰ গাচ্ছানসকলে হিৱিয়াৰ সীমান্তবৰ্ত্তী অঞ্চলত বসতি কৰাৰ সময়ত আৰবী ভাষা মাধ্যমিক ভাষা আছিল। হিৰা অঞ্চলৰ লাখমীসকলেও ইয়াক মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। নাবাতীয়ানসকলে চিঠি-পত্ৰ, ইতিহাস আৰু সাহিত্য লিখিছিল এৰামেয়িক ভাষাত। নাবাত্তিয়ানসকলে আৰবী ভাষাৰ অপ্ৰা-চুৰ্য্যতাৰ কাৰণে এনে কৰা নাছিল এই কাৰণেই যে এৰামেয়িক ভাষাই সেই সময়ত যি অৱস্থান লৈছিল আৰবী ভাষাই সেই অৱস্থান লব পৰা নাছিল। কাৰণ, এৰামেয়িক ভাষাই তেতিয়া বেহাবেপাৰ, ৰাজ-নীতি আৰু আভ্যন্তৰীণ চৰকাৰী যোগসূত্ৰৰ ক্ষেত্ৰত মধ্য প্ৰাচ্যৰ বেবিলন এচিৰিয়া, পেলেষ্টাইন আৰু ইজিপ্তত বিশেষ উন্নতি সাধন কৰিছিল। গাচ্ছান-সকলে লিখনৰ বাবে হিৱিয়ান ভাষা ব্যৱহাৰ কৰিছিল এই কাৰণেই যে এই ভাষা তেতিয়া চৰকাৰী ভাষা হিচাপে স্বীকৃতি পাইছিল। লাখমীসকলে হিৰাত এৰামেয়িক ভাষা বেহাবেপাৰ আৰু সাহিত্যৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল।

ইছলামৰ অভ্যুদয়ৰ সময়ত আৰবী ভাষাই ইয়াৰ ব্যাপক বৈয়াকৰণিক পদ্ধতি আৰু প্ৰচুৰ শব্দভাণ্ডাৰৰ জৰিয়তে যথেষ্ট উন্নতি সাধন কৰে। ছেমিটীয় ভাষা-গোষ্ঠীৰ অন্যান্য উপভাষাৰ সহায়ত আৰবী ভাষা ধনাঢ্যপূৰ্ণ হয়। ইছলামৰ অভ্যুদয়ৰ আগলৈকে ছেমিটীয় ভাষাগোষ্ঠীৰ ভিতৰত যিবিলাক উপভাষা বৰ্ত্তি আছিল সেইবিলাকৰ ভিতৰত আৰবী ভাষাই যথেষ্ট সমাদৰ লাভ কৰিছিল। পাৰ্চী, হিব্ৰু, ইথি-ওপিক, সংস্কৃত আৰু গ্ৰীক ভাষাসমূহে প্ৰাক-ইছলা-মীয়া যুগত আৰবী ভাষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। সচাকৈয়ে ইছলাম আগমনৰ আগত আৰবী ভাষাৰ পৰিসৰ আছিল সীমিত। সেই সময়ত হিজাজ তিহামা, নাজদ, ইৰাকৰ বিভিন্ন অঞ্চল, আৰব হিৰিয়াৰ সীমান্তবৰ্ত্তী অঞ্চল, ইয়ামামা, বাহৰাইন, উমান, ইয়ামিন, ছিনাই মেছুপটেমিয়াৰ মৰুঅঞ্চল, হিৰিয়া, ইজিপ্ত আদি দেশবিলাকত আৰবী ভাষাৰ প্ৰচলন আছিল। এই অঞ্চলবিলাকৰ অধিকাংশ মানুহেই বেদুইন আৰু ভ্ৰাম্যমান আছিল। নিগা-জীকৈ বসতি কৰা মানুহেও এই ভাষাত কথা কৈছিল।

ইছলাম আগমণৰ আগত ছেৱিয়ান তথা হিমি-য়াৰী ভাষাসমূহ ইয়ামিন, হাদ্ৰামাওত আৰু মাহৰা আদি দেশবিলাকত প্ৰচলিত আছিল এইবিলাকৰ ভিত-ৰত "আলমুছনাদ" হৈছে অধিক গুৰুত্বপূৰ্ণ। ইছলামৰ আগমণৰ লগে লগে এই ভাষাসমূহ ক্ৰমান্বয়ে মৰহি যায়; আৰবী ভাষাই ইহঁতৰ স্থান অধিকাৰ কৰে। হিজাজ প্ৰদেশৰ উপৰিও উত্তৰ-পূব আৰু মধ্য আৰ-বত অধিকাংশ মানুহেই ভাষিক অনিয়মতা আৰু বৈয়াকৰণিক ত্ৰুটি-বিচ্যুতিৰ মাজেৰে আৰবী ভাষাত কথাবতৰা কৈছিল। উদাহৰণ স্বৰূপে কব পাৰি যে "কুদা" কৈদৰ মানুহে সম্বন্ধবাচক বিশেষণ (Relative Adjective) বুজাবা "ইয়ায়ুল মুশাদ্দাদ"ৰ পৰিৱৰ্ত্তে "ক্লিম" আখৰ ব্যৱহাৰ কৰিছিল। "তামিমী"ৰ পৰিৱৰ্ত্তে "তামিমাজ" ব্যৱহাৰ কৰিছিল। "আইন" আখৰৰ পিছত "ইয়া" আখৰক "ক্লিম" আখৰ দি ব্যৱহাৰ কৰিছিল। আকৌ "বাৰিয়ুন" ৰ ঠাইত "বায়েজুন" কৈছিল। হুজাৰাই কৈদে "হে" আখৰক "আইন" আখৰত পৰিৱৰ্ত্তন কৰি "হাত্তাৰ" ঠাইত 'আত্তা' আৰু 'হাতিম'ৰ ঠাইত 'আতিম' কৈছিল। ৰাবিয়া মুদাৰ কৈদে স্ত্ৰীলিঙ্গবাচক সৰ্ব্বনাম (Feminine pronominal suffix) 'কাফ'ৰ লগত 'খিন' আখৰ যোগ কৰি 'আলায়কা'ৰ ঠাইত 'আলায়িশ' কৈছিল। আকৌ কিছুমানে শব্দৰ প্ৰথম আখৰ 'ওৱাও মাজমুম' বা 'ওৱাও মাকছুৰ' দূৰীভূত কৰি 'আওলাদ'ৰ ঠাইত 'আলাদ' কৈছিল। সম্ভৱতঃ এই বিলাক অনিয়ম অজ্ঞতাৰ কাৰণেই কৈছিল।

আৰবী ভাষাত যথেষ্ট পৰিমাণে শব্দভাণ্ডাৰ আছে। সেইবাবে ইয়াৰ উন্নতিৰ কোনো অসুবিধা নাই। সমপৰ্য্যায়ৰ আৰু সমঅৰ্থবাচক শব্দৰ প্ৰাচুৰ্য এই ভাষাত যথেষ্ট পৰিমাণে আছে। এই ভাষাৰ প্ৰত্যেকটো ক্ৰিয়াক প্ৰায় এডজন পৰিমাণে ৰূপান্তৰ কৰিব পাৰি। এই ভাষাত চন্দ্ৰক বুজাবলৈ প্ৰায় ১৬টা একে অৰ্থবাচক শব্দ ব্যৱহাৰ হয়। ৩৪ টা শব্দ বৰ-ষুণ বুজাবলৈ ২১ টা শব্দ পোহৰ বুজাবলৈ, ৫২ টা শব্দ এন্ধাৰ বুজাবলৈ, ৫০ টা মেঘ বুজাবলৈ, ৯২ টা শব্দ দৈৰ্ঘ বুজাবলৈ আৰু ১৬০ টা শব্দ চুটি বুজাবলৈ ব্যৱহৃত হয়। আৰবী ভাষাত ৰাতিৰ বিভিন্ন প্ৰহৰ বুজাবলৈ বিভিন্ন শব্দ আৰু ধনুৰ কাঁড় বুজাবলৈ প্ৰায় এডজন শব্দ ব্যৱহাৰ হয়। বিপৰীত অৰ্থ বুজাবলৈও বহুতো শব্দ ব্যৱহৃত হয়। আনকালে একেটা মাথোন শব্দই ১টা, ২টা, ৩টা অথবা ৪টা অৰ্থ আৰু ভাৱ প্ৰকাশ কৰিব পাৰে। আৰবী ভাষাৰ এটা সাধাৰণ ত্ৰি-আখৰ বিশিষ্ট ক্ৰিয়াৰ পৰা বহুতো শব্দ উৎপন্ন কৰিব পাৰি।

একে অৰ্থবাচক বহুতো শব্দ থকাৰ ফলত এটা শব্দই বহু অৰ্থ প্ৰকাশ কৰাৰ বাবে এনেকি ব্যাকৰণৰ উচ্চ মানদণ্ড সমন্বিত নিয়মাৱলীৰ কাৰণে এই ভাষাৰ বৰ জটিল বুলিও কোৱা হয়। পক্ষান্তৰে এই বিলাক জটিলতা থকাৰ কাৰণেই নিজৰ মনৰ ভাৱ লিখকে প্ৰকাশ কৰিবলৈ কোনো প্ৰকাৰৰ অসুবিধা নেপায়।

মধ্যযুগত আৰবী ভাষা সমগ্ৰবিশ্বৰ অন্যতম ভাষা হিচাপে স্বীকৃতি পাইছিল। বৰ্ত্তমান যুগত ইংৰাজী ভাষাই সমগ্ৰবিশ্বত আন্তৰ্জাতিক মৰ্যদা লাভ কৰাৰ দৰে মধ্যযুগত আৰবী ভাষাই আন্তৰ্জাতিক মৰ্যদা লাভ কৰিছিল। এচিয়া, আফ্ৰিকা, ইউৰোপ আৰু ভূমধ্যসাগৰীয় দেশবিলাকৰ সকলো জাতিয়েই আৰবী ভাষাক লিখন আৰু পঢ়নৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। সেই যুগত ৰাজনীতি, সংস্কৃতি, সাহিত্য, ইতিহাস, জীৱনী, ভূগোলশাস্ত্ৰ, চিকিৎসা-শাস্ত্ৰ, অৰ্থবিজ্ঞান, দৰ্শন, উদ্ভিদবিদ্যা, অংকশাস্ত্ৰ, জ্যোতিৰ্বিদ্যা, সংগীত, ৰাসায়নশাস্ত্ৰ পদাৰ্থবিজ্ঞান, ধৰ্ম্মশাস্ত্ৰ, আদি বিভিন্ন বিজ্ঞানশাস্ত্ৰৰ প্ৰধান ভাষা আছিল আৰবী ভাষা। বৰ্ত্তমান যুগৰ মানৱসভ্যতাৰ চৰম উন্নতিৰ মূল ভিত্তি সম্প্ৰসাৰিত হৈছে মধ্যযুগৰ আৰবী ভাষাৰ প্ৰভাৱত। The foundation of modern civilization and its scientific advance rests to a considerable extent on the literature of Arabic Language: K. Ali —History of Arabic Literature. P. 27. মধ্যযুগৰ সিন্ধুনদীৰ পৰা আটলাণ্টিক মহাসাগৰলৈ এই ব্যাপক অঞ্চলত যিকোনো জাতীয় মুছলমানে এই ভাষাত কথা কৈছিল আৰু লিখিছিল। আৰবী ভাষা কোৰ্ট আৰু Church ৰ ভাষা আছিল। আইন, বেহাবেপাৰ আৰু বিজ্ঞানৰ ভাষা আছিল আৰবী। During the middle ages, it (Arabic) was spoken and written by all cultivated Moslems of whatever nationality they might be, from the Indus to the Atlantic, it was the language of the court and the church, of law and commerce of Diplomacy and literature and Scicnce. R. A. Nicholson, A literary History of

the Arabs, Introduction XXIV, মধ্যযুগত বহু শতাব্দী লৈকে আৰবী ভাষা শিক্ষা; সংস্কৃতি আৰু উন্নত চিন্তাধাৰাৰ ভাষা হিচাপে সুসভ্য পৃথিবীত স্বীকৃতি পাইছিল। আজিকালিও পশ্চিম ইউৰোপৰ বিভিন্ন ভাষাই আৰবী ভাষাৰ পৰা ধাৰ কৰা শব্দ-ভাণ্ডাৰৰ দ্বাৰাই নিজ নিজ প্ৰভাৱ বিস্তাৰ কৰি আছে। লেটিন ভাষাৰ, পিছতেই আৰবী ভাষাৰ বৰ্ণমালা সমগ্ৰ বিশ্বৰ বিভিন্ন দেশত ব্যাপক ভাবে ব্যৱহাৰ হৈ আছে। এই ভাষাৰ বৰ্ণমালাসমূহ এনেকি বিভিন্ন শব্দসমূহ পাৰ্চী, আফগান উৰ্দ্দু আৰু তুৰ্কী ভাষাত ব্যৱহাহৃত হোৱা দেখা যায়। For many centuries in the middle Ages it was the language of learning and culture and progressive thought throughout the civilized world. The languages of western Europe still bear the impress of its influence in the form of numourous loan-words, Its alphabet, next to the Latin is the most widly used system in the world. It is one employed by Persian, Afgan, Urdu and a number of Turkish, Berber and Malayan languages. P. K. Hitti: History of of the Arabs P- 4. হিজৰী ২য় শতাব্দীৰ প্ৰথম ভাগৰ আৰম্ভণীৰ পৰা হিজৰী ১০ম শতাব্দীলৈ এই সুদীৰ্ঘ কালছোৱাত আৰবী ভাষাত বহুতো কিতাপ প্ৰণয়ন কৰা হৈছিল। এই বিলাকৰ অধিকাংশ গ্ৰন্থই ধ্বংসপ্ৰাপ্ত হৈছিল মধ্য এচিয়াৰ চেংগিচ খাঁ, হালাকু খাঁ আৰু তৈমুৰ লংগৰ আক্ৰমণৰ ফলত। ইয়াৰোপৰি বিভিন্ন অগ্নিকাণ্ড, সামুদ্ৰিক জাহাজৰ নিমজ্জতা, কাগজৰ অভাৱ এনেকি সংৰক্ষণৰ অভাৱতো মধ্যযুগৰ অলেখ আৰবী গ্ৰন্থ নাইকীয়া হৈ যায়। এনেকোৱা স্বত্বেও যথেষ্ট পৰিমাণৰ মূল্যবান আৰবী গ্ৰন্থ আজিকালিও পোৱা যায়। খৃষ্টীয় চতুৰ্দ্দশ, পঞ্চদশ আৰু ষষ্ঠদশ শতিকাত ইউৰোপৰ নৱজাগৰণৰ সময়ত বহু আৰবী কিতাপ লেটিন, জাৰ্মান, ডাচ, ফৰাচী আৰু ইংৰাজী ভাষাত অনুবাদ কৰা হয়। ধ্বংসপ্ৰাপ্তিৰ পিছতো আৰবী ভাষাত ৰচিত অৱশিষ্ট কিতাপসমূহ বিগত দুইশ বছৰৰ ভিতৰত ইউৰোপ, আফ্ৰিকা আৰু এচিয়া মহাদেশবিলাকৰ শিক্ষা কেন্দ্ৰসমূহত পুনৰ্মুদ্দন কৰা হৈছে যদিও M,S.S সংগৃহিত এক বৃজন সংখ্যক সংগ্ৰহই বৰ্ত্তমানলৈকে ভাৰতবৰ্ষ, ইৰাণ, মধ্যএচিয়া, ইৰাক আৰব, ছিৰিয়া, তুৰস্ক, ইজিপ্ত, লিবিয়া, তিউনিচিয়া মৰক্কো, আলজেৰিয়া, স্পেইন; ফ্ৰান্স, ইংলেণ্ড, ইটালি জাৰ্মান আৰু ছোভিয়েত ৰাচিয়াৰ চৰকাৰী অথবা বেচৰকাৰী পুথিভড়ালসমূহত প্ৰকাশনৰ অপেক্ষাত ৰৈ আছে।

বৰ্ত্তমান যুগত আৰবী ভাষাই সমগ্ৰবিশ্বত অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে। ৰাষ্ট্ৰসংঘই আৰবী ভাষাক স্বীকৃতি প্ৰদান কৰিছে। এচিয়া আফ্ৰিকা মহাদেশবিলাকৰ কৌটি কৌটি মানুহে এই ভাষাত কথা কয়। আৰবী অধ্যয়ন আৰু চৰ্চ্চা কৰা হয় সমগ্ৰবিশ্বৰ শ্ৰেষ্ঠতম সভ্যতা আৰু ধৰ্ম্মৰ মূল বাহক হিচাপে। আৰব, ইয়ামিন; পাৰস্য উপসাগৰীয় অঞ্চল আৰবৰ বিভিন্ন প্ৰদেশ আদিৰ ওপৰিও আৰবী ভাষা ইৰাক, ছিৰিয়া, লেবানন, জৰ্ডন, ইজিপ্ত চুদানৰ অধিকাংশ অঞ্চল, যাঁযাবৰ দ্বীপপুঞ্জ, জিবুতি, উত্তৰ ছাহাৰা, লিবিয়া, তিউনিচিয়া, আলজেৰিয়া, মৰক্কো, উত্তৰ মুৰতানিয়া আদি দেশসমূহত আৰবী ভাষাত কথা কোৱা হয়। ইউৰোপ মহাদেশৰ স্পেইন, বেলিয়াৰিক দ্বীপপুঞ্জ, মাল্টা, ছিছিলি, পেণ্টেলাৰিয়া আদি দেশ বিলাকত খৃষ্টীয় পঞ্চদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে আৰবী ভাষা প্ৰচলিত আছিল। ××× 


সহায়ক গ্ৰন্থাৱলী—

1. K. Ali, History of Arabic Literature.
2. R. A. Nicholson, A Literary History of the Arabs.
3. P. K. Hitti, History of the Arabs.




# - অন্য পৃথিৱীৰ মানুহ -


ডাঃ ৰাহিলা আহম্মেদ
টি, ডি, ছি ২য় বাৰ্ষিক
(আৰবী প্ৰধান)


...... সিহঁত বাৰু কোন পৃথিৱীৰ মানুহ, সিহঁতৰ উদ্দেশ্যটো কি? সিহঁতৰ জীৱনটো
সুখীনে দুখী ......। সিহঁত ৮ বজাত নতুন নতুন শাৰী পিন্ধি স্কুললৈ
ঢাপলি মেলে একোদিন সেই শাৰীৰ একোটাকৈ নতুন নাম প্ৰচাৰ
কৰি থৈ যায় স্কুলত বা কলেজত .....। ব্লাউজ
কিমান পাতল। ..... আটাইতকৈ
বেছি অংশ দৃষ্টি গোচৰ হয় আনৰ
চকুত .........।

প্ৰাইমাৰী স্কুলত পঢ়া কালৰে পৰা এই প্ৰশ্নটোৱে মাজে মাজেই আমনি দিছে "সিহঁত অন্য পৃথিৱীৰ নে মই অন্য পৃথিৱীৰ মানুহ" কিন্তু সমস্যাটোৰ সমাধান মই নিজে নিজেই দিছিলোঁ, মই বাস্তৱ পৃথিৱীৰ মানুহ। এইদৰে মই খাটাং আছিলো নিজৰ ওপৰত। কাৰণ স্কুলত যোৱাৰ সময়ত মাকে কৈ দিয়ামতে সৰু কালত মই কোনো দিনে কাৰো লগত কাজিয়া কৰা নাই বুলি কলে সত্যৰ অকণো অপলাপ নহব। কিন্তু সিহঁত এইবোৰ কত পায়? স্কুলত আহি আনৰ লগত কাজিয়া কৰা খেল ধেমালীৰ মাজত মিছা কথা কোৱা, আনৰ ফিটাডাল লুকাই ৰখা, পেঞ্চিলডাল বুটলি লোৱা, কলমডাল চুৰি কৰা যিয়েই নহওক এইবোৰ অভ্যাসৰ বাবে মোৰ বেয়া লাগিছিল সিহঁতৰ প্ৰতি আৰু বেছি আচৰিত আৰু বেয়া লাগিছিল সিহঁতৰ স্কুললৈ যোৱাৰ উদ্দেশ্যটো উদঘাটন কৰিব নোৱাৰি। দৈনিক শ্ৰেণীত শিক্ষকে পঢ়া ধৰিলে থিয় হৈ থকা, শিক্ষকৰ গালি ভৎসনা শুনা, আনৰ পৰা কাণমলা খোৱা, বেতৰ কোৱত হাত ৰঙা কৰি লৈ ঘৰলৈ যোৱা। সঁচাকৈ ইয়াৰ কাৰণটোনো কি? এইবোৰ জানো সিহতৰ ওচৰত ভাল লাগে? কিন্তু ভাললগাটো কেনেকৈ সম্ভৱ, সকলোৰেতো তেজ মঙহৰ শৰীৰ, সিহঁতৰ অন্তৰখনতো লোৰ দ্বাৰা নিৰ্মিত নহয়। তেন্তে দৈনিক কিয় সিহতে এই বস্তুটোকে পাবলৈ আশা কৰে? মই ভাৱোঁ অলপ সময় বহি লিখা পঢ়া কৰাটোতো বেছ আৰাম দায়ক। কিন্তু সিহতৰ ওচৰত কোৰেই মিঠানে বহি আৰাম কৰাটোৱে মিঠা মই হলে আজিলৈকে আৱিস্কাৰ কৰিব পৰা নাই।

পৃথিৱীৰ প্ৰত্যেকজন মানুহে একেটা কাম পছন্দ নকৰে। সিহতে লিখা পঢ়া কামটো পছন্দ নকৰা স্বাভাৱিক। ভাল কথা তেন্তে ঘৰতগৈ মাক দেউতাকৰ লগত কিবা এটা কৰি খাওক। কিন্তু আচৰিত কথা দৈনিক কিয় সিহতে সেই অবাঞ্ছিত বস্তুটোৰ আশাত স্কুললৈ আহে। গালি, মাৰপিট, কাণমলা আদিয়ে বেয়া পায় তাৰ স্পষ্ট প্ৰমাণ মই পাইছোঁ। কেৱল ছাৰৰ মাৰপিটহে সিহতে নীৰৱে সহ্য কৰে। কিন্তু অন্য ল'ৰা ছোৱালীয়ে কেতিয়াবা এটা থাপৰ বা চিকুট এটি মাৰিলেই সিহতে ছাৰৰ আগত গোচৰ দিয়ে।

এতিয়া আপোনালোকক মই অনুৰোধ জনাইছোঁ সমস্যাটোৰ সমিধানৰ বাবে। সিহঁত বাৰু কোন পৃথিৱীৰ মানুহ সিহতৰ উদ্দেশ্যটো বা কি? সিহতৰ জীৱনটো সুখীনে দুখী। মোৰ হলে একোবাৰ এই বিষয়ে সিহতক প্ৰশ্ন কৰিবৰ মন গৈছে। কিন্তু কৰা নাই ভাবিছো সিহত ভাবিব পাৰে অহংকাৰ কৰি এইবোৰ কথা আমাক কৈছে আনহাতে মোৰ দৃঢ় বিশ্বাস আছিল প্ৰশ্ন কৰিলে সিহতে মোক খাটাং উত্তৰ নিদিব। কাৰণ ছাৰৰ আগতে সিহত সত্য বাক্য নকয়। সেই ক্ষেত্ৰত মোক কৰনে?

গতিকে আপোনালোকে মোৰ অনুৰোধ ফেৰা পাহৰি নাযাব। আপোনালোকৰ বৃহৎ মস্তিষ্কই এই এই ৰহস্য উদঘাটন কৰিব পাৰিব বুলি মোৰ বিশ্বাস।

এম, ই, স্কুলত শিক্ষা লাভ কৰা কালছোৱালৈকে এই শ্ৰেণীটোকে মই লগ পাইছিলো। কিন্তু ইয়াৰ পিছৰ পৰ্যায়ত মই আকৌ অন্য এক পৃথিৱীৰ মানুহক লগ পালো। তেওঁলোক আৰু বেছি আচৰ্যজনক। আগ:ত উল্লেখ কৰা "অন্য পৃথিৱীৰ মানুহ"ৰ লগত তেওঁলোকৰ যথেষ্ট মিল আছে। কিন্তু আগৰ শ্ৰেণী-টোতকৈ তেওঁলোক আৰু বেছি বহল পৃথিৱীত বাস কৰা মানুহ। তেওঁলোকৰ জীৱনধাৰাটো মোৰ চকুত এটা ডাঙৰ সমস্যা। যি সমস্যাটোৱে মোক বিব্ৰত কৰি তোলে আৰু আমনি দিয়ে কিন্তু বৰ সৌভাগ্যৰ কথা মোৰ লগত স্বভাৱত মিল থকা আন এজনী ছোৱালীক মই লগ পাইছিলো এই পৰ্যায়ত। অত-দিনে মোৰ এই বন্ধুত্বিহীন জীৱনৰ এটি অভাৱ তাই পূৰণ কৰিছিল। (তাই হ'ল মিচ্ ছফুৰা) সমাজক তাই মোতকৈ বেছিকৈ অধ্যয়ন কৰা মানুহ। সেয়ে তাইৰ সৈতে মই বহুত আলোচনা কৰিছিলো এই "অন্য পৃথিৱীৰ মানুহ" শ্ৰেণীটোকেলৈ। কিয় বাৰু দৈনিক সিহঁত স্কুললৈ আহে আৰু যায়। প্ৰত্যেক পেৰিয়ডত থিয়হৈ থাকি মনৰ চৰম স্ফূৰ্তিত হাঁহে ছাৰৰ তীক্ষ্ণ আঘাত পূৰ্ণ বাক্যবোৰ শ্ৰৱণ কৰে, আৰু বেতৰ কোৰ বিলাক সহ্য কৰে। কোন পৃথিৱীৰ পৰা আনা উপাদানেৰে প্ৰভু:য় সৃষ্টি কৰিছে সিহতৰ আৰু দেহটি ওপৰত উল্লেখ কৰা ছাৰৰ এই ধৰণৰ ব্যৱহাৰ সিহতৰ ওপৰত মৌৰ দৰে মিঠা ফুলৰ পাহিৰ দৰে কোমল আৰু হাচনা হেনাৰ দৰে সুগন্ধি নেকি? যাৰ আশাত সিহত আহি থাকে।

আহি থাকিব সঁচা, অহাটো সিহতৰ কৰ্ত্তব্য, এই ক্ষেত্ৰত সিহত আমাতকৈ যথেষ্ট উদাৰ, ধৈৰ্য্যশীল আৰু সহিষ্ণু। এই ক্ষেত্ৰত সিহতৰ স্কুললৈ অহাটোক মই ব্যঙ্গাক্তি কৰা বুলি মোক দোষাৰোপ নকৰিব। আহি থাকক তেওঁলোক তাত মোৰ কোনো আপত্তি নাই। কিন্তু অহাৰ মাজতো যথেষ্ট পাৰ্থক্য আছ। স্বাভাৱিক ভাৱে কৰ্ত্তব্য পালন কৰিবলৈ যোৱা আৰু অতি আলক্ লেৰে আমোদ-প্ৰমোদ স্থলীলৈ যোৱাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। তাইহতৰ স্কুললৈ যোৱাটো বহুত আনন্দদায়ক; বহু তৃপ্তীকৰ। সেয়ে দৈনিক সিহত ৮ বজাত শাৰী পিন্ধি স্কুললৈ ঢাপলি মেলে। একোদিন সেই শাৰীৰ একোটাকৈ নতুন নতুন নাম প্ৰচাৰ কৰি থৈ যায় স্কুলত বা কলেজত। প্ৰতিযোগিতা চলে কাৰ পাৰী আৰু ব্লাউজ কিমান পাতল। কাৰটোৰ মাজেদি শৰীৰৰ আটা-ইতকৈ বেছি অংশ দৃষ্টি গোচৰ হয় আনৰ চকুত। কিছুমানে আকৌ ব্যৱহাৰ কৰে আন এক ধৰণৰ শাৰী তাৰ নাম বোলে নেট শাৰী। সঁচাকৈয়ে ই নেটৰ দৰেই।

হায় হায় সঁচাকৈয়ে মই আচৰিত হৈ যাওঁ পিন আৰু ক্লিপৰ ব্যৱহাৰত। কিমানটা পিন আৰু ক্লিপ যে সিহতে ব্যৱহাৰ কৰে চুলি আৰু শাৰীৰ লগত। ইমান পিন আৰু ক্লিপৰ জৰিয়তে সিহতে চুলিৰ সৈতে মূৰটোক হুলত দিয়ে। মোৰ হলে চাগৈ তেনেকৈ কেই ঘণ্টামান থাকিলে চুলিৰ গুৰিত যে বিষ হব তাত কোনো সন্দেহ নাই।

মুখমণ্ডলত সিহতে কত ধৰণৰ স্নো, পাউডাৰ, ক্ৰীম আৰু কত কি যে লগায় তাৰ অন্তই নাই। দৈনিক সিহতে কোৱা শুনি থাকো, অমুকটো লগালে বোলে মুখ নিমজ হৈ যায়, তমুকটো লগালে বোলে মুখত দাগ এটাও নাথাকে আৰু অমুকটোৱে বোলে মুখখন একেবাৰে বগা কৰি দিয়ে। নাম শুনি শুনিয়ে হয়ৰান হলো। কিন্তু আজিলৈ নামৰ অন্ত নপৰিল। ইয়াৰোপৰি ওঁঠত ঠোট.তা বোলে আৰু কতকি লগায়। কাজল ফাজলৰ:তো কথাই নাই। যিয়েই নংওঁক আৰু দীঘলীয়ানকৰেঁা।

মোৰ সেই বন্ধ্জনীৰ মতে সিহঁত সচঁাকৈয়ে স্কুললৈ যায় মৌ ফুলৰ পাহি আৰু সুগন্ধিৰ নিচাত। কিন্তু সেইবোৰ ছাৰৰ তৰফৰ পৰা নহয়, অন্য এক তৰফৰ পৰাহে। সেইবোৰ বাদ আচল কথালৈ আহোঁ। চাল চলনত তাইহঁত ইমান ধীৰ স্থিৰ আৰু গম্ভীৰ যে খোজকাঢ়ি যাওঁতে পৰিধেয়, শৰীৰখন লৰ-চৰ হৈ সিহতৰ গাৰ কৃত্ৰিম শোভা হ্ৰাস পাব বুলি ইমান লাহে লাহে খোজকাঢ়ি যায় যে বাটৰ পৰুৱা বোৰে হয়:তো নিতৌ প্ৰভূৰ আগত গোচৰ নিদিয়াকৈ নাথাকে। এইদৰে স্কুললৈ অহাৰ পাছত কতজন সঙ্গি সঙ্গিনীৰ ঘৰলৈ যাবলগা হয় দৈনিক। কিন্তু দৈনিক কৰ্ত্তব্য সামৰিব নোৱাৰি তাইহঁত নি:জই মনক্ষুন্ন। অৱশ্যে এই মনবেদনাত আমিও অংশ গ্ৰহণ কৰা উচিত আছিল। কিন্তু সময় নাপালো। সেয়ে ছুটিৰ পাছত অকল সিহতক কৰ্ত্তব্যখিনি সামৰিব দি আমি অলপ দুখ প্ৰকাশ কৰিলো।

এই ছোৱালীবোৰক প্ৰায়ে কৈ থকা শুনা যায় অমুক ছোৱালীজনী কাপোৰ পিন্ধিব নাজানে, কেনে-কৈ যে কাপোৰ পিন্ধি স্কুললৈ আহে মোৰ লাজ লাগে। কোনোবাই আকৌ কয় আজি মোৰ কাপোৰ পিন্ধাটোও ভাল হোৱা নাই। মুঠেই "৪০ মিনিট সময়ত পিন্ধিছো"। এই কথাত কিবা উত্তৰ আছেনে? সেয়ে কাপোৰ পিন্ধিব নজনা সকলৈ মোৰ অনুৰোধ তোমালোকে কাপোৰ পিন্ধিব নজনা-কৈয়ে থাকা। কাৰণ সিমান সময় তোমালোকৰ নাই। কাপোৰ পিন্ধাৰ আচল উদ্দেশ্য হ'ল লজ্জা নিবাৰণ কৰা বা শৰীৰখনক ঢাকি ৰখা। গতিকে যিয়ে শৰীৰৰ বেছি অংশ ঢাকি ৰাখিব পাৰে সিয়ে ভালকৈ কাপোৰ পিন্ধিব জানে। কেতিয়াবা আকৌ কোৱা শুনা যায় অমুককতো ওপৰে ওপৰে সকলোৱে ভাল বুলি জানে, আজিহে চালো তাৰ ভিতৰখন। অমুক ল'ৰাটোৰ লগত কিমান সময় আলোচনা কৰিলে, লগতে আৰু কেইজনমান ল'ৰা আছিল। আলো-চনাৰ মাজত এবাৰ হাঁহিও মাৰিছিল। কিন্তু আলো-চনাৰ বিষয় বস্তু কি সেইফালে ভ্ৰূক্ষেপ নাই। সিহত এইটো নাজানে যে একে শ্ৰেণীৰ ল'ৰাৰ লগত ল'ৰাৰ আলোচনা থাকিব পাৰে, ছোৱালীৰ সৈতে ছোৱালীৰ থাকিব পাৰে, যিহেতু ল'ৰা আৰু ছোৱালীৰ মাজ:তো থাকিব পাৰে। লিখা পঢ়াক আদি কৰি বহুত আলোচনা থাকিব পাৰে। তেন্তে কিয় কয়? নিজৰ জোখাৰে নিশ্চয় আনক তুলনা কৰিব খোজে। আৰু নিজৰ কোনো এক গুপুত ৰহস্য লুকাই ৰাখি আনক দোষাৰোপ কৰাৰ চিন্তাতেই সদায় মগ্ন থাকে সিহত।

এতিয়া হয়:তো আপোনালোকে বুজিছে কেনেকৈ তেওঁলোকে শ্ৰেণীত শিক্ষকৰ আদেশ পালন কৰিব। কেনেকৈ শিক্ষকৰ কৰ্ত্তব্য সমাধা কৰিব? নিজৰ কৰ্ত্তব্যতে সিহত পূৰ্ণ ব্যাস্ত। ইমাম সময় সিহতে গোটাৱ কৰ পৰা। সময়তো কাৰো বাবে নৰয়।

ও পাহৰিছিলো তাইহতৰ আৰু এটা কাম হ'ল প্ৰায়ে ৰুমাল চিলাই কৰা, ৰুমালৰ ফুলটোৰ মাজত ধুনীয়া এটিকৈ Love শব্দটি লিখা আৰু কোনোবা পুৰুষৰ নাম এটা সংযোগ কৰা। ৰবিবাৰ হলে যে তাহুনৰ কত ঠাইত যাব লাগে তাৰ ওৰে নাই। ওচত চুবুৰীয়াৰ ঘৰতো এপাক মাৰিবই লাগে। মাৰে যদি মাৰক আমি তালৈ কাণ হাৰ নিদিও আৰু কিমানেই বা দিম?

এইবাৰ মই মোৰ বান্ধৱীজনীক সুধিছিলো তাই হতৰ এই কৃত্ৰিম ৰূপ সৌন্দৰ্য্যধাৰণ কৰাৰ কাৰণটো নো কি? তাই উত্তৰ দিছিল নিতৌ নিত্য নতুন ধৰণে ল'ৰাৰ চকুত জিলিকি উঠা। উঠিল উঠিল কি হ'ল? সিহতৰ মনোগ্ৰাহী হোৱা আৰু সিহতৰ পৰা দুই চাৰিৰ পৰা পাঁচ দহটা কৈ Letter সংগ্ৰহ কৰা। তাৰ পিছত? তাৰ পিছত সিহতৰ আপোন জন হোৱা আজীৱন সুখ দুখ, শান্তি অশান্তিৰ ভাগি হোৱা। (ইয়াৰ পাছত মোৰ আৰু শুনিবৰ ইচ্ছা নাই)

এতিয়া মই মোৰ এই অন্য পৃথিৱীৰ ভন্টিহঁতক (সকলোকে ভন্টি বুলি কবৰ সাহস মোৰ নাই) আৰু বাইসকলক সম্বোধি কৈছো— তোমালোক বা আপোনালোকৰ প্ৰকৃত উদ্দেশ্য এয়েনে ? নিশ্চয় হয় উত্তৰ পাম বুলি মোৰ আশা। যদি নহয় তেন্তে কি ? নোকোৱাৰৈকে মই এৰি নিদিও। আশাকৰো উত্তৰ দিবা বা দিব। (বাৰে বাৰে একেলগে তুমি আৰু আপুনি বুলি সম্বোধন কৰোতে কষ্ট পাইছো। সেয়ে সকলোকে তুমি বুলিলো। বেয়া নাপাব বাইদেউ সকল)

যদি উত্তৰ নিদিয়া মোৰ যুক্তিটোকে মানি লোৱা। তোমালোকে অভিভাৱকৰ ইমানবোৰ টকা পইচা আৰু স্ৰষ্টাৰ এই অমূল্য সময়বোৰক প্ৰগতিমূখী কৰিছানে ধ্বংসমূখী কৰিছা ? তোমালোকৰ দৃষ্টিত প্ৰগতিমূখী কৰিছা নহয় ? কাৰণ মা দেউতাকক চিন্তা কৰিবলৈ নিদিয়াকৈয়ে তোমালোকেই জীৱনৰ আটাইতকৈ ডাঙৰ চিন্তাখন কৰিলা, ইয়াৰ সিদ্ধান্তও ল'লা। অৰ্থাৎ জীৱনটোক স্বাৰ্থক কৰিলাই যেন। এক শান্তিময় সুন্দৰতম জুৰীয়া জীৱনৰ সপোন ইতিমধ্য ৰচনা কৰিলাই। সেই ল'ৰাজনৰ জীৱনৰ সকলো সুখ আৰু শান্তিৰ অংশ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছাই নহয় ? বাকী আছে মাথো দুখ আৰু অশান্তি।

সচৰাচৰ দেখা যায় এইখিনিৰ পৰাই আৰম্ভ হয় তোমালোকৰ অনুৰূপ সকলৰ দাম্পত্য জীৱন। (সেই বুলি মই তেনেকুৱা হওক বুলি কুআশীৰ্ব্বাদ কৰা নাই। মোক দোষাৰোপ নকৰিবা।)

সচৰাচৰ দেখা যায় তোমালোকৰ এই মনপূত ল'ৰাজন অভিভাৱকৰ দৃষ্টিত অনুপযুক্ত বুলি বিবেচিত হয়। তোমালোকৰ এই চিন্তাধাৰাই তেওঁলোকৰ মনত কুঠাৰাঘাত হানে। প্ৰায় ল'ৰাৰ অভিভাৱকৰ দৃষ্টিত ছোৱালীজনী অপছন্দনীয় হয়। কিন্তু উভয়ৰে এক স্বভাৱৰ ফলত অভিভাৱকে সন্মতি দিয়ে। আৰম্ভ হয় তোমালোকৰ ৰূপকময় শান্তিপূৰ্ণ জীৱন যিসকলৰ অভিভাৱকে মানি নলয় তেওঁলোকৰ কথা মই বুজাবলৈ যোৱাৰ প্ৰয়োজন নাই। সিহত নিজে নিজেই লিখা পঢ়াক আদি কৰি জীৱনৰ সকলো অধঃপতনৰ কথা চিন্তা কৰি দিনে দিনে জ্বলিপুৰি মৰক।

মোৰ সন্মানিত বাই আৰু মৰমৰ ভন্টিহঁত তোমালোকে মোক বৰকৈ বেয়া পাইছা নহয় ? তথাপি আৰু এক দুইবাৰ নোপোৱাৰৈকে মই তোমালোকৰ আগৰ পৰা আঁতৰ নহওঁ।

মই টানি অনুৰোধ জনাইছোঁ তোমালোকে এই কৃত্ৰিমতা বাদ দি সাধাৰণ হোৱা। ছাত্ৰী নামৰ অপবাদ গুচাই প্ৰকৃত ছাত্ৰী হোৱা। চোৱা জগতৰ কোনো মানুহে ছাত্ৰকালত অধিক পৰিশ্ৰম নকৰাকৈ মহৎ হব পাৰিছে, ডাঙৰ মানুহ হব পাৰিছে। জীৱনত সুখ শান্তি লভিব পাৰিছে। এতিয়া তোমালোকৰ মাজৰ পৰা মোক প্ৰশ্ন কৰিবলৈ সাজু হৈছা কিজানি মই যদি ছাত্ৰই নহওঁ তেন্তে কেনেকৈ দশম মান শ্ৰেণী পালো বা হাইয়াৰ ছেকেণ্ডাৰী ২য় বৰ্ষ পালো। অথবা অমুক কেনেকৈ হাইয়াৰ ছেকেণ্ডাৰী প্ৰথম বৰ্ষ বা ডিগ্ৰী ক্লাচ পালে ? ইয়াৰ আচল ৰহস্য যদি প্ৰকাশ কৰো তেন্তে তোমালোকে মোক আৰু বেয়া পাবা। তথাপি কওঁ, সেয়া হল পৰীক্ষা হলত তোমালোকে অতি কষ্ট আৰু আশাৰে বহন কৰা টোপলাবোৰৰ আশীৰ্ব্বাদ। যি টোপলাৰ কোনোবা এখিলা পাত পৰীক্ষকৰ চকুত পৰাৰ লগে লগে সেই ছাৰজনক তোমালোকে অকথ্য ভাষাৰে বহুত গালি দিছা, বহুত অভিশাপ দিছা। তোমালোকৰ অনুৰূপ পৰীক্ষা হলত বহি থাকি যাক মই সহ্য কৰিব পৰা নাই। যিকিনহওক, এই টোপোলাৰ আশীৰ্ব্বাদে তোমালোকক বা তোমালোকৰ প্ৰিয়জনক মাথো এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ আগবঢ়াতহে সহায় কৰিছে। কিন্তু তাৰ ক্ষমতা সিমানেই First Division বা Stand কৰাৰ ওচৰেদি সি যাব নোৱাৰে কেতিয়াও।

গতিকে দেখা তোমালোক আৰু তোমালোকৰ প্ৰিয়জনক সমাজে শিক্ষিত বুলি মানিব সঁচা; চৰকাৰেও মানিব কিন্তু কেৱল মুখেৰেহে অন্তৰেৰে নহয়। কাৰণ আজিকালি চাকৰি দিয়াৰ ক্ষেত্ৰত মেৰিড ব্যাছিহ্নতহে দিয়া হয়। টকা পইচাৰ কথাটো ভাবো পাহৃত। প্ৰথমতে নম্বৰৰ অধিকাৰী সকলকহে মাতা হয়। বাকী কাকো নহয়।

তেন্তে তোমালোকেই কোৱা পৃথিৱীৰ কোন ঠাইত তোমালোকৰ আসন। অভিভাৱকৰ আশীৰ্ব্বাদৰ পৰাতো আগতেই বঞ্চিত এতিয়া চৰকাৰৰ ফালৰ পৰাও অনুৰূপ ব্যৱহাৰ। নহয় জানো ? মৰমৰ ভনী আৰু বাইহত মোৰ কথালৈ অলপ কাণ দিবা। ডেকাৰ চকুত চমক লগাওঁতে ভাবি চিন্তি লগাবা। ঠিক তোমালোকৰ অনুৰূপ ডেকাহতক চমক খুৱালে কিন্তু জীৱন অসাৰ হোৱাৰ সম্ভাৱনা বাৰু কৈয়ে আছে। লিখা পঢ়াত অধ্যৱসায়ী ডেকাৰ চকুৰ আগত বিজুলী ঢেৰেকনি মৰাৰ চেষ্টা নকৰিবা। বিফল হবা, লাজ পাবা। এনেকি ডাঙৰ বিপদ আহিব পাৰে জীৱনত।

এই দুই ধৰণৰ ডেকাক যদি বাছি চলিব পাৰা আপোনা আপুনি স্বাৱলম্বী হব তোমালোকৰ জীৱন। কাৰো মূখাপেক্ষী হব নালাগিব। তেতিয়া তোমালোকেও হবা বাস্তৱ পৃথিৱীৰ মানুহ। উদ্দেশ্যমূখী হব তোমালোকৰ জীৱন।

বহুত লিখিলো আৰু অলপ লিখিব বিচাৰো মোৰ ধাৰণা ওপৰত উল্লেখ কৰা এইদৰে ছোৱালী জীৱনৰ অধঃপতনৰ কাৰকসমূহৰ মূলতে আছে অভিভাৱকৰ অলপ অসাৱধানতা। এই প্ৰসঙ্গতে মোৰ বিশেষ জ্ঞান নাথাকিলেও সংকীৰ্ণ এই ব্যক্তিগত জীৱনৰ সামান্য অভিজ্ঞতাকে দাঙি ধৰিছো অভিভাৱকে সন্তানক অত্যধিক মৰমত ৰাখিব লাগে। তেতিয়া তেখেতৰ ওপৰত সন্তানৰ শ্ৰদ্ধাভক্তি অধিক থাকে। সেই ভক্তিয়ে সন্তানক বাধ্য কৰায় অভিভাৱকৰ যিকোনো আদেশ পালন কৰাবলৈ। কাৰণ মোৰ স্পষ্ট মনত আছে কেচুৱাৰে পৰা আজিলৈকে মাক দেউতাকৰ মুখৰ কোনো টান কথা শুনা নাই। গতিকে দৈনন্দিন জীৱনত সন্মূখীন হোৱা প্ৰত্যেকটো কামতে মোৰ ভৰা চিন্তা আহে মাকে কামটো ভাল পাবনে বেয়া পাব। উদাহৰণ স্বৰূপে সৰু কালতে স্কুললৈ গৈ কোনোৱাই মোক ফুৰিবলৈ বা খেলিবলৈ যাবলৈ কলে মই যোৱা নাছিলো। সেইটোতো মা ই বেয়াও পাব পাৰে। গতিকে যিদিনা মাৰ পৰা পাৰমিছন লৈ গৈছিলো সিদিনাহে গৈছিলো।

আন এটা ঘটনা মোৰ মনত পৰে তেতিয়া মই প্ৰথম কি দ্বিতীয় মানত পঢ়ো। ঈদৰ দিনাখন মই ওচৰৰ এঘৰত গৈছো। ভৰদুপৰীয়া এটা প্ৰাণীও ঘৰত নাই। ঘৰৰ বেৰৰ বাহিৰফালে গুজি থোৱা আছে ধুনীয়া ফণি এখন। মোৰ আনিবৰ মন গ'ল আহি মাকক কলো। মা-ই মোক মানা কৰিলে আৰু তেনেকুৱা এটা কিনি দিব বুলি কলে। মই কলো, নহয় মা ধুনীয়াৰ বাবে নহয়, সিহত আমাৰ কত বস্তু লয়। এটা আনিলে অলপ প্ৰতিশোটহে হব, পাপতো নহয়। কিন্তু মা মোক বুজনি দিলে ত্যাগৰ বিনিময়ৰ কথা। এনেকৈ বাটৰ বস্তুও বুটলি নানিবলৈ উপদেশ দিলে।

আন এদিনৰ কথা ডাঙৰ ভায়েকে তেওঁৰ কলম এটা বিচাৰি নাপাই মোক সুধিলে— লোৱা নাই বুলি উত্তৰ দিছিলো। (অৱশ্যে মাজে মাজে মই তাক নোসোধাকৈ লৈছিলোও) মই আঁৰৰ পৰা শুনিলো মোক সন্দেহ কৰি মাৰ আগত গোচৰ দিলে

মাই কলে, " তুমি ভালকৈ বিচাৰি চাবা, কাৰণ তাইতো কেতিয়াও মিছা কথা নকয় । ললে স্বীকাৰ কৰিলেহেতেন ।" সিদিনাৰ পৰা মই দৃঢ় প্ৰতিজ্ঞ হলো কেতিয়াও মিছা কথা কোৱা নচলিব কিয়নো মোৰ সত্যতাৰ ওপৰত মোৰ দৃঢ় বিশ্বাস আছে । এনেদৰে বহুত ঘটনা ঘটিছিল । কেতিয়া কেতিয়াবা মই স্কুলৰ পৰা আহি মাৰ আগত কৈছিলো আমাৰ স্কুলৰ ছোৱালী কিছুমানে ইমান কাপোৰ ব্যৱহাৰ কৰে । নিতৌ নতুন নতুন কাপোৰ পিন্ধি আহে । তেওঁ মোক কৈছিল, "কেতিয়াও সেইটো আশা নকৰিবা । তেনে ছোৱালীক মানুহে ভাল বুলি নকয় । ই লিখা পঢ়াত সহায় নকৰে বৰঞ্চ ব্যাঘাতহে কৰে । যেতিয়া অতিৰিক্ত পোছাক ব্যৱহাৰ কৰিবা তেতিয়া সেই ফালেদি মনটো প্ৰতিযোগী হৈ উঠিব আৰু লিখা পঢ়াৰ কথা পাহৰাই দিব । আকৌ বাহ্যিক সাজসজ্জাই মানুহক কেতিয়াও ডাঙৰ কৰিব নোৱাৰে এইদৰে বহুত কথা কৈ সদৌ শেষত হজৰত মহম্মদ (ছাঃ) আৰু মহাত্মা গান্ধীৰ জীৱনৰ দৃষ্টান্ত বৰ্ণনা কৰি মোক একেবাৰে শান্ত কৰি থৈছে ।

আৰু বেছি নিলিখো এটাকথা উল্লেখ কৰিয়ে সামৰিছো । আমাৰ বিদ্যালয়খনৰ দশম শ্ৰেণীৰ ছাত্ৰী কেইজনমানে (যিসকলে ফাইনেল পৰীক্ষাত কেইবাৰো বহিছিল) মোক নিজৰ সৰু ভনীৰ দৰে মৰম কৰি বহুত পৰামৰ্শ দিছিল যে "তুমি যদি মূঠেই নকল কৰিব নিশিকা ফাইনেল পৰীক্ষাত কেতিয়াও পাছ কৰিব নোৱাৰিবা । যিমানেই সৎ সাধু আৰু বুদ্ধিমান ছাত্ৰই নহওক ফাইনেল পৰীক্ষাত নকল কৰিবই লাগে । নহলে পাছ নকৰে" । তেওঁলোকে মোক বিষয়টোলৈ বহুতবাৰ পেংলাইছিল । মইয়ো আশ্বাস দিছিলো ট্ৰেইনিংটো লম বুলি । কিন্তু কোনো পৰীক্ষাতে সাহস নহল । অৱশেষত HSLC Test পৰীক্ষা । শেষ পৰীক্ষাৰ আগদিনা আছিল সমাজ অধ্যয়ন পৰীক্ষা সময় ২ ঘণ্টা ৪৫ মিনিট উকলিল; মই নোৱাৰা প্ৰশ্নবোৰৰ মাজত এটা আছিল ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰৰ বিষয়ে । তিনিটা মনত আছিল বাকী ৪ টা মনত নাছিল । পিছত হলৰ পৰা ওলাই গৈ কিতাপৰ পাত খিলা ছিঙি আনি ঠিক ঠাক কৰি ললো । লিখিবলৈ চেষ্টা কৰিলো কিন্তু হাতখন কপিবলৈ ধৰিলে । আমাৰ ছাৰ এজনে আহি ধমকি দি থিয় কৰাই মোৰ পৰা পাতখিলা লৈ গ'ল । মই জনাপক্ষে তেখেতে নকল ধৰি কাকো শুধাই নেৰে । ভয়ত মই কঁপিবলৈ ধৰিলো ঘৰতগৈ কি উত্তৰ দিম । কিন্তু তেখেতে মোক বহিবলৈ দিলে । মনে মনে মই দৃঢ় প্ৰতিজ্ঞ হলো জীৱনেও মই এনে কাম দ্বুনাই নকৰো । সঁচাকৈয়ে নকৰিম । ছাৰজনক মই আন্তৰিক ধন্যবাদ জনালোঁ । (মাননীয় শিক্ষকজনৰ নাম এম, আকবৰ হুচাইন বি,এচ,ছি বৰ্ত্তমান এম, এ)

তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ । যদি তেখেতে সিদিনা মোক সুযোগ দিলেহেতেন ভৱিষ্যতে মই এজন পকা চোৰ হলোহেতেন কোনো সন্দেহ নাই ।

এতিয়া সকলোৰে পৰা ক্ষমা আৰু আশীৰ্ব্বাদ মাগিছোঁ । খোদা হাফিজ । ×





# গল্প

## ঃঃ কৰ্ত্তব্য ঃঃ

এম, মকবুল হুছেইন ।
ত্ৰি-বাৰ্ষিক স্নাতক মহলা, তৃতীয় বৰ্ষ
(আৰবী সন্মান)

আজি ৰাতিপুৱাৰে পৰা আনছাৰৰ ঘৰৰ ওচৰ পাজৰৰ সকলোৰে মনত এক অনাবিল আনন্দৰ সোঁত প্ৰবাহিত হোৱা পৰিলক্ষিত হ'ল । কিয়নো আজিৰ এই দিনটোতে আনছাৰে জীৱনৰ এটি পৰিপূৰ্ণতা লৈ ওভতিব সিহঁতৰ গাওঁলৈ । সকলোৱে জুম বান্ধি অপেক্ষা কৰি আছে আনছাৰৰ আগমনত । সেইসকলৰ মাজত তাল মিলাই ৰৈ আছিল ৪৫ বছৰ বয়সীয়া এজনী তিৰোতা । কিন্তু সেই উলাহ আনন্দৰ মাজত হঠাৎ যেন কিবা এটা মনত পৰি তিৰোতাজনী মাটিত ঢলি পৰিল । চাৰিওফালে কি হ'ল কি হ'ল বুলি হৈ-চৈ লগালে । ইতিমধ্যে আনছাৰ আহি ঘটনাস্থলী পায়হি । ঘটনাৰ একো ভাল ধৰিব নোৱাৰি আথেবেথে আৰু তাক সুধিলে । কিন্তু প্ৰকৃততে ঘটনাটো ঘটাৰ কাৰণ কোনেও জনা নাছিল । হয়তো তেওঁ এম, বি, বি, এছ ডিগ্ৰীধাৰী হৈ অহাৰ অপাৰ আনন্দৰ কাৰণে তাৰ মাকৰ এনেকুৱা অৱস্থা হৈছে বুলি আনছাৰে ভাৱিলে । সেই হিচাবে কথাটো তেওঁ দকৈ গমি নাচালে । প্ৰিয় পাঠক, পাঠিকা আপোনালোকে ঘটনাটো ঘটাৰ কাৰণ যিকে ভাৱি নলয় কিয় আচলতে ঘটনা এনে ধৰণৰ ।

লতিফাৰ ঘৰ আছিল হামদান চহৰৰ ওচৰত থকা এটা সৰু গাওঁত । নাম বেলাডোনা । গাওঁখনৰ মাজেৰে এখন প্ৰবাহিত নদী বৈ গৈছে । গছ গছনি তথা ফল-ফুলেৰে জাতিস্কাৰময় আছিল বেলাডোনা । লতিফাৰ ঘৰ আছিল গাওঁখনৰ প্ৰায় পূৱ সীমান্তত । ঘৰখনৰ চাৰিওফালে আগুৰি আছিল বিভিন্ন তৰহৰ ফল-ফুলনিৰ জেউৰা লগতে সিহঁতৰ ওপৰেদি উৰি ফুৰি মৌ গোটোৱা ভিন্ন ধৰণৰ মৌ-মাখিসমূহ । ইয়াৰোপৰি ঘৰৰ সন্মুখেদি বৈ যোৱা নদীখনৰ কুলু কুলু শব্দই এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি কৰাত এনেভাৱ হয় যেন ই এটি স্বৰ্গপুৰী হে ।

লতিফাৰ বয়স যেতিয়া ১৫/১৬ বছৰ

তেতিয়া তাই দশম শ্ৰেণীৰ ছাত্ৰী। তাই এতিয়া মাক দেউতাকৰ চকুত পূৰ্ণ বুজমান। হঠাত কোনো এটা শিক্ষা অনুষ্ঠানৰ আদৰণি সভাত তাইক মতা হ'ল অতিথি শিল্পী হিচাবে। লগতে কতৃপক্ষই মাতিছিল মুকুল নামৰ এজন শিল্পী তথা একক অভিনেতাক। জীৱনৰ আগ-বুলনিত যদিও লতিকাৰ লগত মুকুলৰ কোনো সম্বন্ধ নাছিল তথাপি সেই অনুষ্ঠানত দুয়ো গায়ক গায়িকা হিচাবে হৈ যোৱাত সিহঁতৰ মাজত ভাল পৰিচয় হ'ল। মুকুলৰ গানত আকৃষ্ট হৈ লতিকাৰ বাপেকে কিছু পুৰস্কাৰো দি তেখেতৰ ঘৰত নিমন্ত্ৰণ জনালে। মুকুল আছিল সুন্দৰ সুঠাম দেহাৰ। চুলি কেকোৰা, নাক জোঙা, ওঠযুৰি বেছ মিহি, চকুযুৰি বৰকৈ মৰম লগা।

নিমন্ত্ৰণ অনুযায়ী মুকুলে লতিকাৰ ঘৰলৈ গ'ল। লতিকাই তেওঁক আপ্যায়ন কৰিলে। ইতিমধ্যে সিহঁতৰ মাজত বহু-ধৰণৰ আলোচনা হ'ল। সাৰমৰ্ম্ম আছিল গা···ন আৰু প্ৰে······ম। উভয়ে বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰাত মুকুলে কৈছিল এইচ. এছ, ছি (বিজ্ঞান) চূড়ান্ত পৰীক্ষা দিয়া বুলি আৰু লতিকাই এইচ. এছ, এল ছি বুলি কলে। লতিকাৰ শেষৰ প্ৰশ্নটো যদিও সিমান গুৰুত্বপূৰ্ণ নাছিল তথাপি প্ৰকাশ নকৰি থাকিব নোৱাৰিলোঁ।

লতিফা— আপুনি দেখোন বেছ ভাল গাব পাৰে।

মুকুল— হাঁহি হাঁহি কলে— "আপুনি ?"

লতিফা আপুনি কাৰোবাক ভাল পায় নে ?

মুকুল— অ, পাওঁতো মাক, দেউতাক, ভাই ভনীক, লগৰীয়া বন্ধু বৰ্গক লগতে ওচৰ চুবুৰীয়াক।

লতিফা— অন্তৰৰ পৰা কোনো ছোৱালীক ········ ?

মুকুল— সন্মুখত যিজনী থিয় হৈ আছে তাক মই ······· । তুমিও ?

লতিফা— ৰ-লাগি চাই থাকিল কেৱল তেওঁৰ চকুৰ ফালে।

মনটো লতিফাৰ ঘৰত এৰি থৈ বিদায় লৈ তাৰ পৰা গুচি গ'ল।

দুই মাহ পিছত দুয়োৰ ফলাফল ওলাল। বেছ উভয়ে প্ৰথম স্থান লাভ কৰি পাছ কৰিলে। লতিফা আৰু মুকুলে একেখন মহাবিদ্যালয়ত ভৰ্ত্তি হ'ল। এজন স্নাতক মহলা (বিজ্ঞান শাখা) আৰু আনজনী এইচ, এছ ছি কলা শাখাত। দুয়োজনৰ লগত এতিয়া কথোপকথন খোলা-খুলি ভাৱে চলিছিল। কেতিয়াবা হয়তো মুকুলে তাইৰ ঘৰত গৈ দুই এদিন থাকি আহে। এইদৰে দুয়োৰে মাজত সম্পৰ্ক গভীৰৰ পৰা গভীৰতৰ হৈ উঠিল। লগতে লতিফাৰ পৰিয়ালৰ লগত ভাল সম্পৰ্ক গঢ়ি উঠিল। ইতিমধ্যে লতিফাই গ্ৰেজুয়েশনটো ললে আৰু মুকুলে এম, এছ. ছি. ডিগ্ৰীৰ পৰীক্ষা দি ঘৰলৈ উভতিলে।

লতিফা গাভৰু ছোৱালী। ইফালে মাক-দেউতাই ভাবিলে ছোৱালীৰ পঢ়া শুনা ভালেই হ'ল। এতিয়া তাইক বিয়াটো দিব পাৰিলেই আমাৰ দায়িত্বৰ ওৰ পৰে।





সেই হিচাবে ওচৰৰ এজন ল'ৰাৰ লগত একপ্ৰকাৰ ঠিকেই হ'ল লতিকাৰ বিয়া। অকস্মাত কথাটো জানিব পাৰি তাই পাগলিনীৰ দৰে হৈ বিয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। মাক-দেউতাকে বহু বুজনি দিয়াৰ পিছতো যেতিয়া তাইক সেও মানিব নোৱাৰিলে তেতিয়া বাধ্য হৈ মুকুলক মতাই আনি তাৰ মতামত ললে। প্ৰশ্নৰ অৱতাৰণা কৰাত মুকুলে কলে "মই তাইক ভাল পাওঁ।" মোৰ ইচ্ছা তাইক জীৱন সঙ্গীনী হিচাবে পোৱাটো। তথাপি মোৰ দেউতাকক কথাটো হলে জনাব লাগিব। তেতিয়া লতিফাৰ দেউতাকে মুকুলৰ ঘৰত ওলাল বিয়াৰ পয়গাম লৈ। বহুতো খকুৱা আলাপ আলোচনাৰ পিছত হঠাত বিয়া প্ৰসঙ্গটো উঠাত লতিফাৰ দেউতাকে কলে — "মই লতিকাৰ বিয়া এজন ল'ৰাৰ লগত ঠিক কৰিছিলোঁ। কিন্তু তাই সেই বিয়াত সন্মত নহ'ল। আপোনাৰ ল'ৰাৰ লগত হেনো তাইৰ বহুদিনৰ পৰা পৰিচয় আছে। দুয়োজনে দুয়োক ভাল পায়। আমি ইতিমধ্যে মুকুলৰ মতামত ললোঁ। তাৰ কোনো আপত্তি নাই। তেন্তে আমি তুৰন্তে বিয়াখন ············।" মুকুলৰ দেউতাকে এই কথা শুনি কলে — "নাই, নাই। আপোনাৰ ছোৱালীৰ লগত মোৰ ল'ৰাৰ পৰিণয় হব নোৱাৰে। আমাৰ এটা ওজন আছে নহয়। সমাজত মান সন্মানৰ এটা কথা আছে নহয়। আপোনাৰ দৰে মধ্যবিত্ত ঘৰত মোৰ ল'ৰাৰ বিয়া নহয়। ইতিমধ্যে আমি বেলেগ এজনৰ ছোৱালীৰ লগত তাৰ বিয়া ঠিক কৰি থৈছোঁ। গতিকে আপুনি অইন ব্যৱস্থা কৰক।" বেচেৰা লতিফাৰ বাপেকে বুজি পাইছিল সচাঁইতো তেওঁৰ দৰে মধ্যবিত্ত মানুহৰ ছোৱালী এজনীয়ে কেনেকৈনো ইমান সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা এটাৰ স্ত্ৰী হোৱাৰ আশা কৰিব পাৰে ? তেওঁ মুকুলৰ ঘৰলৈ গৈছিল কাৰণ তেওঁ লতিফাক একমাত্ৰ সন্তান হিচাবে বৰ ভাল পাইছিল। তাইৰ মনৰ বেদনা বুজি পাইছিল আৰু তাইৰ ভৱিষ্যত জীৱনৰ সুখ কামনা কৰি সকলো দ্বিধা-সংকোচ পেলাই মুকুলৰ ঘৰলৈ আগবাঢ়িছিল। কিন্তু দুৰ্ভাগ্য বশতঃ মুকুলৰ দেউতাকে অপমান কৰাত এটি ভগ্ন মনোৰথলৈ ঘৰলৈ ফিৰি আহিল।

ইফালে লতিকাৰ মাকে আৰু লতিফাই বাট চাই আছিল কেতিয়া তাইৰ দেউতাকে ঘৰলৈ উভতি আহিব। যেতিয়া তেওঁ উভতিল তেতিয়া তেওঁৰ মুখৰ বৰণৰ পৰা বুজা গ'ল যে কিবা এটা অঘটন ঘটিছে। লতিফা তাইৰ দেউতাকক আহি থকা দেখি আথে-বেথে সুধিলে — দেউতা, তোমাৰ কি হৈছে ? তোমাৰ মুখখন দেখোন শেতা পৰি আছে।" লতিফাৰ দেউতাকে নীৰৱ থকাত আকৌ সুধিলে — "কি হ'ল, নেকোৱা কিয় ?" কথাষাৰ শুনি লতিফাৰ দেউতাকে কান্দি কান্দি কলে — "তই তাক পাহৰি যা।" তোৰ লগত তাৰ বিয়া নহয়। কিয় দেউতা, কিয় নহয় ? কাৰণ তই জনম

লগি এজন হতভাগা মাষ্টৰৰ ঘৰত আৰু ভাল পোৱা গঢ়ি তুলিলি এজন উচ্চ বংশৰ ল'ৰাৰ লগত। তেন্তে মোৰ আশা পূৰণ নহয় নে? মইতো কোনো ভুল কৰা নাই। জ্ঞানীজনে কয় — "মানুহৰ মাজত কোনো ভেদাভেদ থাকিব নেলাগে।" এতিয়া দেখিছোঁ সেইসকলেহে ভেদাভেদৰ জন্মদাতা সিহঁতে মুখেৰে যি কয় কাৰ্য্যত তাৰ ওলোটাটো কৰে। কিয় এনে হয় দেউতা? মই নেজানো।

সেই দিনাৰ পৰা লতিফাই খোৱা লোৱা এৰি শোৱা পাটি ললেহি। শৰীৰৰ প্ৰতিও যত্ন নোলোৱা হ'ল। সদায় এটা চিন্তাই তাইৰ মূৰ ফুটবলৰ পথাৰৰ দৰে হ'ল। মই তেন্তে ভুল কৰিছোঁ নেকি? নহয়, নহয় মই কেতিয়াও ভুল কৰা নাই। তাই এবাৰ ভাবিলে মুকুলক মতাই আনি কথাটো কব। সেই কাৰণে নিজৰ আৰু মুকুলৰ চিন্তা কৰি কৰি শেষ মুহূৰ্ত্তত মুকুলক খবৰ পঠালে। খবৰ পাই মুকুল আহিল। ঘৰত আহি তেওঁ যি দেখিলে তাত তেওঁ হতবাক হৈ চাই থাকিল। সকলো নীৰৱ। সকলোৰে চকুত যেন বিগত দুটা দিনৰ চকুপানী লাগি আছে। তেওঁ লাহে লাহে লতিফাৰ কোঠালিৰ ফালে আগবাঢ়ি গ'ল। মুকুলক দেখি তাই তলফালে মুখ কৰি হুক-হুকাই কান্দিব ধৰিলে। ঘটনাৰ একো উমান নেপাই মুকুলে কিছু সময় নীৰৱে থিয় দি থাকি লাহেকৈ লতিফাৰ বিছনাৰ একাষত বহি তাইৰ মূৰত হাত বুলাই দি মাতিলে — লতিফা! কোনো উত্তৰ নাই। মাথো তাইৰ কান্দোন আৰু বেছিহে হ'ল। এইবাৰ মুকুলৰ ধৈৰ্য্য হেৰাই গ'ল। তেওঁ লতিফাক জোকাৰি দি কলে-কি হৈছে লতিফা? নোকোৱা কিয়? তোমাৰ মা দেউতাক দেখিলোঁ একেবাৰে নিস্তব্ধ হৈ বহি আছে আৰু তুমিও ইয়াত বহি কান্দি আছা। কোৱা কি হৈছে? লতিফাই মাথো লাহেকৈ কলে — মুকুল দা, তুমি আৰু মোৰ ঘৰত নাহিবা। তোমাৰ সন্মানৰ লাঘৱ হব। এই কথা শুনি মুকুলৰ মূৰত যেন সৰগ ভাগি পৰিল। তেওঁৰ যেন হিতাহিত জ্ঞান লোপ পালে। তেওঁ প্ৰায় চিঞৰি চিঞৰি কলে— কিয়, কিয়? মই কি বেয়া কাম কৰিলোঁ। যাৰ বাবে মোৰ সন্মান লাঘৱ হ'ব আৰু তোমাৰ ঘৰৰ দুৱাৰ মোৰ কাৰণে বন্ধ হৈ যাব। "বেয়া কাম তুমি কৰা নাই মুকুল দা। তেনে কাম মইহে কৰিছো।" তুমি এইবোৰ কি কৈছা লতিফা? সচাই কৈছো, মুকুল দা। কিয়নো মই মধ্যবিত্ত এজন শিক্ষকৰ ঘৰত জন্মি এনেকুৱা এজন ল'ৰাক ভাল পালো যিজনে জন্মিলে উচ্চ পৰিয়ালত। এয়ে মোৰ অপৰাধ, মুকুল দা। মুকুলে দৃঢ় প্ৰতিজ্ঞাৰে তাইক বিয়া কৰাব বুলি প্ৰতিশ্ৰুতি দি তাৰ পৰা মেলানি মাগিলে। আশ্বাসবাণী পাই লতিফাই আগৰ দৰে স্বাভাৱিক হৈ উঠিল।

ইফালে মুকুলে ঘৰ পোৱাৰ লগে লগে





তাৰ দেউতাকে দ্বিতীয়বাৰ আৰু লতিফৰ ঘৰলৈ যাবলৈ মানা কৰিলে। আৰু তেওঁৰ বিয়া আন এজনী সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীৰ লগত ঠিক কৰিছে তাকো শুনালে তৎক্ষণাত মুকুলে কথাষাৰৰ পূৰ্ণ বিৰোধিতা কৰিলে আৰু লতিফাৰ প্ৰেম তেওঁ বিসৰ্জন দিব নোৱাৰে লাগিলে ঘৰ এৰি দিয়াত আপত্তি নকৰে। মুকুলৰ দৃঢ় প্ৰতিজ্ঞাৰ কথা শুনি তেতিয়াই তাক ঘৰৰ পৰা ওলাই যাবলৈ কলে। কথামতে মুকুলেও কাম কৰিল।

এই ঘটনাৰ এবছৰৰ পিছত এটা শুভ দিনত দুয়োৰে পৰিণয় হয়। মুকুলে এতিয়া কলেজৰ অধ্যাপক। তাৰে যি পইচা পায় সেইখিনিৰেই দিনবোৰ ভালদৰে বাগৰি আছিল। বিয়াৰ দুইবছৰৰ মূৰত এটা লৰা সন্তানৰ জন্ম হ'ল। তাৰেই নাম হ'ল আ···ন···ছা · ৰ। আনছাৰৰ জন্মৰ পিছত তেওঁলোকৰ জীৱনত শান্তিৰ পখীটো আকৌ ফিৰি আহিল। আৰু দুয়ো পূৰ্ণ আনন্দৰে দিনবোৰ কটাব ধৰিলে। কিন্তু প্ৰকৃতিৰ কি লীলা! এই সুখ যেন তেওঁলোকৰ কাৰণে ক্ষন্তেকীয়া আছিল। যেতিয়া আনছাৰৰ বয়স ৫/৬ বছৰ তেতিয়া তেওঁ ক্লাচ ওৱানত পঢ়ে। ঠিক সেই বছৰত কলেজৰ পৰা আহোঁতে মুকুলৰ স্কুটাৰখন অকস্মাত একছিডেন্ট হ'ল। ফলত তেওঁ মূৰত বৰকৈ আঘাত পায়। বহুদিন চিকিৎসাৰ ফলত তেওঁ যদিও ভাল হয় কিন্তু সম্পূৰ্ণ ভাবে নহয়। ইফালে চাকৰি ৰিজাইন দিব লগাত পৰিল। লতিফা সংসাৰৰ কথা ভাবি ভাবি নিজেও পাগলীনিৰ দৰে হ'ল। কাৰণ পৰিয়ালৰ উপাৰ্জন কৰা আচল মানুহ একছিডেন্ট লগতে চাকৰিও ৰিজাইন দিয়ে। বেচেৰী লতিফাই কি কৰিব, কি নকৰিব প্ৰশ্নৰ সমাধান দিওতে নিজেই অপাৰগ হৈ উঠিল। ইতিমধ্যে মূৰৰ বিকাৰ ঘটি তাৰ ৬/৭ দিন পিছতেই মুকুলে ইহলীলা সম্বৰণ কৰে। ইফালে স্বামীক ভাগাই কাঢ়ি নিয়াত লতিফা সাগৰৰ মাজ ডোখৰত ভাঁহিবলৈ ধৰিলে। চাৰিও ফালে অন্ধকাৰ। এনে ভাবে কিছু দিন অতিক্ৰম হোৱাৰ পিছত স্বামীয়ে ৰাহি কৰি থৈ যোৱা টকাৰো মোনা খালি হ'ল লগতে নিজৰ পিন্ধা গহনা সমূহো বিক্ৰী কৰি শেষ কৰিলে। এনেতে তাইৰ ওপৰত গুৰু দায়িত্ব আহি পৰিল নিজে চলা আৰু আনছাৰক উপযুক্ত মানুহ কৰি গঢ়ি তোলা। এনেতে তাই তাইৰ নিজা গাৱত কেইটামান টিউশ্বন ললে। আৰু চৰকাৰৰ ওচৰত চাকৰিৰ কাৰণে আবেদন কৰি থাকিল। ভা··· গ্য ·····ই যেন তাইৰ প্ৰতি প্ৰসন্ন হ'ল। অৰ্থাৎ ছয় মাহ মান পিছতেই এটা ছোৱালী হাইস্কুলৰ এছিছটেন্ট পদত নিযুক্তি পালে।

ইতিমধ্যে আনছাৰে দশম শ্ৰেণী পালেহি। মাকৰ তত্বাৱধানত তেওঁ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰি উত্তীৰ্ণ হ'ল। প্ৰি; ইউনিভাৰছিটিত নাম ভৰ্ত্তি কৰালে বিজ্ঞান শাখাত পঢ়া। গুনা

ভালেই চলিল । এতিয়া আনছাৰে ঘৰৰ অৱস্থা তথা নিজৰ জীৱনৰ কথা কম পৰিমাণে হলেও চিন্তা কৰিব ধৰিলে । চুড়ান্ত পৰীক্ষা আছিল । ভালে ভালে পৰীক্ষা দিলে । কিছু দিনৰ পিছত ফলাফল ওলাল । বাঃ আগৰ দৰেই আনছাৰৰ ৰেজাল্ট এইবাৰো । অৰ্থাৎ প্ৰথম বিভাগ লাভ কৰিছে । ফলাফল শুনি মাকৰ আনন্দই কুলাই পাচিয়ে নধৰা হ'ল । কাৰণ তাইৰ চেষ্টা সফল হৈছে । আনছাৰক পঢ়াম নপঢ়াম বুলি ভাবি থাকোতে থাকোতে হঠাত পঢ়াম বুলিয়েই ঠিক কৰিলে আৰু এম, বি, বি, এছ ক্লাচত ভৰ্তি কৰাই দিলে দিল্লী জাকিৰ হুছেইন ইউনিভাৰছিটিত ।

আনছাৰৰ মনত আনন্দ । তেওঁ আজি ডাঃ হব । সেই কাৰণে মনযোগেৰে পঢ়ি থাকিল । পৰীক্ষা আহিলত মাকলৈ চিঠি লিখিলে । পৰীক্ষাৰ দুই তিনি দিন পাৰ হৈ যোৱাৰ পিছতো এটা চিঠি পঠালে । যাৰ সাৰমৰ্ম আছিল "পৰীক্ষা ভাল" হোৱা বুলি । মাকৰ মনত খুউব আনন্দ । নিজৰ ল'ৰা ডাক্তৰ হব ।

এম. বি. বি, এচ ডিগ্ৰী লৈ যিদিনা ঘৰত আহিব সেইদিনাখন ঘৰত আত্মীয়স্বজন, সমজুৱা সকলে উৎসৱ পাতি ঝুম বান্ধি বৈ আছিল আনছাৰৰ ঘৰৰ সন্মুখত । তাৰ মাজত আছিল লতিফাও । এই সকলো বিলাকৰ মনত খুউব আনন্দ নহয়নে ? স্পেচিয়েলি কাৰ মনত বেছি আনন্দ, পাঠক পাঠিকাসকল ? ডাঃ আনছাৰৰ মা বিধৱা ল......তি......ফা...ৰ । ৰাস্তাত আনছাৰক দেখা পোৱা মাত্ৰকে লগৰীয়া সকলে তেওঁক সম্ভাষণ জনাবলৈ আগবাঢ়ি গ'ল । ঘৰৰ দুৱাৰমুখত আহিয়েই মাকৰ ফালে চাই দেখিলে তাইক অচেতন অৱস্থাত । তাৰ কাৰণ নো কি ? ইয়াৰ উত্তৰৰ ভাৰ পাঠক পাঠিকাসকৰ ওপৰত অৰ্পন কৰিলোঁ ।

যি কি নহওঁক, লতিফা অচেতনৰ পৰা সচেতন হ'ল । তেতিয়া আনছাৰে সুধিলে — "মা, তুমি এনে হৈছিলা কিয় ? তেতিয়া বেচেৰী লতিফাৰ চকুৰেদি ৰিব্ ৰিব্ কৈ পৱিত্ৰ পানী ওলাই আহিল আৰু ক'ব ধৰিলে তাইৰ জীৱন বৃত্তান্ত লগতে বৰ্তমান অৱস্থাৰ কথা । লগতে আৰু কলে - যেতিয়া তোৰ বাপেকে মৃত্যু বৰণ কৰিলে - তেতিয়া মই তোক লৈ বিৰাট এটা বেমেজালিত পৰিছিলোঁ । কিন্তু আনন্দৰ কথা তোক যে মই ডাঃ বনাব পাৰিম সিটো আছিল অস্বাভাবিক । এতিয়া তই সমাজ সেৱা কৰাৰ উপযুক্ত হৈছা ।"

কথাবিলাক ভাঙি পাতি শুনাৰ লগে লগে ডাঃ আনছাৰৰ চকুৰ পানীয়ে গাল মূখ উপচি পৰিল । আৰু তেওঁ কবলৈ ধৰিলে— "তুমি যাৰ কাৰণে যি ঋণ ত্যাগ কৰিলা তাক মই কেনেকৈ শুধৰাম মা ? আন আন বিধৱা মাকৰ দৰে হ'লে হয়তো মই আজি ফুটপথত কাম কৰিবলগীয়া হ'লহেতেন । মই ঈশ্বৰক ধন্যবাদ জ্ঞাপন কৰি আশা কৰিছোঁ যে অসমৰ প্ৰতিটো ঘৰে ঘৰে তোমাৰ দৰে মাকৰ জন্ম হওঁক !" কথাবিলাক শুনি লতিফাৰ চকুৰ পৰা পানী ওলাই আহিল আৰু ডাঃ আনছাৰক সাৱটি ধৰি কবলৈ ধৰিলে — "মই মোৰ কৰ্ত্তব্য পালন কৰিছোঁ বোপা ! লৰাৰ প্ৰতি মাকৰ ক......ৰ্ত্ত ......ব্য ।"



চুটি গল্প

# ।। গল্প লিখা নহ'ল ।।

গিয়াসুদ্দিন আহমেদ
টি,ডি,ছি, ২য় বাৰ্ষিক

লেম্পটো নুমাই দিও ভালেখিনি সময় পাৰ হৈ গ'ল । তথাপি টুপনি ধৰা নাই । গাটো বেচ্ উচ্পিচ কৰিবলৈ ধৰিলে । উঠি বহিলো । লেম্পটো আকৌ জ্বলাই দি ঘড়ীটো চালো প্ৰায় এঘাৰটা বাজেই । ভাবিলো বাহিৰত অলপ ঘূৰি-ফুৰি আহি আকৌ শুই পৰো । এবাৰ ভাবিলো ওচৰৰে বন্ধুজনৰ ঘৰলৈ অলপ গল্প গোজৰ কৰি আহো । কিন্তু ইমান ৰাতিত আনৰ ঘৰলৈ যোৱাটো অস্বাভাবিক লাগিল । সেয়ে বহি বহি ইটো সিটো ভাবিব ধৰিলো । হঠাৎ মনত জাগি উঠিল সেই বহু দিনৰ প্ৰত্যাশিত হেঁপাহ এটি গল্প লিখাৰ । লগে লগেই মনত পৰিল যোৱা কলেজ সপ্তাহৰ কথা । কলেজ সপ্তাহত কেইজনমান বন্ধুয়ে কি আজে-বাজে গল্প লিখি কি ধুনীয়া ধুনীয়া পুৰস্কাৰ লাভ কৰিলে । আগতে জনা হলে ময়ো নিশ্চয় দুই এটা পুৰস্কাৰ টালিলোহেঁতেন ।

যাওঁক, সেইবোৰ থাকক । মোক পুৰস্কাৰ নেলাগে । মই সমাজৰ বাস্তৱ ঘটনালৈ এনে এটি গল্প লিখিম যেন সমাজৰ মানুহে গল্পটোৰ পৰা উপকৃত হৈ সুদূৰ ভৱিষ্যতত তেনে কলংকিত নিকৃষ্ট আৰু দূৰ্বল্যতা নেওচি বহুদূৰ আগুৱাই আহে সভ্যতাৰ পোহৰলৈ । কিন্তু কোনটো বিষয়লৈ লিখিম ? মনত বহুতো ঢৌ খেলালে । এবাৰ ইটো এবাৰ সিটো এইদৰে বহুতো বিষয়ত লিখাৰ বাবে । মই কিন্তু ধীৰ ভাবেই বহি থাকিলো কোনোটোকেই সমৰ্থন নকৰি । এইবাৰ সুস্থ ভাবেই মনত পৰিল নিঃকিন দৰিদ্ৰ লেবু চাচাৰ কথা । দৰিদ্ৰ হোৱা বাবেই তাৰ জীৱনত কি আলই আথানি । সমাজত তাৰ স্থান কি আচৰিত ধৰণৰ ।

বেচেৰাই জমিদাৰ যেন আব্দুল কৰিমৰ ঘৰৰ গুৰিতেই বাস কৰিছিল । সি বৰ দুৰ্বল মানুহ । সৰল সহজ কামবন কৰি আৰু সাধাৰণতে খুজি মাগিয়েই পেট প্ৰৱৰ্ত্তন কৰিছিল । এবাৰ হঠাৎ গাটো অসুস্থ হৈ পৰাত আটাইতকৈ মৰমৰ বস্তু নিজৰ জীৱনটোক বচাই ৰাখিবৰ বাবে অন্ন মুঠি সংগ্ৰহ

কৰাত অসমৰ্থ হৈ পৰিল। অৱশেষত বেচেৰাই লাহে লাহে কৰিমৰ ঘৰলৈ গ'ল। গৈ দেখিলে তেওঁলোকে প্ৰত্যেকেই দুপৰীয়া সাজৰ ভাতৰ পাতত বহিছে। বাটিৰ পৰা আঞ্জা ঢালিলৈ সোঁহাতেৰে ভাত তুলি তুলি খাব ধৰিছে। বেচেৰাই তেতিয়া কৰুণ ভাবে কবলৈ ধৰিলে "খুৰাদেউ, যোৱা ৰাতিৰ পৰা আজিও বেলি হৈ গ'ল পেটত একো দিব পৰা নাই। অনুগ্ৰহ কৰি ····· বেচেৰাৰ কথা শেষ নহওতেই বৰ সভাৰ বক্তা যেন হৈ কৰিমে কবলৈ ধৰিলে "বুজিছো বুজিছো, আৰু কব নেলাগে। মূৰৰ ঘাম মাটিত পেলাই তোমালোকৰ বাবেই যেন ভঁড়ালত ধান চাউল জমা কৰি থোৱা হৈছে, খুজিলেই দি দিব লাগিব। বেচ এটা সুবিধা হৈছে, দেহক কষ্ট দি কাম বন নকৰি মুখৰ চেহেৰাটো অলপ কলা কৰি খুজিলেই চলি গ'ল দিনটো। তেওঁৰ কথা শুনি বেচেৰাই (লেবু) মূৰ্ত্তিৰ দৰে নিমাত হৈ থিয় হৈ ৰ'ল। তেওঁৰ (কৰিমৰ) যি ভাষণ যি যুক্তি সেই ফালৰ পৰা এইদৰে অধে মধে যাকে তাকে সহায় কৰাটো বিধিৰ বাহিৰত। অ, মই পাহৰি গলো। ভুলহে কৰিলো এনেকুৱা গল্প লিখিলে মানুহবোৰ কৃপণ আৰু অধিক ধন লুভীয়াহে হব। তাৰ পৰা সমাজৰ উপকাৰ হওক ছাৰি দুখীয়াবোৰক শুকুৱাই শুকুৱাই মাৰাহে হব। এনে গল্প মই নিলিখো।

তেন্তে কি গল্প লিখিম? কোনটো বিষয়ত লিখিলে সমাজৰ অধিক উপকাৰ সাধন হব। ডাঙৰ ডাঙৰ লেখকসকলৰ উদ্দেশ্য তেওঁলোকৰ লিখনিৰ জৰিয়তে মানুহৰ মনৰ চেতনা জগাই তুলি জীৱনৰ ঘাত প্ৰতিঘাত বাধা বিঘিনি নেওচি সাহস আৰু আনন্দৰ মাজেৰে আগুৱাই লৈ যোৱা উন্নতিৰ বাটত। মই যদিও লেখক নহও তথাপি তেওঁলোকৰ উদ্দেশ্য আৰু বিধিৰ বাহিৰত যাব নোৱাৰোঁ। সেয়া হ'লে সাহিত্য সমাজত এটা জগৰ লাগিব। অ, ভাবিবৰ কি আছে, সেই ফালৰ পৰা দেখোন আমাৰ সমাজৰেই মান্যবৰ লালচান চাহাবৰ কথাকেই লিখিব পাৰো। কেই বছৰ মানৰ ভিতৰেতেই তেওঁৰ সংসাৰ আৰু পৰিয়ালটো কি জাকত জিলিকা কৰি তুলিলে। ল'ৰা-ছোৱালীবোৰকো দূৰ দূৰণিৰ ভাল ভাল স্কুল কলেজত নাম লগাই দিলে উচ্চ শিক্ষাৰ বাবে। বাঃ কি ধুনীয়া প্লট এটাই ওলাই পৰিল মোৰ গল্প লিখাৰ বাবে। আচলতে এনেকুৱা আদৰ্শমূলক কাহিনীয়েই গল্পত স্থান পোৱা উচিত। তেওঁ বুদ্ধি, সাহস আৰু অশেষ চেষ্টাৰ বলত কেনেকৈ খোজে খোজে আগুৱাই গ'ল উন্নতিৰ বাটত, কথাষাৰ ফুটাই তুলিলেই মোৰ গল্পটোও লেখকসকলৰ উদ্দেশ্য মণ্ডিত হৈ পৰিব। আৰু তেওঁৰ জীৱনাদৰ্শ আগত ৰাখিলে নিশ্চয় সমাজে আগুৱাই যাব বহু ওপৰলৈ।

তেখেতে প্ৰথমতে আমাৰ দৰেই সাধাৰণ ভাবে জীৱন যাপন কৰিছিল। পিছত অশেষ কষ্টৰ মাধ্যমেৰে ইটো সিটোৰ বেহা





ব্যৱসায় কৰি ভালেখিনি ধন আৰ্জ্জিলে। এইদৰে সমাজত তেওঁ এজন ধনী মানুহ হিচাবেই স্বীকৃতি পোৱাৰ যোগ্য হৈ পৰিল। ধনীৰ কথা সকলোৱে মানে। লাহে লাহে তেওঁ সমাজৰ বৰমূৰীয়া হৈ পৰিল। তেওঁলৈ সকলোৰে চকু পৰিল। এবাৰ সময় সুবিধা বুজি গাৱঁৰ গাওঁবুঢ়া পদটো তেওঁকেই দিয়া হ'ল। সকলোৱে বুকুত এটি আশায় বিৰ-বিৰাব ধৰিলে নিশ্চয় তেওঁৰ নেতৃত্বত সমাজখনত এটি শান্তিময় পৰিবেশ বিৰাজ কৰিব।

তেওঁয়ো এনে এটা দায়িত্ব পাই ঘৰতেই বহি থকা মানুহ হৈ নাথাকিল। বেলিটো উঠিলেই খবাং বতৰ হ'ল বুলি বহুতো সাহায্য উলিয়াই আনে। বৰষুণ পৰি খাল বিলত পানী জমা হ'লেই *Over flood* হৈ গ'ল। তেওঁৰ কাম আৰু বাঢ়ি যায়। ক'ত কেনেকৈ কি কৰি বহুতো চাউল, আটা আৰু তেল উলিয়াই আনে। সমাজত সেইবোৰ পুৰা পুৰা কৰি বিলাইও দিয়ে। আকৌ নৈৰ বুকুৱেদি খাও খাও মূৰ্ত্তি ধৰি পানী আহি ঘৰ দুৱাৰ শস্য আদি উটুৱাই লৈ গ'লে সমাজৰ মানুহক বুজনি দিয়ে এইবাৰ গোটেই দেশতে বান পানীয়ে জুৰুলা কৰি পেলালে। চৰকাৰ অসমৰ্থ হৈ পৰিল সাহায্য দিবলৈ। কথাবোৰো সঁচাই যেন লাগে। যিয়েই নহওঁক এইদৰেই তেওঁ লহ লহকৈ আগবাঢ়ি গ'ল বহু ওপৰলৈ। কিন্তু এইখিনিতেই তেওঁৰ জীৱন বুৰঞ্জী শেষ নহয়। তেওঁৰ বিৰুদ্ধে সমাজৰ কোনোৱাই মাত মাতিলে আঁৱালৰ পৰা কেচ এটা লগাই দি তাক পুলিচত গতাই দিয়ে। আকৌ তেওঁক (আচামীক) উলিয়াই অনাৰ বাবে তেওঁৰ গৰু ছাগলী বিক্ৰি কৰি আনি দাৰোগাক হাঁহ মুৰ্গী কেইটা দি আচমীজনক উলিয়াই আনে। এইদৰে তেওঁ গাৱঁৰ মানুহবোৰক ল'ৰা-ছোৱালীৰ খেলনা পুতলাৰ দৰে নচুৱাব পাৰিছে। যেনেকৈয়ে নহওঁক কিয় তেওঁৰ সংসাৰখন কি ধুনীয়াকৈ সাজি নিজৰ ল'ৰা-ছোৱালীবোৰক কি সুন্দৰ ভাবে পোহপাল দি আছে। কেৱল সেয়াই নহয়, এইদৰে তেওঁ নিজৰ বুদ্ধি আৰু চেষ্টাৰ বলতে ·· অ, মই আকৌ ভুল কৰিলো। মই মহা মূৰ্খহে। এনেধৰণৰ গল্প লিখিলে আৰু মানুহে সেইবাৰ অনুকৰণ কৰিলে সমাজত শান্তি বিয়পিব দূৰৰ কথা সম্ভৱতঃ অশান্তিয়েও বাস কৰিবলৈ ঠাই নাপাব। নাই নাই এই গল্প মই নিলিখো। উহঃ। তেন্তে লিখো কোন বিষয়ত! অ, মই মিছাতে চিন্তা কৰি আছো। এইবাৰহে মনত পৰিল আচল কথা। দেশৰ শাসন নীতিৰ ওপৰতেই দেখুন ধুনীয়া গল্প লিখিব পাৰো। প্ৰত্যেক নাগৰিকেই দেশৰ শাসন প্ৰশাসন নিয়ম নীতিৰ বিষয়ে জানিলেহে তেওঁলোকৰ অধিকাৰ আৰু কৰ্ত্তব্য বজাই চলিব পাৰিব। প্ৰত্যেকেই নিজৰ নিজৰ স্বাৰ্থ আদায় কৰি লব পাৰিব। কোৰ্ট কাছাৰীৰ কথা কি লিখিম? এইবোৰ কথা কম বেছি পৰিমানে সকলোৱেই জানে। বিধায়ক সকলৰ

পৰাই আৰম্ভ কৰো । নহয়, এই বিলাকতো বৰ আনন্দজনক শাসন পদ্ধতি আৰু ৰাইজৰ সেৱাৰ কথা পোৱা নেযাব । সমাজত বৰপুৰুষ এজন সাজি এবাৰ কেনেবাকৈ বিধানসভা পোৱাৰ পিছত ৰাইজে কিবা আবেদন লৈ গ'লে এবাৰ বোলে ইটোৰ *Sanction* নাই এবাৰ বোলে সিটোৰ *Pension* নাই চৰকাৰে সুবিধা দিয়া নাই, অথচ প্ৰায়বোৰ বিধায়কৰ ঘৰতেই *air condition* যুক্ত *Building* থিয় হব ধৰে। তেওঁলোকৰ কথা বাদেই দিলো তেন্তে মন্ত্ৰী আদিৰ বিষয়েও লিখিম নেকি ? এওঁলোকৰ কথাই বা কি লিখিম । এবাৰ কোনোৱাই উচ্চ পদস্থ কিবা বিষয়া নাইবা মন্ত্ৰী এজন হব পাৰিলে চিন্তা হ'ল তেওঁৰ সাত পুৰুষৰ । বাকীবোৰৰ চিন্তা বাকীবোৰে কৰক । তেন্তে কাৰ বিষয়ত লিখিম ? বৰ মস্কিল হ'ল ।

এঃা ২টা বাজেই । ধেং ইমান ৰাতি লৈকে তিনি ঘণ্টা সময় কষ্ট কৰিও এটা গল্প লিখিব নোৱাৰিলো । নাই নেলাগে ইমান কষ্ট কৰি গল্প নিলিখো । ধেং মোৰ গল্প লিখাই নহ'ল । লেম্পটো নুমাই আকৌ শুই পৰিলো ।

—●—





চুটি গল্প

# দুখৰ নিশা—

নুৰুল ইছলাম আহমেদ
স্নাতক মহলা পহলা ভাগ
ৰাঃ বিঃ (আনাৰ্চ)

শীতৰ প্ৰকোপত ফৰমানৰ বুঢ়া হাড়ৰ প্ৰতিটো গাঠিয়েই কোচ খাই আছিল । নিৰ্মম এন্ধাৰ পৰাৰ পিহৰ পৰাই পূবৰ পৰা পশ্চিমলৈ হুৰ হুৰকৈ তীব্ৰ গতিৰে বতাহ বৈছিল । ঠাণ্ডায় মানুহৰ শত্ৰু স্বৰূপে থিয় দিছিল । প্ৰায়বোৰ মানুহেই জাৰৰ পৰা নিবাৰিত হবলৈ জোহালৰ জুই কুৰাৰ চাৰিওফালে বহি আছিল । যেন এটি শোকাবহ কাণ্ড । নিঃসহায় দৰিদ্ৰ মানুহবোৰে ফটাছিঙা কানি কাপোৰ, খেতা আদিৰে নিজৰ কপৌটোক কোনোমতে জাৰৰ কবলৰ পৰা ৰক্ষা পাইছিল; আৰু ধনী মানুহবোৰে ...... ...... ।

ফৰমান বুঢ়া নিচেই দৰিদ্ৰ মানুহ । নিজৰ বুলিবলৈ একোই নাই বুলি কলেও হয় । সংসাৰত মাত্ৰ এজন ল'ৰা আৰু পাঁচজনী ছোৱালী, সিও সকতে পৰৰ ঘৰত যাব লগা হ'ল । বাহেৰে চালনি, কুলা, পাচি আদি তৈয়াৰ কৰি কোনোমতে নিজৰ জীবিকা তথা পৰিয়ালটোক ভৰণপোষণ দিয়ে । কিন্তু আগৰে পৰাই বুঢ়াৰ লিখা পঢ়াৰ প্ৰতি খুউব ধাউতি । যাৰ বাবে প্ৰত্যেক জনী ছোৱালীকেই অলপ অচৰপ শিক্ষা হ'লেও দিছে । এনেকি বৰ্তমানেও ল'ৰা বাবুলক কলেজীয়া শিক্ষা দিয়ে । অৱশ্যে বুঢ়াই ক আখৰৰ চুকনো কেইটা সিও নেজানে । তথাপি জীৱনক উপেক্ষা কৰি, হাড়ে হিমজুয়ে খাটি হ'লেও বাবুলক শিক্ষিত কৰিবলৈ চেষ্টা কৰে । বাবুলে কলেজত স্নাতক মহলাত অধ্যায়ণ কৰে । ছাত্ৰ মোটামোটি বেয়া নহয় । বুঢ়া বাপেকৰ কষ্টৰ প্ৰতি লক্ষ্য কৰি বাবুলেও মনোযোগেৰে অধ্যায়ন কৰে । কিন্তু প্ৰত্যেক দিশ দিয়েই বাবুলৰ কষ্ট কৰিব লগা হয় । কেতিয়াবা নেখাইয়া দিনবোৰ কটাবলগীয়া হয় ।

বাবুলৰ মোমায়েক এজন চাকৰিয়াল ব্যক্তি । শুনা শুন শুনা যায়, ফৰমান বুঢ়াৰ মাজ বয়সত, যেতিয়া পথাৰত কাম কৰিবলৈ সমৰ্থবান আছিল বাবুলৰ মামাকো লিখা পঢ়াৰ কাৰণে যত্ন হৈছিল । এনেকি মাজে সময় ইটো নহয় সিটো নহ'লে

এটা কিতাপ. নহ'লে এটা কলমেই কিনি দিছিল। এইদৰে বাবুলৰ মাওঁ কালৰ সোঁতত এদিন বি, এছ, ছি. পাছ কৰি সুন্দৰ এটি চাকৰিত সোমাল। মাহে ওঠৰশ টকা দৰমহা পোৱা হ'ল। ফৰমানৰ কিমান যে আনন্দ! অৱশ্যে মাষ্টাৰৰ পইচাৰ প্ৰতি অলপো লালসা নাই। হব পাৰে সি নিচেই গৰীব, মনটো যে তেনেই ডাঙৰ হবলা। তেওঁ মাষ্টাৰৰ সুখ সুবিধা দেখিয়েই বিমল আনন্দ পায়। মাষ্টাৰে বিয়া বাৰু কৰি সংসাৰিক জীৱনত ভৰি দিলে। ল'ৰা-ছোৱালীৰ মুখ দেখিল। ঘৰ দুৱাৰবোৰ পকি কৰি পেলালে। ল'ৰা-ছোৱালীবোৰক লিখা পঢ়াত লগাই দিলে।

ইফালে বুঢ়া ফৰমানৰ অৱস্থা ক্ৰমে শোচনীয় হৈ আহিল। নিজৰ সামান্য পৰিয়ালটোকেই পোহপাল দিয়া যে অনেক কষ্ট। তাৰে মাজত বাবুলক আকৌ কলেজীয়া শিক্ষা দিব লগা হয়। হাড়ে হিমজুৱে খাটিও কেতিয়াবা হাতৌ মুখলৈ নেযায়।

তেওঁৰ মাটি সম্পত্তি অৱশ্যে নথকা নহয়। কিন্তু তাৰ প্ৰতিও যে ৰাক্ষসীনি কদাকাৰ আই নদীৰ লালসা। এচাপ-দুচাপ কৰি গোটেইখিনি জমিন গ্ৰাস কৰি পেলালে উপায় নেপাই বেচেৰাই বাহৰ ঢাৰি, টাপা, খালৈ আদি তৈয়াৰ কৰি, সেইবোৰ বজাৰত বেচি কোনোমতে জীৱিকা নিৰ্ব্বাহ কৰে।

মাষ্টাৰ বাবুৰ জানো এইবোৰ চকুত নপৰেনে? বাবুলক নিজৰ ঘৰত নি পঢ়োৱাব নোৱাৰেনে? মাষ্টাৰৰ ঘৰতো সদায় দুই-তিনিজন কৰি জাগিৰ আছেই; তাতনো বাবুলৰ দুমুঠি ভাত আৰু কাপোৰ কানি নুজুৰেনে? নিশ্চয় ···। কিন্তু তেওঁক ৰাখিলে যে মানুহে নিম্ন বুলি ঘিণ কৰিব। যিহেতু বাবুল দুখীয়াৰ ল'ৰা। তথাপি বাবুলৰ মনত কোনো দুখ নাই আৰু বুঢ়া ফৰমানৰ মনত অলপো বেজাৰ নাই। এদিন ফৰমানে মাষ্টাৰৰ ঘৰৰ উত্তৰ ফালে থকা গুদালগুৰি নামে বজাৰ এটাত খালৈ, বাচনী, চালনি আদি লৈ গৈছে। সেইবোৰ বিক্ৰী কৰাত অলপ ৰাতি হ'ল। যিটো নিশা আছিল অতিপাত ঠাণ্ডা। মানুহবোৰে ঘৰৰ বাহিৰত ওলাবলৈ সাহস কৰা নাছিল। ৰাতিটো আছিল তেনেই এন্ধাৰ; কৃষ্ণপক্ষৰ। ৰাস্তাবোৰ খহটিয়া। বুঢ়া মানুহ হিচাবে ফৰমানৰ ৰাস্তাৰে আহোঁতে কিমান যে কষ্ট; কিন্তু চাবলৈ কোনেও নাই। মনৰ মাজত হঠাৎ উথলি উঠিল মাষ্টাৰ বাবুৰ কথা। গতিকে লাহে লাহে সেই ঘৰৰ ফালে খোজ ললে। ঘৰটো নিচেই ওচৰত আছিল।

"মাষ্টাৰ ঘৰতনে?" বুলি ফৰমানে পাছ দুৱাৰৰ পৰা মাত লগালে।

"কোন, কোনে মাতিছ, যাব নোৱাৰো" বুলি অলপ খঙৰ সুৰতে মাষ্টাৰে কথাখিনি কৈছিল। অৱশ্যে বুজি পাইছিল যে, বৈনাই আহিছে। হলে কি হব সি যে নিচেই নিঃকিন। আগপাছ নুগুনি বেচেৰাই ৰব ৰব কৰি ঘৰৰ ভিতৰত সোমাই গল।





"মোৰ বিৰাট ঠাণ্ডা লাগিছে, অলপ জুইৰ ব্যৱস্থা কৰি দিয়ক" বুলি ফৰমানে আবদাৰ কৰিলে।

মাষ্টাৰে কলে – "যাওক সেই ৰান্ধনী ঘৰত জোহালৰ তাত চাওক চৌকাত জুই আছে।" বেচেৰাই ততালিকে তালৈ গৈ হাত ভৰিবোৰ অলপ সেকি আহিল। "ভাত আছেনে?" বুলি মাষ্টাৰে নিজৰ ঘৈনীয়েকক সুধিলে। 'হয় আছে, কিন্তু ····· ···।" "কিন্তু কি আকৌ, ঠাণ্ডাইতো, দি, ঘৰত কেতিয়াবা নেখাই থাকে, আৰু এতিয়া এইবোৰ মজা নেলাগিব নে"? এই বুলি কিন্তুৰ সমিধান মাষ্টাৰে ততালিকে দি দিলে। পিছত মাষ্টাৰৰ ঘৈনীয়েকে তাকেই কৰিলে। ফৰমানে কঁপি কঁপি অলপ কেইটা ভাত খাই শুবৰ ব্যৱস্থা বিচাৰিলে।

মাষ্টাৰে ঘৈনীয়েকক কলে – বুঢ়াক দুটা খেতা আৰু এটি পুৰণি গাৰু। মাষ্টাৰে ভাৱিছিল নিশ্চয় বুঢ়াৰ শৰীৰেদি দুৰগন্ধ ওলাব। যাৰ কাৰণে তালৈ এটি লেপ নিদিলে। পিছত স্বামীৰ কথানুসাৰে ঘৈনীয়েকৰ অৱশ্যে মনে মনে অলপ বেয়া লাগিছিল। হলে কি হব; সি যে পৰাধীন। পিছত ঢাৰা এটা চৰীত পাৰি বুঢ়ায় শুই পৰিল।

নিশা ক্ৰমাত বৃদ্ধি পাই আহিল। শীত যেন বুঢ়াৰ শত্ৰু ৰূপ ধাৰণ কৰিলে। বুঢ়াৰ থেৰ থেৰিয়া শীৰৰটোৰ ওপৰত যেন শীতৰ এক ভয়ঙ্কৰ ক্ষোভ। যাৰ বাবে ঘনে ঘনে বুঢ়াক সাবটি ধৰে আৰু বুঢ়াই কপি উঠে। লাহে লাহে সি নিমজহৈ আহিল। কি কৰিব, মাজ নিশা পূৰ্ব্ব স্মৃতিবোৰেও যে বুঢ়াক জৰ্জৰিত কৰি চকুত খুন্দিয়াবলৈ ধৰিলে। যাৰ বাবে চকুয়েদি পানী বাহিৰ ওলাই আহিল। শীতৰ যে তথাপি দয়া নহয়। বুঢ়াৰ ওৰে নিশা টোপনি নাই। লাহে লাহে পূৱ আকাশত ফেঁহুজালি দিলে। বিচনাৰ পৰা লাহে লাহে উঠি খৰি কেইটামান ওলাই জুই লগাই বহি থাকিল। এইবাৰ কিন্তু শীতে পৰাজয় বৰণ কৰিলে। পূৱ আকাশত সূৰ্য্যই মুখ মেলি দিলে। ফৰমান চাউলৰ টোপলাটো লৈ ঘৰৰ ফালে জোৰেৰে খোজ ললে। ঘৰত যে সকলোৱে ৰাস্তাৰ ফালে চাই আছে।

# ঃ কৌতুক ঃ

গিয়াসুদ্দিন আহমেদ
টি, ডি, ছি, ২য় বাৰ্ষিক

ডেকা ল'ৰা এজনৰ বিয়া কৰাবৰ বৰ মন। কিন্তু মনৰ এই প্ৰবল ইচ্ছাক ঘৰত ব্যক্ত কৰাৰ বাবে তেনে কোনো সম্পৰ্কীয় মানুহ নাই। আনহাতে তেওঁৰ বিয়া সম্পৰ্কে ঘৰত কোনো আলোচনাও নহয়। অৱশেষত কথাৰ ছলত এদিন দেউতাকক সুধিলে "দেউতা, আপুনি কিমান বছৰৰ বয়সত বিয়া কৰাইছিল?" দেউতাকে কলে "তেইশ বছৰ" তেতিয়া ল'ৰাজনে কলে "মোৰ পচিশ চলিছে"।

চুটি গল্প

# ॥ পৰিণতি ॥

লালমামুদ
স্নাতক ২য় বাৰ্ষিক (কলা)

ৰীণাই এতিয়াহে বুজি পালে অধিক সুখ লাভৰ বাবে কৰা ব্যৰ্থ চেষ্টাৰ পৰিণতি কিমান ভয়াবহ, কিমান বেদেনাদায়ক ! এতিয়া তাইৰ মনত পৰি গৈছে পূৰ্বৰ ঘৃণিত আৰু শোকাবহ ঘটনাটোৰ কথা। বিজিতৰ মিঠা মিঠা মাতবোৰেই যে এদিন তাইক ঠেলি দিব ধ্বংস আৰু অন্ধকাৰৰ কৰাল গ্ৰাসলৈ তাক তাই সপোনতো কল্পনা কৰিব পৰা নাছিল। এতিয়া তাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে বিজিতৰ বিশ্বাসঘাতকতাৰ কথা আৰু নিজৰ ভৱিষ্যত অস্তিত্বৰ কথা। বিষাদৰ চকুপানী টুকি টুকি তাই এতিয়া বাস কৰিছে মৰ্ত এৰি শূন্যত, স্বৰ্গত নহয়। গভীৰ অন্ধকাৰৰ নিৰৱতাৰ মাজতো তাইৰ বুকুত বৈ থাকে এক প্ৰবল ধুমুহা। যি ধুমুহাই নাভাগেও নিছিগেওঁ মাত্ৰ হৃদয়ক অস্থিৰহে কৰি তোলে। তাই নিজে কৰা ভুলৰ অনন্ত জ্বালাত তাইৰ অন্তৰখন এতিয়া তুহঁজুইৰ দৰেই তিলে তিলে দগ্ধ হৈ আছে !

ৰীণা আছিল ধীৰেণৰ ঘৈনীয়েক। সিহঁতৰ বিয়া হবৰ প্ৰায় এক বছৰমান হৈছিল যদিও তেতিয়ালৈকে ৰীণাই গিৰিয়েকক ভাল মাত এষাৰো দি পোৱা নাছিল। কাৰণ গিৰিয়েকক দেখি তাইৰ মন উঠা নাছিল। দেখিবলৈ সিমান ধুনীয়া নাছিল যদিও তাই আছিল বেচ আধুনিকা। সেই ক্ষেত্ৰত সহজ সৰল স্বভাৱৰ আৰু বৰ্ত্তমান জগতৰ প্ৰতি তেনেই উদাসীন মনোভাৱৰ ধীৰেণক তাই মনে-প্ৰাণে গ্ৰহণ কৰিব পৰা নাছিল। ধীৰেণেও ঘৈনীয়েকৰ অতিমাত্ৰা আধুনিকতা মুঠেই পছন্দ কৰা নাছিল। যাৰ কাৰণে দুয়োৰে মাজত মধুৰ সম্পৰ্ক পৰি উঠাৰ সলনি তীব্ৰ মনোমালিন্যৰহে সৃষ্টি হৈছিল। গিৰিয়েকৰ অমনোযোগীতাৰ সুযোগ লৈ ৰীণাই বিজিতৰ সৈতে কিছু পৰিমাণে মিলা-মিচা কৰিবলৈ ধৰিলে। লাহে লাহে বিজিতৰ সৈতে ৰীণাৰ ভাল পোৱা গভীৰ হৈ পৰিল। সময়ে অসময়ে আৰম্ভ হৈছিল সিহঁতৰ অবৈধ প্ৰেমৰ লীলা-খেলা। এহাতে যেনেকৈ বিজিতৰ সৈতে ৰীণাৰ ভাল পোৱা গধুৰ হৈ আহিল আনহাতে তেনেকৈ গিৰিয়েকৰ সৈতে তাইৰ মনোমালিন্য আৰু তীব্ৰতৰ হৈ উঠিল। বিজিতৰ মিঠা মিঠা মাতত ৰীণা তেনেই ভুল গ'ল। পাহৰি পেলালে তাই নিজৰ অস্তিত্ব। বিজিতৰ সৈতে নতুন সংসাৰ গঢ়াৰ এক অলীক বাসনাই তাইক টানি লৈ গ'ল এক কল্পনাৰ স্বৰ্গৰাজ্যলৈ। ৰীণাই অকনো বুজিবলৈ সক্ষম নহ'ল যে নিষ্ঠুৰ বিজিতে নিজৰ অভিষ্ট সিদ্ধিৰ বাবে ছলে কৌশলে তাইক হাতৰ মুঠিত পাবলৈ চেষ্টা কৰিছে।

এদিন ৰীণাই নিজৰ কোঠাতে বহি কল্পনাৰ এক ৰঙীণ নাওঁত উঠি ভাহি ফুৰোতে কোনোবাই পিছ পিনৰ পৰা তাইক মাত লগালে; "ৰীণা ! ইমান তন্ময় হৈ কি ভাবি আছা ? কিবা নতুন বস্তুৰ সোৱাদ পালা যেন পাইছো।" বিদ্ৰূপৰ সুৰত ধীৰেণেই কথাখিনি কৈছিল। "অ' নাই কত ? কি আৰু ভাবিব পাৰো ! তোমাৰ কথা মই বুজা নাই।" হঠাৎ স্বপ্ন ভঙাৰ দৰেই উচপ খাই উঠি নিজকে আথে বেথে প্ৰস্তুত কৰি লৈ স্বাভাৱিক ভাবেই উত্তৰটো দিবলৈ তাই চেষ্টা কৰিছিল। "বুজা নাই ! বুজিলো বাৰু তুমি বুজা নাই কিন্তু মোৰ অনুপস্থিতিত বিজিত মোৰ ঘৰলৈ কিয় আহে ? বহুত দিন হল বিজিতৰ সৈতে মোৰ মনোমালিন্য, সেইক্ষেত্ৰত তেওঁৰ লগত তোমাৰ কি গোপন আলচ থাকিব পাৰে ?" উত্তেজিত ভাবে বিদ্ৰূপৰ সুৰত ধীৰেণে ৰীণাক প্ৰশ্ন কৰিছিল। "কোনে কৈছে বিজিত আমাৰ ঘৰলৈ আহে ?" ৰীণাই নিজৰ দুৰ্বলতাক ঢাকি ৰাখিবলৈ চেষ্টা কৰি এক প্ৰশ্নবোধক দৃষ্টিৰে তাই ধীৰেণৰ পিনে লক্ষ্য কৰি কথাখিনি কৈছিল। "ৰীণা ! মোক ফাঁকি দিবলৈ ব্যৰ্থ চেষ্টা নকৰিবা ! তোমালোকৰ এনে ব্যৱহাৰ মই কিছুদিন আগৰে পৰাই লক্ষ্য কৰি আছিছো। কব পৰা নাই মাত্ৰ প্ৰমাণৰ অভাৱত। যিকি নহওক তোমাক মই ভালদৰেই সাৱধান কৰি দিছোঁ যাতে বিজিত আৰু কোনোদিন মোৰ ঘৰলৈ নাহে। নহ'লে কথা ....।" ধীৰেণৰ কথা শেষ নহওতেই ৰীণাই টপৰাই মাত লগালে. "নহলে কথা কি হব ? যি হয় হব, তুমি মোক ৰঙা চকু নেদেখুৱাবা।" ৰীণাৰ কথাখিনি শেষ হোৱাৰ লগে লগেই তাইৰ গালত ঠাচকৈ চৰ এটা বহুৱাই দি ধীৰেণে কৈ উঠিল "যি হয় হব। তই মোৰ অবাধ্য !" খং আৰু উত্তেজনাত তেওঁ কঁপিবলৈ ধৰিলে। ইচ্ছা নথকা স্বত্বেও ৰীণাক আৰু এবাৰ সাৱধান বাণী শুনাই তেওঁ নিজৰ বিছনালৈ গ'ল। "তুমি মোক মাৰিলা ! হব বাৰু। ৰীণাই কান্দাৰ ভাও জুৰি চকুমচি মচি গৈ নিজৰ বিছনাত ঢলি পৰিল।

লাহে লাহে ৰাতি গভীৰ হৈ আহিল। দুটা প্ৰাণী দুটা বেলেগ বিছনাত নিঠৰ হৈ পৰি থাকিল। ওৰে ৰাতি ধীৰেণৰ চকুত টুপনী নাহিল। বেদনাৰে তেওঁৰ অন্তৰখন ভৰি পৰিল। ৰীণাক চৰটো মাৰি তেওঁৰ বৰ ভাল নালাগিল। তেওঁ বুকুত বাৰুকৈয়ে শূন্যতা অনুভৱ কৰিলে। ইফালে ৰীণাই নিজৰ বিছনাতে বহু সময়লৈ উচুপি থাকিল। গিৰিয়েকৰ প্ৰতি তাইৰ একেবাৰেই ভক্তি নোহোৱা হৈ গল।

বিজিতৰ প্ৰতি তাইৰ অসাক্তি বাঢ়ি গল। ধীৰেণৰ সৈতে নৰকত জীৱন কটোৱাতকৈ বিজিতৰ সৈতে গুচি যোৱাটোৱেই তাই ভাল হব বুলি ভাবিলে। তাইৰ মনত পৰিবলৈ ধৰিলে বিজিতৰ মিঠা মিঠা মাতবোৰৰ কথা। কিমান মৰম কৰে তেওঁ! কিমান মধুৰ তেওঁৰ কথাবতৰা! বিজিতৰ বিষয়ে ভাবি ভাবি তাই এক কল্পনাৰ ৰাজ্যলৈ বুৰ মাৰিলে। তেওঁৰ সৈতে দেখা কৰাৰ এক প্ৰবল বাসনাত তাই অধৈৰ্য্য হৈ পৰিল।

পিছদিনাখনো দুয়োৰে মাজত কোনো কথা বতৰা নহ'ল। ধীৰেণে ব্যৱসায় সম্পৰ্কীয় কিবা কামত বাহিৰলৈ ওলাই গল। ৰীণাই অতি সংগোপনে বিজিতৰ সৈতে দেখা কৰিলে। বিজিতৰ ওচৰতগৈ ৰীণাই মাত লগালে, "বিজিত। কোন? অ' ৰীণা তুমি······! হয় মই আচৰিত হ'লা যে। নহয়, কিয় আচৰিত হম, বহা।" ৰীণাই বিজিতৰ কাষত বহি সকলোবোৰ কথা বিৱৰি কলে। লগতে তাই নিজৰ মতটোও প্ৰকাশ কৰিলে। বিজিতে সকলোবোৰ কথা শুনি গল আৰু শেষত বিদ্ৰূপসূচক ভাবে মনে মনে হাঁহিলে। "ৰীণা তুমি যদি সচাকৈয়ে মোলৈ আহা তেন্তে তুমি মোক সহায় কৰিব লাগিব।" বিজিতে কৃত্ৰিম ভালৰি দেখাই ৰীণাক কথাখিনি জনালে। "তোমাক যি সহায় লাগে মই কৰিবলৈ সাজু আছো, তথাপি তুমি মোক সোনকালে এই নৰকৰ পৰা উদ্ধাৰ কৰা।" ৰীণাই উদ্বিগ্ন ভাবে বিজিতৰ মুখৰ পিনে চাই কথাখিনি কলে। "ঠিক আছে তেনেহ'লে তোমাৰ মোৰ বাটৰ কাইটস্বৰূপ ধীৰেণক হত্যা কৰাত তুমি মোক সহায় কৰিব লাগিব।" বিজিতে কথাখিনি কৈ উদ্বিগ্নতাৰে ৰীণাৰ মুখলৈ চালে। "হত্যা।" ৰীণাই আচৰিত হৈ খন্তেক সময় মনে মনে থাকিল। "ঠিক আছে তোমাক মই যিকোনো প্ৰকাৰে সহায় কৰিম।" ৰীণাই আবেগিক হৈ কথাষাৰ শেষ কৰিলে। দুয়োজনে ধীৰেণক হত্যা কৰাৰ পৰিকল্পনাটো কৰি ৰীণাই ঘৰলৈ উভতি আহিল।

প্ৰকৃততে ধীৰেণক হত্যা কৰাৰ সম্পূৰ্ণ বেলেগ অভিসন্ধি এটি আছিল বিজিতৰ। যৌথ কাৰবাৰত বিজিতে বহু টকা ঋণী হৈছিল ধীৰেণৰ ওচৰত। যাৰ কাৰণে দুয়োৰে মাজত বহুত দিন ধৰি বিৰাট মনোমালিন্যৰ সৃষ্টি হৈছিল। আনহাতে বিজিতৰ বহুতবোৰ কেলেংকাৰী কামৰ বিষয়ে মাত্ৰ ধীৰেণেহে জানিছিল। যাৰ কাৰণে প্ৰতিটো মুহূৰ্ততে পুলিচৰ পৰা বিজিতৰ ভয় আছিল। কিজানি ধীৰেণে তেওঁৰ লগত হোৱা মনোমালিন্যৰ সুযোগলৈ সকলোবোৰ কেলেংকাৰীৰ কথা পুলিচক জনাই দিয়ে। গতিকে ৰীণাৰ পৰা পোৱা এই সোনালী সুযোগটো তেওঁ নেহেৰুৱালে। কাৰণ এই সুযোগত তেওঁ এটা ঢিলতে দুটা চৰাই মাৰিব পাৰিব। এহাতে ধীৰেণৰ ঋণৰ টকাৰ পৰাও মুক্তি পাব আনহাতে পুলিচৰ ভয়ৰ পৰাও নিৰাপদ হব। তেওঁ কিন্তু এই কুঅভিসন্ধিৰ কথা ৰীণাক ঘুনাক্ষৰেও জানিব নিদিলে।

সেই দিনা ৰাতি ১০ বজাত ধীৰেণে ঘৰত আহি ভাত কেইটামান খাই বিছনাত ভাগৰ দিলে। ওৰে দিনৰ পৰিশ্ৰমৰ ফলত তেওঁ সোনকালেই গভীৰ টুপনীত লালকাল দিলে। কিন্তু সেই যে তেওঁ টুপনী আহিল, পুনৰ আৰু তেওঁ সাৰ নাপালে। তেওঁক চিৰ দিনৰ বাবে পৃথিৱীৰ পৰা বিদায় দিয়া হ'ল। পিছদিনাখন ৰাতি নপুৱাওতেই ৰীণাৰ কান্দোনত দলে দলে মানুহবোৰ আহি ঘৰখন ভৰি পৰিল। সকলোৱেই এই দৃশ্যত অন্তৰত মৰমান্তিক বেদনা পালে। ৰীণাই অচেতনৰ ভাও জুৰি পৰি থাকিল। পুলিচক খবৰ দিয়া হ'ল। পুলিচ আহিল। কিন্তু হত্যাকাৰীৰ কোনো সন্ধান পোৱা নগল। ৰীণাক পুলিচে বহুত প্ৰশ্ন কৰিও কোনো সুংসূত্ৰ নাপালে।

দিন যোৱাৰ লগে লগে পৰিবেশ কিছু শান্ত হ'ল। কিন্তু ইমান দিনে ৰীণাৰ অন্তৰৰ জুই জ্বলি উঠিল। কাৰণ বিজিতে তাইক প্ৰতাৰণাহে কৰিলে। বিজিতক তাই বাৰে বাৰে অনুৰোধ কৰাত তেওঁ ৰীণাক পুলিচক গতাই দিব বুলি ভয় দেখুৱালে। উপায়ান্তৰ হৈ ৰীণাই বিজিতৰ আশা ত্যাগ কৰিবলৈ বাধ্য হ'ল। ৰীণাৰ মূৰত যেন আকাশী সৰগ ভাঙি পৰিল। এক বিৰাট নিৰৱতাই তাইৰ বুকুখন চেপি ধৰিলে। তাইৰ অন্তৰত নিৰাশাৰ বীন বাজি উঠিল। তাইৰ সকলোবোৰ ভৱিষ্যত সোনালী সপোন ভাঙি চুৰমাৰ হৈ গ'ল। বিজিতৰ মিঠা মিঠা মাতবোৰেই তাইৰ কাল হ'ল। তাই যেন জীৱন্তে মৃত্যু বৰণ কৰিলে। শেষলৈ তাইৰ বাবে থাকিল মাত্ৰ অনন্ত ছটফটনি আৰু অন্তৰত এক ভয়ৰ তাৰণা। ✿

## -কৌতুক-

নুৰুল ইছলাম আহমেদ
স্নাতক মহলা ২য় বাৰ্ষিক

ইছলাম আৰু ইয়াকুব দুয়ো প্ৰাইমাৰী বিদ্যালয়ৰ ছাত্ৰ। এদিন শিক্ষকজনে সুধিলে "ইছলাম কোৱা চোন, তোমাৰ ধৰ্মৰ নাম কি?"

"নাজানো ছাৰ" বুলি ইছলামে কলে। শিক্ষকজনে কৈ দিলে যে তোৰ ধৰ্মৰ নাম "ইছলাম"।

আকৌ ইয়াকুবক সুধিলে, "কচোন তোৰ ধৰ্মৰ নাম কি?"

ইয়াকুবে ভাবিলে ইছলামৰ ধৰ্মৰ নাম যদি "ইছলাম" তেন্তে মোৰ ধৰ্মৰ নাম ইয়াকুব হবই এই বুলি ভাবি টপৰাই উত্তৰ দিলে "ইয়াকুব" ছাৰ। ✿

চুটি গল্প

# ॥ ৰাক্ষসী বেকী ॥



আব্দুছ ছামাদ
টি, ডি, ছি ২য় বাৰ্ষিক (কলা)
ৰাজনীতি বিজ্ঞান (প্ৰধান)

হো-হো - ঘেৰ্-ঘেৰ্ - মেৰ্- মেৰ্ চপাং-চপ্ .... হাম্বা'— পাৰ হ' ..... । বেকীয়ে সৰ্ব্বগ্ৰাসীৰ মূৰ্তি ধৰিছে । খন্তেক আগতে যিখন নৈ পাৰ হওঁতে হাটু লৈ তিতিছিল, এতিয়া একেই নৈত নাৱো চলাব নোৱাৰি । খঙাল ফেটি সাপৰ দৰে ফোঁপাই ফোঁপাই ওলাই আহিছে বেকী গভীৰ মানাহৰ বুকু ভেদি । সিপাৰৰ পৰা ইপাৰলৈ অহা দিন হাজিৰা কৰা কামলাবোৰ; ভিক্ষা মাগিবলৈ অহা মিঞা বিধবা তিৰোতাসকলৰ এটাই মহা চিন্তা সিপাৰলৈ যোৱা । বেকীৰ সৰু মুখখনে মুহূৰ্তৰ ভিতৰত বিকট আকৃতি ধাৰণ কৰি মানাহৰ মাজৰ পৰা জাৰ্মানৰ সৈন্য দলৰ দৰে তাণ্ডৱতাৰে ঢৌ খেলি ঘিৰিপ. ঘিৰিপ.- চপাং চপ. জয়ধ্বনিৰে উপত্যকা অঞ্চলৰ বেলজিয়ামৰূপী মিঞা অধিবাসী সকলৰ মাটি বাৰীবোৰ খহাই আহি আছে । সিহঁতৰ মাটি বাৰীবোৰ এনেকৈ খহাই নিয়াত এনে লাগিছে যেন সিহঁতৰ বুকুৰ কলিজাহে খহাই নিব ধৰিছে।

আবেলি । আবুল তাৰ ৰুমত । হজৰত মহম্মদ (ছঃ)ৰ সৰু জীৱনী কিতাপ এখন পঢ়ি আছে । এনেতে তাৰ ভনী খাদিজাই চাহলৈ ৰুমত সোমায় "দাদা চা খা, আজি তই মোক চাহ বাগানলৈ লৈ যাব লাগিব, ছুফিয়াহঁত আহিলেই কিজানি"— খাদিজাই চাহ কাপ টেবুলৰ ওপৰত থৈ এইদৰে কলে ।

—"চাহ বাগানখন আৰু চাব লাগেনে, তহঁতে দেখোন সদায় চাইয়ে থাক, গুৱাহাটী যোৱাৰ কথা নকৰ কেলেই, কাংসিত হাঁহিৰে আবুলে খাদিজাৰ নাকখনত টিপা মাৰি ক'লে ।

— "ইহ গুৱাহাটীৰ পৰাই দেখোন আমাৰ মানাহ চাবলৈ কিমান বাছ মটৰ ভৰ্তি হৈ আহে"— খাদিজাই কথাখিনি কওঁতে যেন আত্মগৌৰৱত চিঞৰি উঠিব । হঠাৎ চকু দুটি ঘৰৰ চুকটোত পৰিল । তাই চুকটোৰ পিনে আগুৱাই গৈ কিবা বুটুলি ললে । খন্তেক নিৰৱতাৰ পিছত খাদিজাই চিঞৰি উঠে — "দাদা তই ফটোবোৰ ছিঙিলি, কিয় দাদা...... কিয় ছিঙিলি ?





ভাইৰ চকুৰ পৰা দুটোপাল চকুলো নিমজ গাল দুখনেৰে টপ টপ্‌কৈ বাগৰি পৰিল । তাই আৰু বহু কিবা কিবি কব খুজিও কব নোৱাৰিলে । তাই উচপি উচপি কান্দিব ধৰিলে । ছিঙি পেলোৱা (ককায়েকৰ) টুকুৰা ফটোবোৰ দুহাতেৰে বুকুত চেপি ধৰিলে । তাইৰ ৰঙা পৰি যোৱা গাল দুখনত দুখৰ তৰালি নিগৰি আছে । এয়ে মানাহ পৰীয়া ভাই-ভনীৰ প্ৰেম । চহৰৰ কৃত্ৰিম প্ৰেমতকৈ মানাহ পৰীয়া ভাই-ভনীৰ প্ৰেম আক্ষৰিক অৰ্থৰ উৰ্দ্ধত ।

আবুলে ভনীয়েক খাদিজাৰ বেজাৰ দেখি তাইক প্ৰবোধ দি কলে "তই কান্দিছ, চাচোন এই ফটোবোৰ মৰা, মইহে জীয়া । জানা ভণ্টি এইবাৰ গুৱাহাটীলৈ খেলিবলৈ গ'লে তোৰ কাৰণে মই ধুনীয়া ফটো উঠাই আনিম ।" আবুলে ভণ্টি খাদিজাৰ কোমল গাল দুখনেদি নিগৰি থকা চকুলোখিনি আলফুলে মচি দিয়ে । খাদিজাই হাঁহিবলৈ চেষ্টা কৰে । এনেতে বাহিৰৰ পৰা ডেকা কণ্ঠ এটা তাৰ (আবুলৰ) ৰুমত সোমাই আহিল "আবুল নদীত কাঠ আহি আছে ।"

কাঠ শব্দটোৱে আবুলৰ ভাৱ জগতত পৰিবৰ্তন আনি দিলে । গালে মুখে এক কেচা উদ্দাম ভাহি উঠিল । সি মনে মনে ভাৱিলে কাঠ বিক্ৰি কৰি সি খাদিজাৰ কাৰণে এখন ৰঙা শাৰী কিনি দিব । সি তৎক্ষণাত বাৰান্দাৰ "কোঠাত আগেয়ে সাজু কৰি থোৱা ৰচিৰ টোপোলাটো হাতত লৈ নদীৰ পাৰলৈ যাওঁ বুলি দৌৰ মাৰিলে । খাদিজাই পিছফালৰ পৰা তাক নদীত নামাবলৈ চিঞৰিলে । কিন্তু আবুল নৰ'ল ।

আবুল খালেক চৌধাৰীৰ এক মাত্ৰ পুত্ৰ । খাদিজা আবুলৰ ভনী । লিখা-পঢ়া কৰে যদিও লিখা-পঢ়াত আবুল চোকা নহয় । উৰে দিন বিভিন্ন ধৰণৰ খেলা-ধুলা আৰু শৰীৰ চৰ্চা কৰি কটায় । দেউতা চৌধাৰীৰ আশা— আবুল লিখা-পঢ়া কৰি ডাঙৰ মানুহ হব, কলেজত পঢ়িব । কিন্তু আবুলক লৈ কৰা দেউতাকৰ ৰঙীণ সপোন আবুলে হাইস্কুল শেহান্ত পৰীক্ষাত ফেল মাৰি থান বান কৰি পেলায় । প্ৰবেশিকা পাছ কৰিব পাৰিলে যে পুলিচ বিভাগত ভাল চাকৰি এটা পাব চৌধাৰীৰ সেয়া ঢাঠি কোৱাৰ সহাস আছে । সি (আবুল) প্ৰবেশিকা পৰীক্ষাত অকৃতকাৰ্য্য হোৱা বাবে মাক-দেউতাকে কেতিয়াবা যদিও গালি পাৰি খঙাল হৈ পৰে তেতিয়া পকা মধু ফলৰ দৰে মুখখন, বৃক্ষৰ দৰে বাহু আৰু ঘন কেশেৰে আবৃত বহল বুকুখনলৈ চাই আবেগ মিশ্ৰিত মৰমত তাক আৰু একো কব নোৱাৰা হৈ পৰে ।

লিখা-পঢ়াত বেয়া হ'লেও দুৰ্নীতি, দুষ্টামী, ঠগামী, বেইমানীৰ, বিৰুদ্ধে সদায় জাগ্ৰ প্ৰহৰীৰ দৰে গাওঁখনত থাকে ।

মানাহ অভয়াৰণ্যৰ পৰা ওলাই অহা বেকীৰ পাৰতে 'খাবলীৰ ঘাট' । বেকীৰ বুকু ফেনে ফুটুকাৰে ভৰি যোৱাৰ বাতৰি ইকাণ সিকাণ হৈ আবুলৰো কাণত পৰিল । ক্ষনিকতে 'খাৱলীৰ ঘাট' মতা-তিৰোতা, যুৱক সৰু ল'ৰা-ছোৱালীৰে ভৰি পৰিছে । কোনোৱে হাতত দীঘল টাঙোন, কোনোৱে

ককালত ৰচী বান্ধি ঘাটলৈ আহিছে। ডেকাবোৰে ককালত ৰচী বান্ধি উজনিলৈ দৌৰি গৈছে। আনফালে বেকীৰ ধ্বংসাত্মক দৃশ্য চাই চাই ৰাইজে নিৰৱ দৰ্শকৰ দৰে সঘনাই নিশ্বাস পেলাইছে।

আবুলেও উজনিলৈ ককালত ৰচী বান্ধি দৌৰিব ধৰিলে, লগত ছোহৰাব, ইন্তাহুল আৰু আকবৰ। গাওঁৰে কলেজৰ ছাত্ৰ এই চাম।

খাৰলীৰ ঘাটত কাঠ ধৰা এটা লাভজনক কাম। প্ৰতি বছৰে বেকীৰ বানত মৃত জীৱ জন্তুৰ লগতে ডাঙৰ সাৰুৱা কাঠো বেকীৰে ভাহি আহে। ৰাইজ আৰু স্কুল কলেজৰ ছাত্ৰবোৰে বেকীত সাতুৰি কাঠ ধৰে প্ৰতিবছৰে। প্ৰায়বোৰ ছাত্ৰই কাঠ বিক্ৰি কৰি এবছৰৰ বাবে কিছু কিতাপ আৰু নিজৰ নিজৰ পোছাক লয়। যৌথভাবে কাঠ ধৰি এই চাম ছাত্ৰই গাওঁখনত কিছুমান সামাজিক অনুষ্ঠানো গঢ়ি তুলিছে।

উজনিত গৈ আবুলহঁতে উপস্থিত হোৱাৰ মুহূৰ্ততে ডাঙৰ কাঠ এটা ভাহি অহা দেখা পাই চাৰিও প্ৰচণ্ড ঢৌবোৰৰ বুকুত সাতুৰিবলৈ ধৰিলে। প্ৰথমতে আবুল তাৰ পিছ ইন্তাহুল, ছোহৰাব আৰু অৱশেষত আকবৰে গৈ কাঠ ডোখৰৰ কাষ চাপে। বেকীৰ প্ৰচণ্ড আকাশ লজ্ঘা ঢৌৰ মাজেৰে অহা কাঠ ধৰা দুৰ্লভ নহয়। আবুলহঁত এই ক্ষেত্ৰত বিপৰীত। কাঠ ডোখৰ ধৰি আবুলহঁতে পাৰত চপাবলৈ চেষ্টা চলাইছে; কেতিয়াবা কাঠেৰে মানুহেৰে পানীৰ তললৈ ঢৌৱে লৈ যায় আকৌ ভাহি উঠে। অৱশেষত পাৰ পাও পাও এনেতে প্ৰচণ্ড ঢৌ এটাই আবুলহতৰ কঠিন মুঠি কাঠডোখৰৰ পৰা এৰুৱাই পেলালে। চাৰিও চাকনৈয়া এটাত সুমাই পৰিল। ছোহৰাব ইন্তাহুল আৰু আকবৰহঁতে পাৰত কোনোমতে উঠিল হয়; কিন্তু আবুল? আবুলে বাৰে বাৰে চেষ্টা চলাইছে পাৰত উঠিবলৈ। পাৰৰ ৰাইজে পাৰত বহিয়ে তাক সাতুৰিবলৈ বল দিছে। অকস্মাৎ সি হাত এখন দাঙি বিদায়ৰ ইংগিত দিলে। ছোহৰাব আৰু ইন্তাহুলে ভাটিলৈ দৌৰিগৈ সাতুৰিলে; কিন্তু তাক পুনৰ দেখা নাপালে। পাৰৰ ৰাইজে ভাবিলে, সি নিশ্চয় পাৰত উঠিব। দুই মিনিট পাৰ হ'ল, ৰাইজৰ ধাৰণা সি পাৰত উঠিবই। যেতিয়া পাচ মিনিট পাৰ হৈ গ'ল তেতিয়াহে ৰাইজৰ ভাৱৰ পৰিবৰ্তন হ'ল। ৰাইজে আবুলক উদ্ধাৰ কৰাৰ বাবে ভাটিলৈ দৌৰিব ধৰিলে। কিন্তু ৰাইজৰ নানা ধৰণৰ চেষ্টা ব্যৰ্থ হ'ল। ৰাইজে তেতিয়াহে বুজিলে শেষবুৰ মাৰিছে। যি আবুলে প্ৰতিবছৰে 'বেকীৰ বিশাল বুকু এবাৰ সাতুৰি পাৰ হয় সি আজি সামান্য চাকনৈয়া এটাৰ পৰা উঠিব নোৱাৰিলে। তথাপি আতংকত দিশ হাৰা হৈ ৰাইজে যিমান পাৰিলে ভাটিলৈ দৌৰি গৈ থাকিল ··· · ···।

পিতৃ চৌধাৰীয়ে আবুল পানীত পৰি মৃত্যু হোৱা সংবাদ পাই মূৰ্ছা গ'ল। মাক ফাতিমাও। ভণ্টি খাদিজাই বিকট চিঞৰ এটা মাৰি চোতালত ঢলি পৰিল। লগে লগে ঘৰখনত কান্দোনৰ বহ্নি জ্বলি উঠিল। শান্তিৰ কপোতাল ঘৰখনৰ পৰা কৰবালৈ উৰি গ'ল। চৌধাৰীয়ে চেতনা ঘুৰাই পাই বলীয়াৰ দৰে বেকীলৈ বুলি দৌৰিব ধৰোতে চুবুৰীয়া কেইজনমানে ধৰি ৰাখে। ভণ্টি খাদিজাই কান্দি কান্দি কৈ উঠিল—"মোক এৰি দিয়া দাদাক চাবলৈ যাম, দাদা মৰা নাই·········" হুক হুক কৰি কান্দি পুনৰ মাটিত ঢলি পৰে।

আবুলৰ মৃত্যুত ঘৰখনত বিষাদ নামি আহিল, ঘৰৰ প্ৰতিটো প্ৰাণীৰ মুখত বিষাদৰ কলা ছাঁ। তাৰ (আবুলৰ) শোকত ঘৰৰ সকলোৱে ভাত পানী এৰি দিলে। গাওঁৰ শিক্ষিত অশিক্ষিত প্ৰত্যেকেই তাৰ মাক-দেউতাকক শান্তনা দিবলৈ আহিলেই ঘৰখনত দুগুনে বিষাদৰ সুৰ বাজি উঠে। হিন্দু, খ্ৰীষ্টান ইত্যাদি জাতি নিৰ্বিশেষে আবুলহঁতৰ ঘৰখন লোকে লোকাৰণ্য হৈ পৰিল। আবুলৰ বন্ধু প্ৰনৱ, ৰঞ্জিত টনিহঁতে যেতিয়া আবুলৰ দেউতাক চৌধাৰীৰ কাষত থিয় হয়, চৌধাৰীয়ে বুকু ভাঙি চিঞৰি চিঞৰি সমস্ত পুত্ৰ শোকৰ বেদনা প্ৰকাশ কৰে। চৌধাৰীৰ বেদনা আৰু আবুলৰ আকস্মিক মৃত্যুৰ ভয়াবহ দৃশ্যক সোঁৱৰি প্ৰনৱহঁতে চকুলো টুকে।

শৱ উদ্ধাৰৰ বাবে গাওঁৰ শিক্ষিত ডেকা চামে কল পছৰ ডোঙা সাজি আবুলৰ বিৱৰণ দি চাইন বোৰ্ড বান্ধি নদীত ভহাই দিলে। পাচ দিনৰ পিছতো শ উদ্ধাৰৰ কোনো আশা নথকা বাবে গাওঁৰ ৰাইজে আবুলৰ 'গাইবী জানাজা' পঢ়াৰ সিদ্ধান্ত ললে। নামাজ আৰম্ভ হ'ল। সকলোৱে চকুত চকুলো। নামাজত হিন্দু ছাত্ৰ প্ৰনৱ নামাজ চলি থাকোতে হুক হুকাই কান্দি কলে "হে ভগবান স্বৰ্গবাসী কৰা।" ভিতৰ চোতালত খাদিজাৰ কান্দোনে বাৰে বাৰে আবুলৰ করুণ মৃত্যুক সোঁৱৰাই দিছে; কিন্তু আবুল জানো নামাজৰ সন্মুখত বগা সাজেৰে শুই আছে?

আবুলৰ মৃত্যুত দেউতা চৌধাৰী বলীয়াৰ দৰে হৈ পৰিল। পুত্ৰ শোকৰ দারুণ দহনত চৌধাৰীয়ে সংসাৰৰ কাম কাজ একোৰে ভু নোলোৱা হ'ল। পৃথিৱীখন ধুৱলী দেখিবলৈ ধৰিলে। যি অলপ অচৰপ খেতিৰ মাটি আছিল বছৰেকীয়া মাহেকীয়া আৰু দিন হাজিৰা কামলাক দিওতেই লাহে লাহে সংসাৰৰ বৰভেটিখনৰ অংশবোৰ এটাৰ পিছত এটাকৈ খহি পৰিব ধৰিলে। পুত্ৰ শোকত চল্লিছ বছৰীয়া চৌধাৰী আশী বছৰীয়া বুঢ়াৰ দৰে হৈ পৰিছে। আত্মীয় স্বজনে কেতিয়াবা সান্ত্বনা দিবলৈ আহিলেই চৌধাৰীয়ে কয় "তোমালোকে আবুলক কত পাইছা, মোৰ বাচাৰ মৃত্যু হোৱা নাই মই জানো সি মোক খং কৰি গুচি গ'ল ··· এই বুলি কৈ হুক হুকাই কান্দি দিয়ে। মুহূৰ্ততে চকুজুৰি ডাঙৰ ডাঙৰ হৈ দূৰৰ ক'ৰবাত দৃষ্টি নিক্ষেপ কৰি বলীয়াৰ দৰে চিঞৰি উঠে—আ— বুল মোৰ বাছা।···

ক্ষয়িষ্ণু অৰ্থনৈতিক অৱস্থাক সাবটি চৌধাৰীৰ প্ৰতিটো প্ৰাণীয়ে দিন কটাব



॥ নৱজ্যোতি মহাবিদ্যালয় আলোচনী ॥

ধৰিলে । বেকীপৰীয়া যিখিনি মাটি আছিল সেয়াও বেকীৰ ৰাক্ষসী গৰ্ভত সোমাই পৰিল ।

\+ \+ \+ \+ \+

দহ বছৰ পিছত । বেকীয়ে এইবাৰো একেই তৰ্জন গৰ্জন কৰি মানাহৰ মাজৰ পৰা ওলাই আহিছে । 'কাঠ ধৰা' কাম এতিয়াও আগৰ দৰেই চলে । 'খাবলীৰ ঘাট' এতিয়া বহু উন্নত – দুখন দোকানৰ ঠাইত দহখন দোকান হৈছে । গাড়ী মটৰো মাজে সময়ে কাঠ নিবলৈ আহে । ডেকা-বোৰে যৌথ ভাৱে কাঠ ধৰি বিক্ৰি কৰি গাওঁত এখন ক্লাৱ ঘৰ স্থাপন কৰিছে । আবুলৰ স্মৃতিৰ বাবে ডেকাবোৰে আন এটা অনুষ্ঠানৰ ভেটি নিৰ্মান কৰিছে । কাঠ ধৰা কাম পুৰ্ণ গতিত চলিছে এনেতে মানুহৰ শৱ এটা বেকীৰ বুকুৰে ভাহি অহা দেখি ডেকাবোৰে শৱটো নদীৰ ঘাটলৈ তুলি আনিলে । শৱটো এজন ডেকা ল'ৰাৰ । কি সুন্দৰ তাৰ ৰূপ ! শ'ৱটো দেখাৰ লগে লগে কঠিন হৃদয় ভেদি তপত অশ্ৰু এটোপাল নামি আহিব প্ৰতিজন মানুহৰ । বেকীয়ে কোন মাতৃৰ বুকু উদং কৰি যে তাৰ ৰাক্ষসী গৰ্ভত সোমায় ললে ! লাহে লাহে শ'শ মানুহ শৱটোৰ চাৰিও-ফালে জুম বান্ধিলে ।

বৃদ্ধ চৌধাৰীয়ে মৰা শ এটা উদ্ধাৰৰ বাতৰি পাই লাখুটিত ভৰ দি মানুহৰ জুম অতিক্ৰমি শৱটোৰ কাষত থিয় হ'ল । শৱটো কাপোৰেৰে ঢাকি থোৱা হৈছে । কাপোৰখন দাঙিলে দুগন্ধ বায়ু চাৰিওফালে সিচৰিত হৈ পৰে । বৃদ্ধ চৌধাৰীয়ে শ টো দৰ্শন কৰিব খুজিলে । ডেকা এজনে শটোৰ মুখমণ্ডল বেষ্টিত কাপোৰ ডোখৰ দাঙি শ' টোৰ মুখমণ্ডল চৌধাৰীক দেখুৱালে । চল-চলীয়া দৃষ্টিৰে চৌধাৰীয়ে শটোলৈ চালে । অকস্মাত মৌনতা ভঙ্গ কৰি এক বিকট আকৃতি ধাৰণ কৰি চৌধাৰীয়ে শটোৰ গালে মুখে চুম্বন কৰিব ধৰিলে । চৌধাৰীয়ে হুক্ হুকাই কান্দি কব ধৰিলে, "মোৰ বাবা আবুল, তুমি কত আ— ছি -- লা । তু-মি মোৰ লগত খং কৰিছা ·· ·· !!

ৰাইজে দুৰ্গন্ধ শ'টোৰ বুকুৰ পৰা চৌধাৰীক আতৰাই আনিলে । শ'টো মুছলমান ডেকা বুলি প্ৰমানিত হোৱাত ওচৰৰ মছজিদতে জানাজা পঢ়াৰ' সিদ্ধান্ত লোৱা হ'ল । ঠেলা এখনত শটোক লৈ যাবলৈ ধৰোতে চৌধাৰীয়ে চিঞৰি উঠিল "নাই নাই মোৰ বাচাক তোমালোকে নলবা । মই তাক মোৰ বুকুত সুমুৱাই ৰাখিম ·· ।" মছজিদত আছৰৰ নামাজৰ আজান বেকীৰ ঢৌৰ মাজত কপি কপি বিলীন হৈ গ'ল । চৌধাৰীক কেইজনমান ডেকাই ধৰি ৰাখিছে ঠেলাৰ শটোক লৈ যাব ধৰোতে চৌধাৰীয়ে বুকু ভাঙি প্ৰতিবাদৰ সূৰত গৰ্জি উঠিল, "আ—বু—ল তু- মি — না— যা— বা ।" ··· কথাখিনি শেষ নহওঁতেই চৌধাৰীৰ হৃদয় পিঞ্জিৰাৰ পৰা জীৱন পখীটো উৰি গ'ল । চৌধাৰীৰ শেষ কণ্ঠস্বৰ বেকীৰ বুকু পৰাহৈ মানাহৰ গভীৰ হাবিৰ গাত প্ৰতি-ধ্বনিত হৈ ঘূৰি আহিল ।

— x —



# —অ'ট ৰিক্চা—

আৰশ্বাদ আহমেদ
প্ৰাক্তন ছাত্ৰ

যাব নেকি ?
ক'ত যাব ?
এ, বি, চি ।
বহক ।

মই নাযাওঁ । বাবু যাব । গনেশগুৰীৰ পৰা এ, বি, চি লৈ অহা যোৱা ভাড়া কিমান লব ?

বাৰ টকা লম ।

ভাড়াটো লৈ গুৱাহাটী মহানগৰীৰ ব্যস্ত্যতা জনিত ৰাস্তাৰে ঠেলা, ৰিক্সা, মানুহ গাড়ী ঘোঁৰা ইত্যাদি পাৰহৈ *Passenger* জনৰ গন্তব্য স্থান এ, বি, চি পালোঁ । অটোখন ৰাখিলো এখন নামজাদা ডাঙৰ চাইন বোৰ্ড থকা ডাঙৰ বিল্ডিংৰ ওচৰত । তিনিজন *Passenger* ৰ ভিতৰত দুজনী গাভৰু ছোৱালী আছিল যদিও এজন উচ্চ শিক্ষিত অথচ বৰ ভদ্ৰ । তেখেত কলে,

আমি ডাক্তৰৰ ওচৰত যাম । আপুনি অকণ মান ৰব নেকি ?

নিশ্চয়, পাৰিলে অলপ সোনকালে আহিব । *Passenger* জনে মোৰ ভাষা বুজিব পাৰি তপৰাই কলে,

অ' বুজিছোঁ. লাগিলে *Late charge* দিম ।

আচ্ছা, হব ।

যদিও মানুহজনে অকণমান ৰব' বুলি কলে, কিন্তু মই ভাবিলো ইয়াত নিশ্চয় এঘন্টামান লাগিব । মই আৰু অ'টো; গলিৰ ৰাস্তাত দুই এজন হাজিৰা কৰা মানুহ অহা যোৱা কৰিছিল । অনুমান হৈছিল গলিটোত ভাড়া থকা বেছি সংখ্যক দিন হাজিৰা কৰা মানুহ আছিল ।

অটোখনত বহি নিজৰ জীৱনৰ ভুত ভৱিষ্যৎ বহুত ভাবিলো । কিন্তু পাৰ নাপালো । অৱশেষত ছিগাৰেট হুপিবলৈ ইচ্ছা কৰিলো । ছিগাৰেটটো জ্বলাই অ'টো খনত বহাৰ লগে লগে চকুত পৰিল এজনী ৪০-৪৫ বছৰৰ তিৰোতা । তাই ফটা ছিঙা কাপোৰেৰে আবৃত শৰীৰে হাতত এখন কাম কৰা পাচীৰে মাটিৰ দমটোৰ ওচৰত থিয় হ'ল । তিৰোতাজনীয়ে কোদালেৰে অকলেই মাটিবোৰ এখন ডাঙৰ বিল্ডিংৰ মজিয়াত পেলাবলৈ ধৰিলে । অকলেই তিৰোতাজনীয়ে কাম কৰি থকাত আচৰিত যেন লাগিলেও তাইৰ মুখখনত যেন এক কৰুণ বেদনা যুক্ত প্ৰতিচ্ছবিয়ে আবৃত আছিল । তাইক সুধিলো—

আপোনাৰ ঘৰ ক'ত ?

তিৰোতাজনীয়ে করুণ সুৰে কলে- কাৰে কৈন বাবা ! আমাৰে ।

মই স'চাকৈ ভাবিছিলো তিৰোতাজনী এজনী মুছলমান আৰু বঙলা ভাষী মানুহ হব । কাৰণ তাইৰ বেশ ভুষাই মুছলমান আৰু বঙলা ভাষীৰ উৎকৃষ্ট প্ৰমান দিছিল। মই আপোনাকেই সুধিছো ?

বাবা, আপনে কি মুছলমান মানুষ ?

হয়, মই মুছলমান মানুহ ।

তিৰোতাজনীয়ে এক গভীৰ দীৰ্ঘ নিশ্বাস ত্যাগ কৰি আচলখন টানি মূৰত দি কলে- বাবা, আমাৰ বাৰি ঘৰ নাই । আমি বাৰি ঘৰ ছাৰা মানুষ ।

পৃথিবীত ঘৰ বাৰি নকথা আছে নেকি বুলি সোধাত তাই আকৌ এক বিনয়, ভদ্ৰ সুৰত কব ধৰিলে, বাবা, আমাগো অৱস্থা খোদা ছাৰা আৰ কেউ জানেনা । আমাগো বাৰি আছিলো ব্ৰহ্মপুত্ৰেৰ চৰে, ৰামাপাৰা। এইবাৰ বান পানীয়ে আমাগো বাৰী ঘৰ, গৰু ছাগল সব ভাসিয়া নিছে ।

আপোনাৰ আৰু কোনোবাই আছে নেকি ?

হ্যা বাবা, আছে । আমাৰ স্বামী আছে । এক বছলে আৰ এজন মেয়ে আছে । মেয়েটা এক বাবুৰ বাৰিতে কাম কৰবাৰ নিগা দিছি । আৰ এই যে দেখছেন, ছেলেটা, আমাৰ নগে আহে ।

আপোনাৰ স্বামী ?

বাবা, আমাৰ স্বামী আছে । তিৰোতাজনীয়ে অতি করুণ সুৰে উত্তৰ দিলে । আমাৰ স্বামী থাকা আৰ নাথাকা সমান । হে এহন কাম কৰা হাৰেনা । বৰই অসুখ । বান পানীৰ পৰে থিকাই বিচানে পৰছে । আমি সাৰা দিন কাম কৈইৰা যা পাই তাই দিয়া কোনোমতে স্বামী আৰ ছেলেটা নিয়া খাই । বাপুৰে আমৰা মুছলমান মানুষ, এহন আমাগো জাতকুল কিছুই নাই । এত দিন যদিও কিছু খাইয়া নাখাইয়া নিজে ভিটা বাৰিতে আছিলাম এইবাৰ বানপানীয়ে সব নিয়া গেছে । 'এখন আৰ কিছুই নাই' ।

'এখন আৰ কিছুই নাই' কথাষাৰ তিৰোতাজনীৰ মুখৰ পৰা ওলাইছিলনে আকাশ মাৰ্গৰ পৰা খোদা তাল্লাই বজ্ৰ নিক্ষেপ কৰিছিল ধৰিব নোৱাৰিলো । তিৰোতাজনীৰ দুচকু দুঃখৰ পানীৰে উপিচ পৰিল । তাই আৰু কব নোৱাৰিলে । মই নিৰৱ !

ব'লক, Passenger ৰে কলে, মইও গাড়ীৰ চকা ঘূৰালো । ভাড়াটো নমাইদি আহি ভাঙাগড়ত ষ্টান কৰিলো । তিৰোতাজনীৰ মৰ্মস্পৰ্শী কথাবোৰে মনত যেন বৰ আঘাত দিলে । মোৰ মনত পৰিল মহামতি আকবৰৰ বীৰত্বৰ কথা, মনত পৰিল ঐশ্বৰ্য্যশালী সাহজাহানৰ কথা, মনত পৰিল ঔৰংগজেৱৰ কথা । এসময়ত যিখন হিন্দুস্থানত মোগলসকলে চিৰ উন্নত শীৰে ৰাজত্ব কৰিছিল । সেইখন হিন্দুস্থানত আজি মুছলমানসকলৰ জাতকুল মানসকলো কুৰবানী হ'ল । এনেতে আন





জনে কলে, বেলতলাত যাব নেকি ?

সপোন ভাঙিল । গাড়ী *Start* কৰিলো । গোটেই দিন মাছখোৱা, ভাঙাগড়, নুনমাটি আয়াৰপোৰ্ট, খানাপাৰা, ছয় মাইল, চিৰিয়াখানাৰ পৰা চান্দমাৰী, দিচপুৰ, শিলপুখুৰী ইত্যাদি ঠাইত চৰাইৰ নিচিনা অটো খনেৰে ঘূৰি ফুৰিলো । শৰীৰ পৰিশ্ৰমৰ তাৰণাত ক্লান্ত যেন ভাবি চাহ একাপ খাবলৈ দোকানত বহিলো । চাহ কাপ শেষ কৰি অটোখনত বহাৰ লগে লগে এটা চিনাকি চিনাকি মুখ যেন ওচৰলৈ ভাহি আহিব ধৰিলে । আহিয়েই কলে, কেনে আছে ? মইও বন্ধুজনক অনুৰূপ উত্তৰ দি সুধিলো, কেতিয়া আহিলে, বন্ধুজনে আকৌ কলে, ১৫ দিনমান আগতেই আহিছো মানে বানপানীৰ পিছতেই আহিলো ।

আপুনি কিজানি *Graduation* লৈছে বন্ধুজনে কলে *Graduation* লৈছো ঠিক কিন্তু *Graduation* চাইন বোৰ্ড বা শৈক্ষিক মান মৰ্য্যদালৈ ইয়ালৈ অহা নাই ।

ভাইজান আপুনি ভাবে নেকি গুৱাহাটী মহানগৰীত শিক্ষিত মানুহ নাই ?

বন্ধুজনে তপৰাই উত্তৰ দিলে গুৱাহাটীত শিক্ষিত মানুহ যিমান আছে তাতোকৈ ঠেলাৱালা, ৰিক্সাৱালা আৰু দিন হাজিৰা কাম কৰা মানুহৰ সংখ্যাই বেছি ।

অৱশ্যে, তাৰ মানে, আপুনি ডিগ্ৰীলৈ চাকৰি নোপোৱাত হয়তো শিক্ষিত মানুহতকৈ ঠেলাৱালা, ৰিক্সাৱালা আৰু দিন হাজিৰা কাম কৰা মানুহ বেছি লক্ষ্য কৰিছে ।

আপুনি ঠিকেই কৈছে আমাতকৈ প্ৰতি দিন কাম কৰি খোৱা মানুহবোৰেই উৎকৃষ্ট আৰু বেচি সূখী । আমি শিক্ষাৰ যথাৰ্থ মৰ্য্যাদালৈ চাকৰি বিচাৰি পোৱা নাই । সন্মান যোৱাৰ ভয়ত কাম কৰা নাই । শেষত দুই চাৰিজনে যদিও পৈতৃক সম্পত্তিৰ দ্বাৰা বেঞ্চাৰ স্কুল *Start* কৰিছো তাতেই কেঞ্চাৰ ৰোগত ভুগিব লগা হৈছে ।

বন্ধুজনৰ ভাৱমূৰ্তি কিবা যেন মেঘাচ্ছন্ন আকাশৰ নিচিনা হল । প্ৰতিটো প্ৰশ্নৰ উত্তৰ বিকৃত ভাৱ ভংগীত আৰু কঢ়া সুৰেৰে দিবলৈ আৰম্ভ কৰিলে । তেখেতৰ মনত যেন কিবা জ্বালা যন্ত্ৰনাৰ দাৰা পৰিপুৰ্ণ আছিল । মুখাকৃতিৰ অৱস্থা স্বাভাবিকলৈ আনিবৰ বাবে সুধিলো । যিকে নহওঁক, আহমেদ ভাই "আপোনী গুৱাহাটীলৈ কিয় আহিলে নে কিবা ····· ???" বন্ধুজনে অগ্নিমূৰ্তি ধাৰণ কৰি অনৰ্গল সূৰেৰে ব্যক্ত কৰিবলৈ ধৰিলে তাৰ জীৱনৰ ইতিহাস । মোৰ কাণত যেন সেই গৰম কথাবোৰ প্ৰৱল ধুমুহাৰ মাজত আকাশৰ পৰা নামি অহা বৰফৰ টুকুৰাযেন অনুভৱ হ'ল ।

বন্ধু মই গ্ৰেজুয়েট । কিন্তু গুৱাহাটীত ৰিক্সা চলাও । আপোনী নিশ্চয় জানে ভয়াবহ বানৰ কথা ! প্ৰৱল বানৰ লগত আমাৰ চিৰ সংগ্ৰাম । আমাৰ ঘৰ ব্ৰহ্মপুত্ৰৰ চৰত । প্ৰতি বছৰ প্ৰৱল ধ্বংসক্ষয়ী বানৰ লগত যুজ কৰি জিকিছিলো, কিন্তু এইবাৰ আমি হাৰিলো । আমাৰ অৱস্থা

মৃত্যুপ্ৰায়। আমি বধ্যভূমিত। বানৰ কৱলত পৰি জীৱনৰ সৰ্ব্ব শেষ অৱস্থাত উপনীত হলো।

এতিয়া—

এতিয়া মানে, পৰিয়ালৰ সকলোৱে বাঘবৰ শিবিৰত আছে। দহটামান গৰু ছাগলী আছিল। সকলো বানে উটুৱাই নিলে। পথাৰ মৰুভূমি। ঘৰ বাৰী নাই। গুৱাহটীত ৰিক্সা চলাইছো, পৰিয়াল জীয়াই ৰাখিছো। মাজে মাজে গান গাইছো—

"আমি এক দুৰান্ত যযাবর
ঘর নেই বারি নেই—
পথেই বেধেছি ঘর।
আমি এক দুৰান্ত যযাবর"।

ভাইজান বৰ্ত্তমান আৰু চিন্তা নাই। ৰিক্সা চলাইছো খাইছো। মাৰ্কস্বীট, ছাৰ্টিফিকেট যি আছিল সকলো বানৰ কৱাল গ্ৰাসত। বৰ্ত্তমান নিজেই জীয়াই থাকিব নোৱাৰি দ্বিতীয়বাৰ কাগজ কৰ পৰা উলিয়াম। ডিগ্ৰীৰ মৰ্যাদা ইমানতেই শেষ কৰিলো।

বন্ধুজনৰ ভয়াবহ ভাব মূৰ্ত্তিৰ দ্বাৰা পৰিবেশন কৰা এক ভয়ংকৰ "মাছ জাতীয় মানুহ" নাটকখনৰ ভয়াবহ ঘটনা শ্ৰৱণ কৰিলো। কিন্তু তেখেতে মোক আৰু এখন নতুন নাটকৰ প্ৰস্তাৱনা দাঙি ধৰিলে। নাটকখনৰ নাম "ঠেলা ৰিক্সা চালা মিয়া শ্বালা"। বন্ধুজনে গভীৰ দুঃখত থাকিও উক্ত নাটকৰ নাম উচ্চাৰণ কৰাৰ লগে লগেই উচ্চস্বৰে হাঁহি মাৰিলে তেখেতৰ হাঁহিত যেন আমাৰ আত্ম সন্মানৰ লাঘৱ হৈ হৈছিল। মই নিৰৱ। বন্ধুজনে প্ৰশ্ন কৰিলে, "জানেনে বন্ধু,

গুৱাহাটী মহানগৰীত বৰ্ত্তমান কুৰি শতিকাৰ শেষাৰ্দ্ধত অৰ্থাৎ চৰম সভ্যতাত
ঠেলা চলায় কোনে ?
ৰিক্সা চলায় কোনে ?
দিন হাজিৰা কৰে কোনে ?
আৰু বেশ্যা বৃত্তি কৰে কোনে ?
মই নিৰৱ দৰ্শকৰ দৰে বন্ধুজনৰ মুখলৈ চাই পঠিয়ালো।

ঠেলা, ৰিক্সা, দিন হাজিৰা আৰু বেশ্যাবৃত্তি কৰিছে মোগল যোগৰ মহামতি আকবৰ, বাদসাহ স্বাহজাহান, সম্ৰাট ঔৰংগজেব (আলমগীৰ)ৰ বংশধৰ সকলে। আপুনি শেষ ৰাতি চাৰি বজাত লক্ষ্য কৰিব ভাঙাগড় মছজিদৰ পুৱপিনে অৱস্থিত দেৱালৰ লগত পানীৰ পাইপত কোনে গা ধোৱে ? অনুমান হয়, স্বৰ্গৰ পৰা কিছুমান দেৱীয়ে আহি ৰংমনে গংগাত স্নান কৰিছে। ছয় বজাত, মহানগৰীৰ প্ৰতিটো আলিত লক্ষ্য কৰিব, খোদাৰ দুনিয়াৰ সকলো মুছলমান মতা-তিৰোতাই দিন হাজিৰা কৰিবলৈ অহাৰ দৃশ্য। তাত এনে হুলস্থুলিয়া পৰিবেশৰ সৃষ্টি হয় যেন লণ্ডনৰ পিক্কাডিলি চাৰ্কাচ। আঠ বজাত চাব, ঠেলা ৰিক্সাৰ ভীৰ।

তোমাৰ নাম কি ? জাহানাৰা।
তোমাৰ নাম কি ? আকবৰ।
তোমাৰ নাম কি ? জাহাংগীৰ।
তোমাৰ নাম কি ? স্বাহজাহান।
তোমাৰ নাম কি ? আলমগীৰ।

বা! বা! কি চমৎকাৰ সকলো ৰজা মহাৰজা, সম্ৰাট সম্ৰাজ্ঞীৰ নাম !!!

—●—



# সেই নিশাটো

এম, এ, খালেক চৌধুৰী
নিৰ্দ্দেশক উদ্ভিদ বিভাগ

হঠাৎ শব্দ এটা শুনি সাৰি পালোঁ। বিজুলী বাতি জ্বলি আছে। ঘড়ীলৈ লক্ষ্য কৰি দেখিলো ১টা বাজিবলৈ ১০ মিনিট বাকী আছে। শব্দটো সঠিক ক'ৰ পৰা আহিছে থিৰাং কৰিব নোৱাৰি বহুতো কিবা কিবি ভাবি আছো। এনেতে আকৌ শব্দ। এইবাৰো শব্দটোৰ সঠিক অনুমান কৰিব নোৱাৰি বহি ললোঁ। আকৌ শব্দ এইবাৰ কিন্তু আগতকৈ বিকট শব্দ। শব্দটো ঠিক বিজ্ঞান শাখাৰ জীৱ বিজ্ঞানৰ পৰীক্ষাগাৰৰ পিনৰ পৰা অহা অনুমান হ'ল। গভীৰ নিশা। তাতনো কাৰ দৰ্কাৰ হ'ল। ঘটনাটোৰ বিষয়ে জানিবলৈ ইচ্ছা উপজিলেও অকলশৰীয়া হিচাবে ভয়ও লাগি আছে। কলেজৰ নৈশ চাকৰজনো নাই। সি অৱশ্যে মোক অকলে এৰিথৈ যাব বিচৰা নাছিল। মইয়ে তাক ঘৰলৈ পঠিয়াই দিছোঁ। এবাৰ ভাবো ছাত্ৰাবাসলৈ গৈ ল'ৰা কেইজনমানক মাতি আনো। আকৌ ভাবো ল'ৰাবোৰক মাতিবলৈ যাওঁতে যদি ঘটনা ভয়াবহ হয়। কাৰণ শব্দটোৰ লগত এজনী ছোৱালীৰ হুমনিয়া মোৰ কাণত পৰিল। এফালে ভয় আনফালে ঘটনাটো উদ্‌ঘাটন কৰিবলৈ বিৰাট আগ্ৰহ। পলাই আহতে সৰু কটাৰিটো লবলৈ পাহৰিলো। সাহস অলপ গোটাই দুখোজমান আগবাঢ়িছো মাথোন এনেতে বাওঁফালে বিকট ভাবে হাঁহি থকা ধুনীয়া ছোৱালী এজনী চকুত পৰিল। হি, হি, হি ···· ছাৰ, ভয় খাইছে নেকি ? ভয় নাখাব। এইখিনিকৈ ছোৱালীজনী উচপিবলৈ ধৰিলে। মোৰ গাৰ লোম ডাল ডাল হ'ল। কপি কপি মই কলো তুমি কোন ? তোমাক কি লাগে, ইয়াত, ·· ···। আকৌ হাঁহি আৰু উচপনি ········। ছোৱালীজনী উপচি উপচি কলেজৰ পুখুৰীৰ পাৰত থকা আম গছৰ তললৈ যাবলৈ ধৰিলে মইয়ো অজানিত ভাবে ছোৱালীজনীক অনুসৰণ কৰিবলৈ ধৰিলো আৰু সুধিলো, তুমি কলৈ যোৱা ? ছোৱালীজনীয়ে কলে আহকনা ছাৰ আপোনাক মই মোৰ জীৱনৰ বিষাদময় কাহিনীটো কম। আহক ছাৰ। ছাৰ, হয়তো আপুনি বিশ্বাস নকৰিব পাৰে। তাই দীঘলীয়া হুমনিয়া এটি মাৰি কবলৈ ধৰিলে- ছাৰ, আপুনি কাৰোবাক ভাল পাইছে ? যদি পোৱা নাই ভাল বাৰু। আৰু পালেও প্ৰবঞ্চনা নকৰিব, ছোৱালীক লৈ খেলা

নকৰিব । আজি মই ক'তো ঠাই পোৱা নাই একমাত্ৰ আপোনাৰ দৰে এজন ছাৰৰ প্ৰবঞ্চনাত, বিশ্বাস ঘাতকতাত । সেই যে আমাৰ সাহিত্যৰ ছাৰ মোক বৰ ভাল পাইছিল । মইয়ো ছাৰক মোৰ জীৱনৰ সকলোখিনি বিলায় দিছিলো । ছাৰজন আমাৰ ঘৰলৈ প্ৰায় মাজে সময়ে আহিছিল । আমাৰ আইয়ে ছাৰক বৰ মৰম কৰিছিল । কেতিয়াবা ছাৰে আমাৰ কাৰণে মিঠাই লৈ আহিছে । আমি আটায়ে মিলি আনন্দেৰে খাইছোঁ । মাৰ লগত বহি মোৰ বিষয়ে বহুত কথা পাতিছে । কথা প্ৰসংগত মোক বিয়া কৰাব বুলি কথা দিলে । ছাৰৰ কথাত আমি আটায়ে ভুল গলো । বিশেষকৈ মই ছাৰক আগতকৈ বেচি ভাল পাবলৈ ধৰিলো মই নিজকে গৌৰান্বিত অনুভৱ কৰিলো । বন্ধু-বান্ধৱীৰ ওচৰত চিঠি পত্ৰ লিখি মোৰ প্ৰেমৰ কাহিনী জনাবলৈ আৰম্ভ কৰিলো । বহুতে মোক ভাগ্যৱতী বুলি শুভেচ্ছা দিলে । মইয়ো নিজক পাহৰি পেলালো । দিনবোৰ পাৰ হোৱাৰ লগে লগে মোৰ ভাল পোৱা গভীৰ হবলৈ ধৰিলে । মই মোৰ দেহ ছাৰ-জনৰ ওচৰত সম্পূৰ্ণ ভাবে বিলাই দিলো । ছাৰও আমাৰ ঘৰত ঘনাই অহা যোৱা কৰিবলৈ ধৰিলে । গাওঁৰ সকলোৰে মুখত মোৰ প্ৰেমৰ তথা ছাৰৰ লগত ঘৰ সংসাৰ হোৱাৰ কথা চলিবলৈ ধৰিলে । এদিনাখন ৰবিবাৰ ছাৰে আমাৰ ঘৰলৈ আহি মাৰ লগত কথাবতৰা পাতিছে । মই ছাৰক চাহ একাপ দিম বুলি পাক ঘৰত সোমাইছোঁ । পানী প্ৰায় গৰম হৈছে । চেনি দিয়া নাই ঠিক এনেতে মাৰ লগত ছাৰৰ বাক বিতংকতা শুনিবলৈ পালো । ছাৰে মাক ধমক দি কৈছে মই ৰীণাকে বিয়া কৰাব লাগিব ? মিছা মই ৰীণাক বিয়া কৰাব নোৱাৰো । আপুনি তেনেকৈ মোক বিশ্বাস কৰাটো ভুল হৈছে । নহয় বোপা ! নহয় । তুমি ৰীণাক বিয়া কৰাবই লাগিব কাৰণ তাই এতিয়া ··· । ······ তাৰ বাবে মই দায়ী নহয় । তাই নিজেই । কাৰণ তাই, মোক ইমানখিন বিশ্বাস কৰিব নেলাগিছিল । তাই নিজেই বিপদত পৰিবলৈ আগবাঢ়ি আহিছে । মই তাইক গ্ৰাস কৰিবলৈ বিচৰা নাছিলো কিন্তু তায়ে মোক বাধ্য কৰাইছে ······ । ছাৰৰ প্ৰতিটো শব্দ মোৰ বাবে বিষ আছিল । ছাৰে খং কৰি গুচি গল । মই থিয় হৈ থাকোতে কেতিয়া মূৰ্চ্ছা গলো কবই নোৱাৰিলো । ·········· । তাই উপচিবলৈ ধৰিলে । ········ । মই তাইক কলো ৰীণা তুমি জীয়াই থাকিব লাগিব আৰু ঠক প্ৰবঞ্চকৰ বিৰুদ্ধে যুজি জয়ী হব লাগিব । তথা অইনে তোমাৰ দৰে কৰিব বিচৰা ভুলৰ পৰা বঞ্চিত কৰিব লাগিব ।

তাইক এইদৰে বুজাই থাকোতে অজানিতে মোৰ দুধাৰি চকুলো ওলাই আহিল । ছাৰ আপুনি কান্দিছে । ছাৰ আপুনি । মইচকুলো মুচিবলৈ হাত ওপৰলৈ নৈছো মাথোন এনেতে তাই বিকট হাঁহি এটি মাৰি অন্তধান হ'ল । মই টেটু ফালি তাইক মাতিবলৈ ধৰিলো । ······ ভয়ত মোৰ কণ্ঠ শুকাই গ'ল । ক্ৰমলৈ আহিব ধৰিছো এনেতে ৰহমত ছাৰ বুলি কোনোবাই মাতাতহে মোৰ সংগা আহিল । জ্ঞান পাই দেখো নৈশ চাকৰজন মোৰ ওচৰত । ছাৰ আপুনি কাক চিঞৰি চিঞৰি মাতি আছিল । তাই প্ৰায় মাজে সময়ে ওলাই ছাৰ । আহক ছাৰ । ক্ৰমলৈগে দেখো ।

+ ● +

---

● ৰস ৰচনা ●

# —ৰেগিং—

ময়নুল হক
টি, ডি ছি প্ৰথম বাৰ্ষিক কলা ( প্ৰধান )

"এই ভাইটি এইফালে আহাচোন" মই নোটিচ বোৰ্ডৰ পৰা ৰুটিন লিখি থাকোতে, এজন ছাত্ৰই মূৰটো তুলি তেওঁৰ ফালে চাই সুধিলো, "কত" ভয়ত মোৰ অন্তৰ কপি উঠিল । "আহাচোন মোৰ লগত, তোমাক মাতিছে" । ছাত্ৰজনে মোক জুৰ দি কলে । মই ভয়ে ভয়ে আকৌ সুধিলো, "কোনে মাতিছে মোক" ।

সেইদিনা পশিচ তাৰিখ । এনেই বুঢ়ী নাচনী তাতে আকৌ নাতিনীয়েকৰ বিয়া । কলেজীয়া জীৱনৰ প্ৰথম দিন । লগৰীয়া ছাত্ৰসকলে মোক ৰেগিংৰ কথা কৈ ভয় দেখুৱাইছিল । কলেজৰ গেট পোৱাত অন্তৰটো ভয়ত কপি উঠিল । লাহে লাহে কলেজৰ ভিতৰত প্ৰবেশ কৰিলো । নোটিচ বোৰ্ডত প্ৰত্যেক দিনৰ ক্লাচৰ ৰুটিন দিয়া আছে । তাৰ পৰা ৰুটিন লিখি থাকোতে উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ এজন ছাত্ৰই এনেকুৱা মধুৰ বাণীৰে মৰম কৰিছিল ।

"ভালে ভালে কৈছো মোৰ লগত আহা নহ'লে ······ । মোৰ চোলাত ধৰি চকু ৰঙা কৰি মোক টানিলৈ যাব ধৰিলে । ওচৰতে ছাত্ৰ জিৰণি কোঠা । মই যাবলৈ বাধ্য হ'লো । গৈ আছো । এনেতে আকৌ ঘুৰি আহিলো । অন্তৰত যদিওঁ ভয়, তথাপি মোৰ বৰ খং উঠিল । কাৰণ আধা বাট যোৱাৰ পিছত দেখিলো যে সেই কোঠাত কোনেওঁ নাই । অথচ মোৰ পিছে পিছে পুলিচে চুৰ ধৰি নিলে, আজি কালিৰ ল'ৰা-ছোৱালীবোৰে যেনেকৈ পিছে পিছে যায়. ঠিক তেনেকুৱা এটা ছাত্ৰৰ দল । দলৰ সকলোৱে কলেজৰ পুৰণা ছাত্ৰ । সকলোৰে মুখত কিৰিলিয়াই হাহি থকা । মোৰ অন্তৰৰ ভয় নাইকীয়া হ'ল , বৰ বেয়া লাগিল ।

নতুন ছাত্ৰক এনেকুৱা ব্যৱহাৰ কৰা হয়নে? এইয়া জানো উচ্চ শিক্ষাৰ আচৰণ। মোক কোৱা হ'ল যে কোনোৱাই মাতিছে। কিন্তু সেই কোঠাত কোনেওঁ নাই। মোক টনা আজোৰা কৈ লৈ যাব খুজিলে। কিন্তু স্নাতক মহলাৰ এজন পুৰণা ছাত্ৰই মোক তাৰ পৰা বাহিৰ কৰি দিলে। তেওঁ কলে, "এনেকুৱাকৈ ল'ৰা বিলাকক টানিলৈ ৰেগিং নকৰিবি"।

কে'নো ক্লাচ নকৰাকৈ কঠিন এখন লিখি সেইদিনা ঘৰলৈ ঘোৰাৰ সিদ্ধান্ত কৰিলো। অন্তৰত নানা ভয় নানা চিন্তা। বাটেৰে আহোতে কেৱল এইটোয়েই চিন্তা কৰো আৰু নিজকে নিজে নানা প্ৰশ্নৰ উত্তৰ দিওঁ। মুঠতে সেই দিনৰ পৰাই কলেজলৈ আহোতে যাওতে কেৱল এই চিন্তাই মূৰটো খুলি খাব ধৰিলে। কলেজত প্ৰৱেশ কৰিলে দেখা যায় কোনোবা কলৈ গল ৰেগিংৰ কাৰণে। নতুন ছাত্ৰ বিলাক যেন পুৰণা ছাত্ৰৰ ঠাট্টা আৰু আমোদ প্ৰমোদৰ সামগ্ৰী। এটা ক্লাচ কৰি পোনে পোনে কলেজৰ বাহিৰলৈ গলেহে থিয় হব পাৰি। কেতিয়াবা আকৌ ক্লাচ এৰিওঁদিব লাগে। ভাবিছিলো এনেকৈ ভয় কৰি কৰি আদৰণী সভাৰ আগলৈ ক্লাচ কৰিব লাগিব। কিন্তু সেইয়া এদিনৰ ডাৱৰীয়া বতাহে নাইকিয় কৰি দিলে।

সেই দিনা বুধবাৰ। অক্টোবৰ মাহৰ আঠ তাৰিখ। সিম সিমকৈ বৰষুণ পৰি আছে। লগৰীয়া এজনৰ ছাতাৰ তলত কলেজত আহিছোঁ। ডাৱৰীয়া বতৰ থকাৰ কাৰণে কলেজত অধ্যাপক, অধ্যাপিকা, আনকি ছাত্ৰ-ছাত্ৰীওঁ বেচি আহিব পৰা নাই। এটা ক্লাচ কৰিছিলো। এখন ঠাইত থিয়হৈ আছো। এনেতে বিজ্ঞান শাখাৰ এজন ছাত্ৰই মোক পিছ ফালৰ পৰা মাতিছে। লগত দহ বাৰ জন পুৰণা ছাত্ৰ। মই তেওঁলৈ ঘুৰি চাইছো। কিন্তু তেওঁক বেলেগ ফালে চাই থকা দেখিলো পুৰণা ছাত্ৰ আহি থকা দেখি তাৰপৰা লাহে লাহে আতৰি যাব ধৰিছো। এনেতে আকৌ মাতিলে, "অ ভাইটি শুনাছোন" মই পিছ-ফালে চাই একে অৱস্থাকে দেখিলো। এইবাৰ মোৰ খোজৰ গতিটো অলপ বঢ়াই দিলো। ছাত্ৰজনে এইবাৰ বৰকৈ খং কৰি কলে, "হেৰা, তুমি কথা নুশুনা নেকি? নে কলা? তেতিয়া মই থিয় হ'লো। মই সুধিলো, "দাদা আপোনি মোক মাতিছে নেকি? তাৰ মানে সেই ছাত্ৰজনৰ এটা চকু সৰু। এইবাৰ মোক সুধিলে, "আমি তোমাৰ পৰিচয় বিচাৰো গতিকে সৌৱা Science ব্লকত বলা"।

মই বেমাৰীৰ ভাওঁ ধৰি কলো, "মোৰ অসুখ আছে, গতিকে মই এতিয়া যাব নোৱাৰিম। "অই গৰু চুৰ আমি তোতকৈ সৰুনে ডাঙৰ? এজন ল'ৰাই চকু ৰঙা কৰি প্ৰশ্ন কৰিলে। কঁপি কঁপি উত্তৰ দিলো "ডাঙৰ"। "তেনেহ'লে আমাৰ কথা নুশুনা কিয়" অইন এজন ল'ৰাই সুধিলে। মোক প্ৰায় পোন্ধৰ মিনিটমান তৰ্ক কৰাৰ





পিছত এখন কোঠাত প্ৰৱেশ কৰাৰ কাৰণে বাধ্য কৰালে। "তোমাৰ পৰিচয়টো অসমীয়াত দিবানে ইংৰাজীত দিবা' ? এজনে সুধিলে। মই মুৰটো তল কৰি ইংৰাজীত দিম বুলি কলো। মোক চেণ্ডেল যোৰ খুলিবলৈ কি সুধিলে "তুমি কৰ পৰা আহিছা" উত্তৰ দিলো ঘৰৰ পৰা। "নহয় কোন স্কুলৰ পৰা ? মোক আকৌ সুধিলে। যিখন স্কুলৰ পৰা হাইস্কুল শেষান্ত পৰীক্ষা দি কলেজৰ মজিয়া গচকিবৰ সমৰ্থ হৈছো, সেইখন স্কুলৰ নাম কোৱাৰ লগে লগে মোক কলে "সেই কাৰণেইতো, ইমান দাদাগিৰী" পুৰণা ছাত্ৰসকলৰ চলিত ভাষা "দাদাগিৰী"।

মই মোৰ পৰিচয় দি আছো, "*My name is Ismail*„ "হেৰা তুমি মুছলমাননে, হিন্দু" আকৌ প্ৰশ্ন কৰা হ'ল। "মুছলমান মই কলো। "তেনেহ'লে"...... । *My name Mohammad Mainul* "তুমি দেখুন ফৰেণ্টৰ ইংৰাজী কোৱাহে"। চাৰিওঁ ফালৰ পৰা ধমকি, আৰু প্ৰশ্ন। আকৌ কব ধৰিলো *My name is Md. Mainul Vill...... P.O......Via .....Dist ... Pin- 783:92*। "এনেকুৱা পিনতো কতো দেখা নাই"। এজনে মোক কলে। কেৱল প্ৰশ্ন-প্ৰশ্ন-প্ৰশ্ন—। চাৰিওঁফালৰ পৰা আহে প্ৰশ্ন বহুত প্ৰশ্নৰ পিছত মোক যাবলৈ দিয়া হ'ল। মই উলটা প্ৰশ্ন আৰম্ভ কৰিলো।

সুধিলো দাদাহঁত আপোনালোকৰ এই ৰেগিংৰ দ্বাৰা দুটা সং উপদেশ পালো। বোধ কৰো জীৱনত কেতিয়াওঁ পাহৰি নাযাম। "কি উপদেশ কোৱাছোন" মাজৰ পৰা এজনে সুধিলে। উত্তৰ দিলো প্ৰথমটো হ'ল সদায় মিছা কথা কব লাগে। দ্বিতীয়টো হ'ল ডাঙৰক সন্মান কৰিব নালাগে। ইয়াৰ জলন্ত প্ৰমান হ'ল যে 'মোক মাতি অনাৰ সময়ত কোৱা হৈছিল, "তোমাক মাতিছে" কিন্তু ইয়াত কোনেও নাছিল। দ্বিতীয়টো হ'ল যে আপোনালোকে সাধাৰণ সম্পাদকে নতুন ছাত্ৰক ৰেগিং কৰিবলৈ নিষেধ কৰা জাননী নিশ্চয় পাইছে। আনকি অধক্ষ্য মহোদয়েওঁ এই বিষয়ত নিষেধ কৰিছে। ছাত্ৰৰ মূৰব্বী সম্পাদক, কলেজৰ মূৰব্বী অধক্ষ্যক আপোনালোকে মান- সন্মান কৰা নাই গতিকে আপোনালোকৰ আচৰণক আমি গ্ৰহণ কৰাৰ কাৰণে বাধ্য হম।" এনেতে এজনে কলে আমিতো ৰেগিং কৰা নাই, পৰিচয়হে লৈ আছো। পৰিচয় যদি লব লাগে কোনেওঁ নজনা নিৰ্জ্জন কোঠাত যাব লাগে কিয় ? পৰিচয় যতে ততে হব পাৰে বোধ কৰো কোনেওঁ বাধা নিদিয়ে?

পুৰণা ছাত্ৰৰ দ্বিতীয় ভাষা হ'ল গৰু চুৰ।

সূতাতো সূত চক্ৰ বৃদ্ধি সূত !
চুৰতো চুৰ গৰু চুৰ !

—●—

# নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সদস্য/সদস্যাসকল

★ ১৯৮৭-৮৮ ইং চন ★

বাওঁফালৰ পৰা সোঁফাললৈ—

প্ৰথম শাৰীত ( বহি ) — তাইজুদ্দিন আহমেদ (সাধাৰণ সম্পাঃ ছাঃ এঃ সঃ) আব্দুল খালেক চৌধুৰী (তত্বাঃ গুৰু খেল বিভাগ), প্ৰৱক্তা আঃ আজিজ চৌধুৰী (তত্বাঃ সমাজ সেৱা বিভাগ), অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি, ছাত্ৰ একতা সভা), উপাধ্যক্ষ মোজাম্মেল হুচেইন, প্ৰৱক্তা মীৰ্জা আঃ হামিদ (তত্বাঃ আলোচনী বিভাগ), আব্দুছ ছামাদ (সম্পাদক, আলোচনী ৰিভাগ) ।

দ্বিতীয় শাৰীত ( থিয় হৈ ) — জেহেৰুল ইছলাম ( সঃ সাঃ সম্পাঃ, ছাঃ এঃ সঃ) জিন্নত আলী ( সঃ লঘু খেল বিভাগ), ইচাহাক আলী ( সঃ তৰ্ক বিঃ ), ছামছুল আলম ( সঃ সমাজ সেৱা বিঃ ), জয়নাল আহমেদ ( সঃ গুৰু খেল বিঃ ), ৰবিউল হুচাইন খান ( সঃ শৰীৰ চৰ্চা বিঃ ) মিচ ফিৰোজা বেগম ( সম্পাদিকা, সাংস্কৃতিক বিভাগ ), মিচ মালেকা খাতুন (সম্পাদিকা ছাত্ৰী জিঃ কোঠা) ।

বিঃদ্ৰঃ— ছবিত কেবাজনো সদস্য উপস্থিত নথকা বাবে আমি দুঃখিত ।



কাৰ্য্যকৰী সমিতিৰ সদস্য/সদস্যাসকল
১৯৮৭-৮৮ চন

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি
## ১৯৮৭-৮৮ চন



বাওঁফালৰ পৰা—

প্ৰথম শাৰীত ( বহি ) ঃ প্ৰৱক্তা মীৰ্জা আঃ হামিদ ( তত্বাঃ আঃ বিঃ ), অধ্যক্ষ, আব্দুছ ছাত্তাৰ আহমেদ ( সভাপতি ), এম, মোজাম্মেল হুচেইন ( উপ-সভাপতি )

দ্বিতীয় শাৰীত ( থিয় হৈ ) ঃ আব্দুছ ছামাদ ( সঃ আঃ বিঃ ) তাইজুদ্দিন আহমেদ ( সদস্য )।

# সকলো ভাষাই সকলোৰে উপযোগী হোৱা উচিত

অধ্যাপক, খন্দকাৰ আঃ গফুৰ
। নৱজ্যোতি মহাবিদ্যালয় ।

'ভাৰা' সলনি কৰি কোনো গোষ্ঠী বা জাতিয়ে কোনো এটা জাতি বা গোষ্ঠীৰ মানুহত পৰিণত হব নোৱাৰে। বৃটিচসকল ২৫০ বছৰ কাল ভাৰত তথা অসমত শাসন-ভাৰ চলাইছিল। নাইৰা কোনো অসমীয়াই যদি এতিয়াৰ পৰাই গোটেই জীৱন ইংল্যাণ্ডত থাকে, ৰসৰাস কৰে সি কেতিয়াওঁ ইংৰাজ বুলি স্বীকৃতি নেপায়। এজন অসমীয়াই হওঁক বঙালীয়েই হওঁক, বড়োয়েই হওঁক মাদ্ৰাজীয়েই হওঁক পৃথিবীৰ যিকোনো কোণৰ পৰা যোৱা আৰু ইংল্যাণ্ডত নিগাজীকৈ বসবাস কৰিবলৈ লোৱা ব্যক্তি এজন কেতিয়াবা জানো ইংৰাজ বুলি স্বীকৃতি পাব ? এজন ইংৰাজ হবলৈ হ'লে তাৰ কিছুমান সামাজিক আচাৰ ৰীতি নীতি, নিয়ম, কৃষ্টি আৰু ভাষাই তাক ইংৰাজ বুলি আমি অতি সোনকালে চিনিব পাওঁ। ইংৰাজ এজনে থিয় হৈ প্ৰচাৰ কৰে, ইংৰাজী ভাষা কয়, লংপেণ্ট পিন্ধে, গৰম খাদ্য খায় (গোহাৰি, মদ, মাংস) ইত্যাদি। ধৰ্মীয় আচাৰ ব্যৱহাৰৰ ক্ষেত্ৰত গীৰ্জালৈ যায় আৰু বাইবেল পঢ়ে। কিন্তু সেই বুলি ইংল্যাণ্ডৰ মুছলমানসকল জন্মগত স্বত্বলৈ ইংল্যাণ্ডবাসী হোৱাৰ কাৰণে তেওঁলোকৰ আচাৰ আৰু ধৰ্মীয় কাৰ্য্যকালাপ ভিন্ন !

আজি অসমৰ কথালৈ আমি বৰকৈ মন কৰিব লগীয়া হৈছে। আমি দেখিছো অসমত বসবাস কৰা অনা অসমীয়াসকলেওঁ চেহেৰা পাতিয়ে কথাই বতৰাই, হাঁহি কান্দোনত চলনফুৰণত, হাড়ে হিমুজিয়ে অসমীয়া জাতৰ হৈ পৰিছে।

অসমত বসবাস কৰা সকলো মানুহে একেটা গছৰ ঠানিহে মূল অসমীয়া গছৰূপী বস্তুটোক 'ছা' কৰি ৰাখিছে। কিন্তু প্ৰকৃতিৰ কৰবত যেতিয়া গছৰ ঠানিবোৰে কুৱাকুৱি কৰে মূল গছৰ কোনো অনিষ্ঠ সাধন নহয়। ধুমুহাৰ পিছত ধ্বংস হোৱা ঠানিবোৰ কাটি পেলালেও পুনৰ নকৈ গজি গজি তেনেকৈ মূল গছৰ ক্ষতি নোহোৱাকৈ ঠানিবোৰে জীৰ্ণ অৱস্থাত জীয়াই থাকে। অসমত থকা অনা অসমীয়াসকলে অসমীয়া হ'ল। কিন্তু এওঁলোকক অসমীয়া কোনে কয় ?

অসমত অনা অসমীয়া এজনে অসমীয়া হবলৈ যোৱা অসমীয়াই এজনে ইংল্যাণ্ডত

ইংৰাজ হোৱাৰ দৰেই । কোনোৱা অসমীয়া জন্মগত স্বত্বলৈ অসমীয়া হোৱা আৰু বঙালী, বড়ো, কছাৰী, টাই আদি ভাষিক গোষ্ঠীৰ নিজৰ স্বকীয়া মাতৃভাষা থকা সত্বেও অসমীয়া বুলি পৰিচয় দিয়া একেই কথা । এওঁলোকে নিজক অসমীয়া বুলি স্বীকৃতি দিয়াতকৈ জন্মগত ভাৱে অসমীয়া হোৱাতকৈ ভিন্ন ।

অসমীয়া ভাষা চহকী কৰাৰ কাৰণে অনা অসমীয়া গোষ্ঠীয়ে শতকৰা কিছু না কিছু পৰিমাণে বৰঙণি আগবঢ়াইছে । মূল অসমীয়া জাতিৰ ভেটি প্ৰতিষ্ঠা কৰাত অনা অসমীয়াৰ কোনো পদ্ধতিতেই সম্ভৱ নহয় । যেনেকুৱা গোহাই নহ'লে হোম পুৰা সম্ভৱ নহয় তেনেকুৱা অনা অসমীয়াই মূল অসমীয়া হৈ হোম পুৰা ক্ষমতা কেতিয়াওঁ নেপায় ।

অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ভাষা আৰু জাতিৰ নামত যোৱা দহটা বছৰত বিশেষকৈ স্বাধীনতাৰ ৪২টা বছৰত অসমত বসবাস কৰা অনা অসমীয়াৰ ওপৰত অসমীয়াসকলে ইংৰাজসকল বৃটেইনলৈ যোৱাৰ পিছত এওঁলোকৰ ওপৰত বৃটিচহঁতে অত্যাচাৰ চলাইছে । কিন্তু এই খিলঞ্জীয়া অসমীয়াৰ গতি বৃটিচৰ চৰিত্ৰ নিজৰ গাত সানিলৈ আৰু অত্যাচাৰ কিমান কাল কৰিব ?

বৃটিচসকলৰ দৰে ২৫০ বছৰ কালনে আৰু অনেক বেছি । কিন্তু ই জানো গোটা অসমীয়া জাতিৰ দোষ । কেতিয়াওঁ নহয় । বৃটিচসকলৰ দিনতো কোম্পানীৰ অধিনত ব্যৱসায়ৰ নামত কিছুমান ক্ষমতা-লোভীয়ে যেনেকুৱা ভাৰত শাসন কৰিছিল অসমতো এচাম জাতি গোষ্ঠী বিভাজনকাৰী, ভাৰত বিৰোধী শক্তিয়ে ক্ষুদ্ৰ মনলৈ সৰু মনাৰ কাম কৰি আছে । লৰ্ড নাথান ব্ৰাউনৰ দৰে ইংৰাজ এজনে যেনেকুৱা অসমীয়া ভাষাক পৰিপক্ক ভাষা, জাতি গোষ্ঠীলৈ ৰূপান্তৰ কৰিবলৈ অহৰহ চেষ্টা চলাইছিল অসমীয়া জাতিৰ এচামে বহল ভিত্তিত অসমীয়া ভাষা গঢ়াৰ শক্তিক যাতে অহা দিন কেইটাত পুনৰ গৰ্জি উঠিব নোৱাৰে তাৰ বাবে আমি অসমীয়া আৰু অনাঅসমীয়াৰ মিলন জৰিৰে বান্ধি সোনৰ অসম গঢ়াত শক্তিবন্ত হৈ উঠা উচিৎ । কোনো ভাষাই কোনো মানুহৰ কাৰণে অনুপযোগী নহয় । অৰ্থাৎ সকলো ভাষাই সকলোৰ উপযোগী হোৱা উচিৎ ।

—●—



# কবিতা

## সুলভ মূল্যৰ দোকান

মোঃ সাহজাহান আলী
এইচ, এচ, চি, দ্বিতীয় বৰ্ষ ( কলা )

বহুদিনৰ পুৰণী............
ফটা ছিটা যদিও এইখন সুলভ মূল্যৰ দোকান ।

বহুদিনৰ পুৰণী...........
আলমাৰিত তৰপে তৰপে সজাই থোৱা বস্তুবোৰ ।

লৈ যোৱা— কাষচাপি আহি—;
যাৰ যি বস্তুৰ প্ৰয়োজন ।
ইয়াত বেহাই মূল্যত বিক্ৰি কৰা হয়— ।
বহুদিনৰ পুৰণী মোৰ হৃদয়খন
তোমালোকৰ বাবে
এখন সুলভ মূল্যৰ দোকান । ●

## সময়

মিছ নুৰুন নেহাৰ
টি, ডি, চি প্ৰথম বৰ্ষ

এটি নিৰ্ব্বাক স্পন্দিত গতি
উৰি যায় তিব্ৰতাৰে
পৃথিৱীৰ চক্ৰযানত,
অদৃশ্য শুন্যতাৰে,
হেৰোৱা দিনৰ
সুখ দুখৰ ৰোমন্থন
এৰি থৈ যায়
কোনোৱাৰ চকুৰ টোপালত
ওঠৰ এচমকা হাঁহিত
হৃদয়ৰ নিভৃত কোণত ।
উভতি নাহে
প্ৰতীক্ষা নকৰে কাৰো বাবে
যাথো নিজ গতিৰে
হেৰাই যায়
বিস্মৃতিৰ অতল তলিত । ●

## প্ৰেম ঐজন সৈনিকৰ প্ৰতি

মিচ্ কহিনুৰ বেগম
এইচ, এছ, দ্বিতীয় বাৰ্ষিক ( কলা )

মই
অকলশৰে
ৰাতিৰ প্ৰান্তৰে প্ৰান্তৰে
তোমাৰ চিতাৰ
ভস্ম ছাইৰ কাষত
বিছাৰিছো তোমাৰ সানিধ্য
এটি নৱজাতক
শিশুৰ দৰে
ছাইবোৰ খামুচি ........
তোমাৰ স্পৰ্শ
মধুময় বাণী
বিপ্লৱী গীতৰ তানত—
মই সচাঁকৈয়ে প্ৰতিজ্ঞাবদ্ধ ।
তুমি যি বাটেৰে
মই সেই বাটেৰে.............
মই
তেজাল ঘোঁৰাৰ শব্দ শুনিছো
খট্ খট্ খট্
তুমি যি বাটেৰে.............
মইও সাজু
তোমাৰ ঘোৰা চেকুৰাই...... ●

## ৰক্তাক্ত বিপ্লৱীহঁত

মোঃ লাল মামুদ
টি, ডি, চি ২য় বৰ্ষ

হেৰ, তহঁতেইনে বাৰু—
সেই ৰক্তাক্ত ইতিহাসৰ বিপ্লৱীহঁত,
লৈছিলি জীৱনৰ ধ্বংসমুখী পথ;
কৰিছিলি তেজেৰে ৰাঙলী দুইহাত,
সানিছিলি অস্ত্ৰ সহোদৰৰ গাত ?
হেৰ, তহঁতেইনে বাৰু—
আৱাজ তুলিছিলি দেশ গল বুলি,
ক্ষুধাৰ্ত ৰাক্ষসৰ ৰূপত লহ-লহ জিভা
মেলি; পান কৰিছিলি তেজ,
হেৰ, তহঁতেইনে বাৰু—
এই অসম ভূমিৰ পবিত্ৰ সন্তান, ?
প্ৰকৃত সন্তানৰ গাত সানিছিল বাণ,
সহস্ৰ নৰ-নাৰীৰ বুকুৰ তেজেৰে,
স্নান কৰিছিলি গাৱ বলেৰে ?
হেৰ তহঁতেইনে বাৰু—
নেলী, গহপুৰৰ নাটকৰ অভিনেতা,
সভ্যতাৰ যুগৰ বিপ্লৱী শিক্ষাদাতা;
কুট্‌মৰ তেজেৰে ৰান্ধি বাঢ়ি খাওঁতা,
অসহায়া গাভৰুক ধৰ্ষণ কৰোতা ?
হেৰ, ৰক্ত পিপাসু বিপ্লৱীহঁত—
এইবোৰেইনে অসমৰ মুক্তিৰ পথ ?

## কত ন—
## আৰু কত দিন—

মোঃ সাহজাহান আলী
এইচ, এচ, দ্বিতীয় বৰ্ষ ( কলা )

কত দিন ............
তোমাৰ গীতত !
কত দিন ............
তোমাৰ গীতত ............
—আৰু কতদিন মোৰ............
বিষাদৰ নীৰৱ অশ্ৰু মৰুৰ তপত বালিত সৰি
পৰে ।
আৱাজ পালে ;
বুকুত অমিতাৰ ফুল ফুলে—
আৰু কত দিন ............
আৰু ...... কত দিন ...... ...
স্বপ্ন ভুলাৰ অবিৰাম যাত্ৰা ?
এইতো প্ৰেম: প্ৰিয়তমা— ?
তোমাৰ বাবে
ঈশ্বৰৰ বাবে
আৰু ............
আৰু দেশৰ-মানুহৰ বাবে
মোৰ মাংসত প্ৰতিটোপা তেজ ত্‌গৱ্‌গায়
স্বপ্ন ভুলাৰ অবিৰাম যাত্ৰাত;
'ইনক্লাব জিন্দাবাদ'ৰ দৰে—
কত দিন ..........
আৰু কত দিনৰ নিঃশেষ বুকুত
প্ৰেমৰ স্বাক্ষৰতাত ।

## সুখ বিৰত

মিচ. হামিদা ইয়াছমিন ।
টি, ডি, চি, তৃতীয় বৰ্ষ ।

লাগিছে ভাগৰ ক'ত মানৱৰ
শোকৰ দুখলৈ চাই
কৰিছে কোনোৱে প্ৰেম উপভোগ
প্ৰেমৰ পুতুলা হ'ই ।
হায় যদি আজি থাকিলেহেঁতেন
প্ৰাণৰ হাচনা মোৰ
নোৱাৰে হাঁহিব শত্ৰুৰে আজি
সুখৰো নপৰে ওৰ ।
কালৰ গতিত ঘুৰিছে জীৱন
নাই কোনো লৰচৰ
সেইবোৰে আজি মোৰ অন্তৰত
হৈছে কতনা বেজৰ । ( বাধা )
ক'ত বেদনাৰ মাজে মাজে মই
মনক কৰিছো স্থিৰ
নিষ্ঠুৰ হৃদয়ে থাকিব নোৱাৰে
হৃবলৈ খোজে অস্থিৰ ।
মনৰ বিষাদ হৃদয়ৰ মাজত
শুনো বিগতৰ কথা
সেয়েহে এতিয়া চোকা বিষ হ'ল
সেয়েহে লাগিলে লেঠা ।
ক্ৰুত চাৱনিৰে মৰমৰ বান্ধটি
আবেগতে সোলোকাই
গ'ল বিৰত হৈ এৰি গুচি ক'ত
বিষাদ ভাবত থই ।
সুখৰ পিৰামিড্‌ সাজি তাত বহ মই
দুখৰ উপৰি দুখ
নাই নেকি মোৰ ইহ সংসাৰত
দুখ অবিহনে সুখ ?

## ঃ এইখন বজাৰতে ঃ

আব্দুছ ছামাদ
ত্ৰি-বাৰ্ষিক (কলা)

এইখন বজাৰ:ত—
বঞ্জাহঁতৰ ঘৰ,
ইখন দুৱাৰৰ সিফালেদি
বিশৃংখল নিশাবোৰ ৰোমাঞ্চিত হৈ পৰে
বিদেশী চিগাৰেটৰ ধোঁৱাৰে,
কটাই দিয়ে নিশ:বোৰ বেশ্যাহঁতে
ৰাক্ষসহঁতৰ যুদ্ধৰ সামৰণি ঘটাই ।
আনখন দুৱাৰেদিঃ
ভজা মাংসৰ লগত মদৰ মজা,
তাৰে দাঁতিত—
নৰ্দমাৰ ৰাজভোগ খায়
এচাম বস্ত্ৰহীন প্ৰজাই
যাৰ হৃদয়ৰ খাপে খাপে
আজন্মৰ উমান লৈ
জ্বলি উঠিছে চিৰ মুক্তি-বন্তি—
ধপ্‌-ধপ্‌-ধপ্‌ ।
এইখন বজাৰতে । ..........

## অব্যাহতি

ছোলাইমান হুছাইন
এইচ, এছ, ছি, ২য় বাৰ্ষিক

সংগ্ৰ বিপ্লৱৰ ফহল—
দেশ স্বাধীন,
পৰাধীনতাৰ শৃংখল-মুক্ত,
—বগা চাহাব গল
কলা চাহাববোৰ কিন্তু ৰল ।
সিহঁত ৰাতিৰ আন্ধাৰৰ দৰেই কলা,
দেখাত প্ৰকৃত দেশ প্ৰেমিক
কামত সম্পূৰ্ণ বিপৰীত ।

শান্তিৰ ঢাক ঢোল বজায়
অন্ধকাৰৰ আঁৰে আঁৰে—
— কেচা তেজ শুহি খায়,
মোৰ নিচিনা অসংখ্য—
যুৱকৰ—
কৃষকৰ—
শ্ৰমজীৱি মানুহৰ—
যিহেতু আমি ঐক্যতো অনৈক্য
সিহঁত বিচ্ছিন্নতাতো অবিচ্ছিন্ন ।
লাগিব ঐক্যবদ্ধ
তেজহীন বিপ্লৱ
সিহঁতক মষিমূৰ কৰিবলৈ ।
অব্যাহতি পাম ।
মুক্তি পাম ।
শোষণৰ যন্ত্ৰ বিফল হব,
দেশ আন্ধাৰ গুচি পোহৰ হব;
শান্তিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হব ॥

---

# অপেক্ষা—

জেহিৰুল ইছলাম
এইচ, এচ, ২য় বাৰ্ষিক (বিজ্ঞান)

স্বাধীনতা লাভৰ চল্লিচ বছৰ পিছতো—
স্বাধীনতা নেপালি তহঁতে ।
স্বাধীনতাতো তহঁতৰ বাবে নহয়—
স্বাধীনতা হ'ল সৌ বৰমূৰীয়াহঁতৰ বাবে ।
গান্ধীজীৰ স্বাধীনতাক পদানত কৰি
ইহঁতেই হল স্বাধীনতাৰ অধিকাৰী ।
"যি স্বাধীনতাত এক শ্ৰেণী অত্যাচাৰী
আৰু এক শ্ৰেণী নিস্পিড়িত নিৰ্যাতিত" ।
নিস্পিড়িত সকলে নিজৰ কথা,
ভাবিবৰ নাই অধিকাৰ ।
ভাবিলেই, অপৰাধ পৰিণামত শাস্তিৰ টোম
বোলাৰ
—এইয়াইতো আজিৰ স্বাধীনতা ।
তহঁতে নাপাবিনো স্বাধীনতা ?
আৰু নো কিমান দিন সহিবি বেদনা ??
আৰুনো কিমান দিন কৰিবি অপেক্ষা ???

---

# বিকৃতি প্ৰতিচ্ছবি

আব্দুল মতলেব
এইচ, এচ ২য় বৰ্ষ (বিজ্ঞান)

এটি নিজৰাৰ পাৰত
আছিলোঁ মই বহি,
চিন্তাৰ স্ৰোতত ভাহি
প্ৰতিহিংসাত মোৰ হিয়া
উঠিছিল জ্বলি ।
হঠাৎ পৰিল চকু মোৰ
অতল নিজৰাটিৰ গৰ্ভতলিত,
তাত যে আছিল এক
ভয়ানক দানব;
কি যে বীভৎস তাৰ ৰূপ ।
দেখি মোৰ দেহ মন
উঠিল শিহৰি ।
লাহে লাহে অন্তৰ্হিত হ'ল
সেই দানৱ, আৰু
ভীত-বিহবল এখনি মুখ,
তেতিয়া হে বুজিলোঁ
কোন সেই দানব,
সেয়া যে আছিল
প্ৰতিহিংসাৰ তাড়নাত
কুৎচিত মোৰেই বিকৃতি প্ৰতিচ্ছবি ।





# কুলি আৰু কবি

চৈয়দ ছাহজাহান আহমেদ
বি,এছ,ছি, ৩য় বৰ্ষ

বহাগৰ বসন্তৰ বাতৰি লই;
তুমি উৰি আহা পাহাৰ পৰ্ব্বত এৰি
শস্য শ্যামলা আমাৰ চেনেহৰ দেশ
নন্দন কানন সদৃশ সমতল ভূমি লৈ ॥

তোমাৰ কুউ কুউ কুউ মাতত
মোৰ হৃদয় মৰুৰ মাজেদি
বিদ্যুৎ বেগত বই যায়,
অব্যক্ত আনন্দৰ পুলক ধ্বনি ।
মোৰ যৌৱনলৈ বসন্তৰ বা লাগি
যৌৱনে বিচাৰে নৱ জীৱন মাধুৰী,
প্ৰেমাকুল হৃদয়ে বিচাৰে প্ৰেম:
কিন্তু মইনো কাৰ আশাত কি বিচাৰো ?
তোমাৰ কুউ কুউ গীতৰ সুৰটিৰ
আঁত বিচাৰোতে ভুলি যাওঁ—
তৃষ্ণাতুৰ মৰুৰ দুৰন্ত তৃষ্ণা,
নিদাৰুণ জ্বালা, নিকৰুণ বেদনা ॥
মন আকাশত অনেক ৰঙীন স্বপ্নেৰে
ভাহি উঠে প্ৰেমজ্যোতিৰ ধাৰা,
হৃদয়ত বই যায় স্বৰ্গী মন্দাকিনী,
নিজকে হেৰাই যাওঁ বিশ্ব হৃদয়ৰ বুকুত ॥

তোমাৰ 'কুউ' গীতৰ সুৰ টানোতে,
ভাৱ হয়, তোমাৰ দৰে মুক্ত বিহংগী হই
কুমলীয়া কুঁহিপাতৰ আঁৰে আঁৰে
গাই যাওঁ সুন্দৰৰ মধুৰ গান ॥
বিলাই যাওঁ তৃষ্ণাতুৰ মৰুত প্ৰেমামৃত,
বিচাৰি ফুৰো বিশ্বত তন্ন তন্নকৈ,
মোৰ পৰাণ মাণিক, বাঞ্ছিত ধন,
অন্তত পাবলৈ তাৰ কৰুণাৰ সুৰ ॥

হে কুলি গোৱা তোমাৰ মধুৰ গান,
তোলা তোমাৰ সুৰ লহৰীৰ হিল্লোল
শুনি যাওঁ, ভুলি যাওঁ জীৱনৰ তীক্ত বেদনা;
হেৰাই যাওঁ সুন্দৰৰ সুন্দৰ বুকুত ॥



# কবিতা

## কুৰি শতিকাৰ বজাৰ

আঃ মান্নান আহমেদ
টি, ডি ছি ১ম বৰ্ষ

পৃথিৱীখন কিমান সুন্দৰ !
বৰ্বৰতাক ৰুধি
কুৰিশতিকায় কলে—
স্বাগতম আল্ট্ৰা মৰ্ডাণ ৱৰ্ল্ড ।
সভ্যতাৰ পম খেদি—
এন্ধাৰক সাৱটি—
লাইচেন্স দিলে
মদ, জুৱা, বেশ্যালয়, কলা বজাৰ
এই কুৰিশতিকায় ।

× × ×

## ।। স্বাগতম বন্ধু ।।

জাকিৰ হুছেইন
দ্বাদশ শ্ৰেণী (কলা)

এক বিংশ শতিকাৰ শুভলগ্নত
তুমি থিয়হৈ—
অনাগত দিনৰ ধুমুহাত
তুমি নীৰৱে নেথাকিবা,
কিবা এটা কৰিবা বুলি
মই ভাৱো·······
সেই বাৱেইতো মোৰ গাত ৰণৰ পোছাক ।
হাতৰ মুঠিত এপাত বক্তিম কাড় ।
তুমি ময়ে ভাঙিম—
এই ভণ্ড শতিকাৰ বৃহৎ প্ৰাচীৰ
জন্ম দিম বক্তিম সূৰ্য্যৰ বক্তিম কিৰণ !!

+ + +





# MUSTARD FLOWER

Miss Firoza Begum
H. S. C 2nd year

I saw yellow coloured florid field.
Bed-cover decorated o'er the universe.
Who gave thier glittering gild ?
" Mustard flower " among the green grass.
Near the roads far from the tress.
They're dancing in the december breeze.
Fluttering as my sister's golden ring.
So the mustard-oil purify human blood.
The next year a farmer will be sing.
In such a wealthy friend may glad.
They'll make a tastefull curry.
And then the man-kind become wary.
Countless grows after the tiller's till.
They're the yellow mustard flowers.
Noursing seeds of mustard will go on to mill.
Oh! God made thire pretty colours.
I looked and looked-charming sight.
They called the maker is so bright.
At night I felt maysterious dream.
Large number of my childhood friend.
Mustard's flower moved to brim.
In this way my reverie'd end.
Like those of tiny mustard's flowers.
Time fade a way my external colours.

# DIMASA— A BRIGHT RAY IN ASSAMESE VIBGYOR

Prof. Bhupesh Sarma
Dept. of Philosophy

Vibgyor is not simply the collection of colours but association of colours in a beautiful proportion. The same is the case with assamese culture. As a garden can never be enjoyable without various plants and flowers so also the culture and the case of garden without beauty is the same as a nation without culture. Beauty lives in proportion.

Assamese as a nation itself includes various castes and tribes without any regard to any difference either religious or any oth erelse. Here we shall try to focus the Dimacha Kachari culture.

Dimasa Kacharis, a scheduelled tribe, are mainly confined in the North Cachar Hills District. They, however, live in a scattered way in Dhansiri, Manja Howaipur, and some interior areas of Karbi-Anglong District. The Dimasas are the most earliest aboriginal tribe of the Bodo group of people.

The voice of history reminds us that the Dimasa Kachari rulled in Brahmaputra Valley before the commencement of Ahom Rule. Unfortunately they are now an underdeveloped tribe. Their glorious past is but a faint memory for the Assamese people. The Dimacha Kachari, as referred to Mr. B. C. Allen, " a popular and powerful race, is said to have had their origin some where between the upper waters of YANG-TSE-KIANG and HOANG-HO and to have spread in successive waves over Assam and to have panetrated as far south as Tipperah ". This rude tribe gradually acquired an empire over Assam, Sylhet and Mymensingh and down to sea. The term Dimasa means the descedent or the son of the head of big river.

Regarding the origin of this tribe we have two legends. The first we find in Mahabharata also. Bhima while wandering along



with his brothers of pandavas arrived on this part of the earth and married Hidimba, the daughter of a Raksasa or demon. They had a son named Ghatotkasa who is claimed to be the first king of Kachari race. From Ghatotkasa descended a line of 103 independent kings. As Ghatotkasa was the son of Hidimba, the word Dimasa is expected to be derived from Hidimbachcha for the word 'cha' means son. This was disterted into Dimbachcha and subsequently as Dimasa in course of time.

The other legend is that Dimasas have in spirits. They Regard Arikhidima as their ancestress. "Arikhi" might have been given up in course of time and 'dima' being combined with 'sa' which means son, formed Dimasa. But this is still a controversial matter.

The Dimasa is a culturally rich tribe. The remains of the palatial buildings, gateway, ramparts pillars and numerous temples at Dimapur, Maibong, Khaspur and Kasamartpathar give us proofs of its cultural haritage. The decorative and art designs with architectural and floral ornamentation of these remains give examples of civilised tribes.

Their love for beautiful artistic designs is found in the decorative designs of cloths, mats and other handicrafts. Even they make a gate of the village which is known as Fangsla at the time of BISU celebration. It is an artistic idea of the Dimasas. The music and dance play an important role in their daily life. They use Muri, Muriwathisa and suphin as wind instruments. These are all clario-nets. The Dimasa people use a string instrument called Kharmdubung. They have only one drum instrument and it is known as khram. Khram is an indispensable instrument during the dances. Both boys and girls take part in the dances. The main festivals are Bisu, Rajini Garba and Harni Garba. Bisu is the gayest festival. The salient features of the Bisu festivals can be sum nurised as follows:

1. It is the gayest, most elaborate and expensive community festival of the Dimasas involving the entire population of the village.

2. The youths of the village have to bear the full responsibility of arrangement of the celebration of the Bisu.

3. The people observe Genne or no work during the entire period of the observance of the Bisu.

The Dimasa Kachari use their own traditional dresses. A Dimasa man wears a Risha about a metre in breadth as a Dhuti. It is generally deep green in colour. He wears a shirt and also uses a chadar called Rimsao. It has nice artistic designs. He also uses a turban on his head when he goes out of his village.

A Dimasa woman wears a shirt like Mekhala called Rigu. It may be white or coloured. The Ragu covers her body from waist to the knee below. She uses a piece of cloth called Rijumphai to cover the upper part of her body. These are also artistically designed. The girls use Rikhaosa a special type of chadar at the time of dance. The male Dimasa uses Yaocher and Kharik ornaments. The woman uses poal (one type of necklace), Khamonthai ( ear ring ), Chandrawal (silver necklace) Rongborsa (nacklace made of one rupee) Khadu (hracelet) Eansidam (nose ring) Khamonhai (ear ring made of silver) etc.

The food habits of the Dimasa Khacharis are more or less similar to the other Assamese people of the state. Rice is the principal food of them. They like rice made from Bara paddy as tiffin. They made a village wine, Joo by name from Bara riec during festival. They use alkali in the preparation of curries which is prepared by burning dried trunks of plaintains. They drink blank tea. They chew raw betelnut with betel leaves, lime and tobacoo. The Jco, a rice bear, which is made with rice and other ingredients is prepared by the women at homes. This flivourable deverage is used mainly during festivals, feasts, weddings, deaths etc. The



food habits of the Dimasas are mainly meant for the growth of energy, strength and stout body to struggle for the livelihood in the hilly place.

7. The modern civilisation has not yet touched the interior villagers of this tribe. Every tribe is conscious of its own status and customs No tribal community of N. C. Hills come forward to interfere with the customs of other tribal community of the District. They live peacefully like members of one family. They live harmoniously even amongdest the different communities having different religious faith. They must come advance to cope up with the changing social institutions in tribal areas under the impact of modern economic development. They must be aware of the study of the quality of contact between modern civilised people of the plains and the more backward tribal areas. To maintain an atmosphere of integration in the whole of Assam, the people of the various tribal classes must feel the developmental conditions of their livelihood. Smaller streams also carry water to the river and the river to the sea and seas from an ocean. Similarly the smaller cultural communities also give life and brightness to the Assamese as well as greater Indian culture. It is said that India is a land of unity in the midst of diversity and such is the case with Assam.

Help's taken from—

1. Morality and Religion.
2. "Sankardeva" his life and philosophy"

# Glimpses Of Indian Economy.

MD. AYNAL HOQUE
Lecturer, Deptt. Of Economics

India is the seventh largest country in the world. It has continental dimensious. It has an area of about 3287782 Sq. kms. measuring 3214 kms. from the North to the South and 2933 kms. from the East to the West. It is gifted with varied natural resources such as land resources, Mineral resources, Forest resources and water resources.

India is endowned with a vast and varied land resources measuring 32·88 crore hectars. Out of this land resource more than 30 crore hectars land use in various kinds of economically beneficial functions. It is gifted with 24·/. of the total land resource of the world. It has varied rainfall and a wide range of climate enabling it to grow a rich variety of crops and is gifted with equally rich variety of animals.

India is rich enough in her mineral resources. Quite a large variety of minerals are found in India. The most important among them are coal, petroleum, iron, bauxite, manganese gold, copper, silver, uranium, mica, lead etc. India is the land which producing the best quality iron in the world. It has the largest reserve of iron India meets ¼ of the total iron requirment of the world. It secures the first position as the producer of mica. It also ranked first as the producer of manganese in the world. In case of other minerals India is not poor.

India has valuable assets in her vast and varied forests about 75 million hectars of 23·/. of the total geographical area is under the " Green umbrella " in India. This area is full of valuable trees and animals. It has the highest and longest mountain saystem in the world.

Our land is often called the land of rivers. It has a splendid river system longest in the world. It is endowned with defferent kinds of water resource. Inspite of inland water resources it has vast marine water resources also. The principal rivers their tributaries, cannels, ponds, lakes etc. comprise the inland fisheries. The rivers covers 17,000 miles and other subsidiery water comprise 70,000 miles.

No wonder that, in the matter of natural resourecs India is the envy of the world. These play very important role for the development of the national economy. The natural resources not only develope the industry, agriculture, and commerce of the nation by giving employment to thousands of people but also India Governmnet earns sufficient amount of foreign currency by exporting them.

India is the second most populour country in the world. It has only 2·4·/. of the total land resources of the world. and with this small land resource. India has to feed on 15·/. of the world's total population. In India population is increasing at an alarming rate. In about 1·4 second one child born in India. About 13 million new population is added to its previous population every year. The growth rate of population at present in India is 2·5·/. every year. In 1981 census total population of India was 68.4 crores. According to the registrar general of 1981 census if the present trend of increament continues Indian's population is expected to rise to 95 crores by the census 2001.

Broadly speaking there are two main sectors of an econony industry and agriculture. Developement of an economy may be possible in two ways. Either by giving excessive importance in one sector of the two or giving equal importance on the two sectors simultaneously. It is experiened from the developement of some

developed economics that they either gave importance on agriculture or on industy. Some of the developed countries gave much emphesis on agriculture first and created the basis of industry. They produced agricultural commodity in sufficient quantity which are the raw materials of industry. Thus created the demand for industary. Then they started industry. Canada is an example of such countries. Major of the developed countries gave more importance on industry first and supplied machineries and equipments to the agricultural sector which helped in high productivity in agriculture U. K. is an example of such type of countries. In the second way the balanced sectoral development is maintained. Agriculture and industry are both equally treated. But in this way the development is not more speedier as the former. India is an example of this pattern of economy. In India equal importance has been given on both these sectors But it is a matter of grievantce that Indian economy as a whole is not developed. Agriculture as well as industry are backward still now and other subsidiery sectors are immediately follow these two.

India may be regarded as the land of villages. There are 5·82 lakh villages in India at present. The villages are the heart of Indian economy. About 77·/. of the total population in India live in villages. More than 90·/. of the villagers are cultivators. They directly engaged in agriculture 69·/. of the total population in India directly depend upon agriculture. In fact the prosperity of the land is synonymous with the prosperity of agriculture. But it is a matter of regret that the core sector of the economy is still now not developed. The productivity of Indian agriculture is far behaind than the productivity of advanced countries. For example India producing 12 quintles of wheat in one hectare of land wherears U. K. producing 41 quintles of the same in equal plot



